# ।। দ্বিতীয় অধ্যায় ।।

# দ্বিতীয় অধ্যায়

## মায়ঙৰ লোকগীত

**২.০ মায়ঙৰ লোকগীত ঃ**

লোকগীত চহাপ্ৰাণৰ মুখনিসৃত স্বতঃস্ফূৰ্ত্ত আবেগ-অনুভূতি, কল্পনা-প্ৰৱণতা; আনন্দ-বিনোদন, আশা-আকাঙ্ক্ষাৰ মূৰ্ত্তিমান প্ৰকাশ। লোকগীতৰ জৰিয়তে এখন সমাজৰ সূক্ষ্ম আৰু অনুভূতিপ্ৰৱণ মনৰ উমান পাব পাৰি। 'লোকগীতসমূহত ব্যক্তিগত আৰু সামূহিক ভাব-অনুভূতি প্ৰকাশৰ উপৰিও গাঁৱলীয়া মানুহে জন্মৰপৰা মৃত্যুলৈকে পালন কৰা বিভিন্ন ধৰ্ম-কাৰ্য, আচাৰ-অনুষ্ঠান আদিৰ বৰ্ণনা আছে।

মায়ং অঞ্চলৰ মৌখিক গীত বা লোকগীতসমূহক এনেধৰণৰে ভাগ কৰিব পাৰি—

২.১ ধৰ্মীয় গীত-পদ,

২.২ উৎসৱ অনুষ্ঠানৰ লগত জড়িত গীত-পদ,

২.৩ কৰ্ম বা শ্ৰম গীত

২.৪ প্ৰেম-প্ৰণয়মূলক গীত-পদ

২.৫ শিশুৰ সৈতে জড়িত গীত-পদ

২.৬ হাস্য-ব্যঙ্গ বা ধেমেলীয়া গীত

২.৭ তত্ত্বপূৰ্ণ গীত

২.৮ মন্ত্ৰৰ গীত

২.৯ মালিতা বা কাহিনী গীত

**২.১ ধৰ্মীয় গীত-পদ ঃ** অসমৰ লোক সাহিত্যত ধৰ্মীয় লোকগীতসমূহে এটি বিশেষ স্থান দখল কৰি আছে। 'ধৰ্মীয় প্ৰসংগ অৰ্থাৎ পূজা-পাতল-উপাসনা আদিৰ অনুষংগত গোৱা গীতবোৰেই ধৰ্মীয় গীত।'[১] ভক্তিৰ প্ৰগাঢ়তা, আধ্যাত্মিক, নৈতিক, সামাজিক শিক্ষা দিয়াৰ

---

১ শৰ্মা, নবীনচন্দ্ৰ, লোক-সংস্কৃতি, পৃ. ৫৪

প্ৰয়াস এই গীত সমূহত লক্ষ্য কৰা যায়।

মায়ং অঞ্চলৰ ধৰ্মীয় গীত-পদসমূহ এনেধৰণৰ (১) আইনাম, (২) অপেশ্বৰী নাম, (৩) সুবচনী নাম, (৪) বামুন গোঁসানী নাম, (৫) শিৱ-পাৰ্বতীৰ নাম, (৬) শ্ৰীকৃষ্ণ-ৰাধিকাৰ গীত ইত্যাদি।

## ২.১.০১ আইনাম

অসমীয়া লোক সাহিত্যত আইনাম এবিধ পৱিত্ৰ ৰক্তজবা ফুল। আইনামসমূহৰ মাজেদি গ্ৰাম্যাঞ্চলৰ নাৰীৰ প্ৰতিভাৰ স্ফুৰণ ঘটা দেখা যায়। 'জাতীয় সাহিত্য জাতীয় জীৱনৰ দিনলিপি। আইনাম ধৰ্মবিশ্বাস আৰু লোক বিশ্বাসৰ মণি-কাঞ্চন সংযোগত সৃষ্টি হৈছে।'[২] এহাতে গ্ৰাম্য অঞ্চলৰ লোক বিশ্বাস আনহাতে তান্ত্ৰিক আদি ধৰ্মীয় শ্ৰেণীৰ বিশ্বাস ইয়াৰ ফলত 'আইনাম'ৰ সৃষ্টি। প্ৰাচীন কালত বসন্ত মহামাৰী সদৃশ আছিল। সেয়ে বসন্ত ৰোগৰ অন্তৰালত এসময়ত দৈৱিক শক্তিক সন্তুষ্ট কৰিবলৈ অথবা নোহোৱা কৰিবলৈ মানুহে উপায় উদ্ভাৱন কৰিব বিচাৰিছিল। তাৰ ফলতেই 'দেৱী ৰূপে কল্পনা কৰি পূজা অৰ্চনা কৰি গীত-মাত গাই 'আইক' সন্তুষ্ট কৰিবলৈ ল'লে। এনেদৰেই আইনামৰ সৃষ্টি হয়। 'তান্ত্ৰিক শক্তি' ধৰ্মই সৃষ্টি কৰা মহামায়াৰ সাতভনী, ন-ভনী, বাৰ-ভনী আদি লোকবিশ্বাসৰ আৰু পৰম্পৰাৰ সৃষ্টি। এই আই মহামায়া বা দুৰ্গাৰ অন্য এক ৰূপ বুলি বিশ্বাস কৰা হয়। আইক শীতলা বুলিও কোৱা হয়। শীতলা নামসমূহ মায়ঙত প্ৰচলিত আছে। বসন্ত ৰোগ হ'লে বৰ্ত্তমানো অঞ্চলটোৰ মানুহে 'আই'ক বিশ্বাস কৰে আৰু পৰিস্কাৰকৈ ধূপ-ধূনা বন্তি জ্বলাই শুভ্ৰ কাপোৰ পিন্ধাই ৰখা হয়। ইয়াৰ পিছত তিনি বা পাঁচ দিনৰ দিনা মাহ-প্ৰসাদ দি পিঠাগুৰি আদি আইসকলক নৈবেদ্য আগবঢ়াই অৰ্থাৎ চুবুৰীয়াৰ বয়সীয়াল মহিলাসকলক। তেওঁলোকে আহি আইনাম গায়। প্ৰথমে 'নাৰায়ণ'ক আমন্ত্ৰণ কৰা হয়। তাৰ পিছতহে আইনাম বা শীতলা নাম গোৱা হয়।

**ঘোষা** ঃ *হৰি ৰাম হৰি গুৰু সন্তোষৰ অৰ্থে*

**পদ** ঃ *গোবিন গোবিন কি দিবো যাদৱ ৰায়*

২ গগৈ, লীলা ঃ অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা পৃ. ৮১

*ব্ৰহ্মাণ্ডৰ ভিতৰে য'ত বস্তু আছে*

*সমস্ত তোমাতে পায় গোবিন্দ*

*কিমতে আসন দিবে। নাৰায়ণ*

*গৰুড়ে যাৰ বাহন*

*কিবা অলংকাৰ ৰচিম মই প্ৰভু*

*দেখিতে যাহা শোভন।*[৩]

মায়ং অঞ্চলৰ আইনাম সমূহ ঘাইকৈ বসন্ত ৰোগ হ'লে আয়তীসকলৰ দ্বাৰা গোৱা হয়। অসমৰ অন্যান্য ঠাইৰ সতে ইয়াৰ সাদৃশ্য আছে। 'ঘৰত বসন্ত ৰোগে দেখা দিলে সেই ৰোগৰ অধিষ্ঠাত্ৰী দেৱী আইসকলক আসন পাতি সবাহৰ নাম গালে আইসকল সন্তুষ্ট হয় আৰু তেওঁলোকে বসন্ত ৰোগ ভাল কৰে বুলি অসমৰ অন্যান্য ঠাইৰ দৰে মায়ং অঞ্চলৰ ৰাইজেও বিশ্বাস কৰে। এই অঞ্চলত প্ৰচলিত আইনামৰ লগত উজনি অসমত প্ৰচলিত আইনামৰ সাদৃশ্য দেখা যায়। লালুংসকলৰ মাজতো আইনামৰ প্ৰচলন আছে। তেওঁলোকৰ আই জকে। জকাৰ সময়ত ভূত ভৱিষ্যতৰ কথা ক'ব পাৰে।'[৪] মায়ং অঞ্চলত কাৰোবাৰ ঘৰত ল'ৰাছোৱালীৰ বসন্ত ওলালে আয়তী বা গুৰুৰ ওচৰত চোৱাচিতা কৰা হয়। চোৱাচিতা কৰিলে কেতিয়াবা তিনিটা বা পাঁচটা বা বাৰটা লৈকে সুৰ ধৰা হয়। অৰ্থাৎ সৰু আইৰ তিনিটা সুৰ বা ক্ৰমে ডাঙৰ আইলৈ বাৰটালৈকে সুৰ দি গাব লগা হয়। সোঁৰৰণী চাই এঘাৰটা টান দিব লাগিব। ডাঙৰ আই ওলালে সহস্ৰ টান দিব লাগিব।[৫]

আইনামৰ সবাহ কেতিয়াবা থানত কেতিয়াবা বেলতলত আৰু কেতিয়াবা ঘৰত পতা হয়। থানত আৰু বেলতলত দিয়া নাম একে। ঘৰত অলপ ভিন্নকৈ দিয়া হয়। উদাহৰণ স্বৰূপে—

*'মোৰ নিজ গুৰু যাদৱৰায়*

*তোমাক সেৱা কৰিবৰ উপায় নাই*

৩ সংবাদদাত্ৰী, দেৱী, নবেশ্বৰী, ৰজামায়ং (৭০)

৪ শৰ্মা, হেমন্ত কুমাৰ ঃ মায়ং অঞ্চলৰ লোকসাহিত্য পৃ. ৩৪

৫ সংবাদদাত্ৰী; বিষয়া, ভদ্ৰা, হাতীমূৰীয়া (৮০)

*আমাৰে ঘৰলৈ যাদৱ ৰায়*

*আইসকল আহিছে যাদৱ ৰায়*

*কিলৈ কৰিম মই সেৱা মোৰে নিজ গুৰু*

*যাদৱ ৰায়। তোমাক...।'*[৬]

আকৌ থান অৰ্থাৎ ভগৱতী থান বা বেলতলত দিয়া এনেধৰণৰ

*'অ হৰি অ' ৰাম*

*ভগৱতী আই আহঐ বেলতললৈ*

*তোমাৰ দাসে পূজা দিছে*

*সেৱা লোৱাগৈ।'*[৭]

ভগৱতী আই আহ ঐ বেলতললৈ ইয়াৰ উপৰিও কেইবাটাও সুৰত বেলেগ বেলেগ কৈ থানত আৰু ঘৰত নাম দিয়া হয়। হাতীমূৰীয়া অঞ্চলৰ এই বৈশিষ্ট ৰজামায়ং অঞ্চলত দেখা পোৱা নাযায়। অসমৰ অন্যান্য অঞ্চলৰ আন সবাহ-অনুষ্ঠানৰ সৈতে হাতীমূৰীয়াৰ আই সবাহৰ এই পাৰ্থক্য পৰিলক্ষিত হয়।

প্ৰথমেই গোটেই ঠাইখন মচি পৱিত্ৰ কৰি লোৱা হয়। তাৰ পাছত আসন পতা হয়। ইয়াৰ পাছত দেৱীক আমন্ত্ৰণ জনোৱা হয়।

*'ঠাই মুচি পত্ৰ পাৰি হে আই*

*সজায় থৈছো আসন*

*আসন ওপৰে আছয় দেৱী*

*সকল আইৰে বসন।'*[৮]

ধূপ-দ্বীপ-নৈবদ্য এভাগ আগ বঢ়ায় তাত বিভিন্ন ফুল আগবঢ়োৱা হয়। এই 'ফুল' প্ৰতীকি অৰ্থত ব্যৱহাৰ কৰা হয়। ফুল অৰ্থাৎ বসন্তৰ সৰু সৰু গুটি বোৰক পৱিত্ৰভাৱে ফুল বুলি কোৱা হয়।

---

৬ সংবাদদাত্ৰী, দেৱী, নৰেশ্বৰী, ৰজামায়ং (৭০)
৭ সংবাদদাত্ৰী, বিষয়া, ভদ্ৰাৱতী, হাতীমূৰীয়া (৭৫)
৮ সংবাদদাত্ৰী, দেৱী, নৰেশ্বৰী, ৰজামায়ং (৭০)

*'বুঢ়ী আইক মাতি ৰঙে সজপাতি আই*
*আনাগৈ গোপীকে মাতি।*
*কি চৰায় মাতিছে আয়ে ফুল বাচিছে*
*আইৰে আসনত বহি।।*
*গাতে সৰুমুহি তোলে বৰমুহি আই*
*মনুষ্যে চিনি নাপায়।'*[৯]

শাৰী শাৰীকৈ নৈবদ্য আগবঢ়াই ধুপ দ্বীপ জ্বলায়। চাৰিওকাষে বন্তি জ্বলোৱা হয় আৰু বিভিন্ন ফুল শেৱালী; চম্পা, নাগেশ্বৰ তগৰ আদি বগা ফুলেৰে আইৰ থাপনা সজোৱা হয়।

আইসকলৰ সেৱাপূজা আয়তীসকলে একো নাজানে সেয়ে একেবাৰে সৰু, পৱিত্ৰ আৰু ঔষধিযুক্ত দোৰুশ পুষ্প আৰু পৱিত্ৰ গংগাৰ পানী আনি পূজাভাগ দিব। তাতে তেওঁলোক সন্তুষ্ট হ'ব লাগে। ধূপধূনাৰে আদৰি আনি 'মূৰৰ কেশ চিঙি কাকূতি' কৰিছে 'দেহৰ সাকো পাৰি' দি দেৱীক বন্দনা কৰিব আই সন্তুষ্ট হ'ব লাগে।

*'মূৰৰ কেশ চিঙি যাদব ৰায়*
*কাকূতি কৰিছো।*
*দেহৰে পাৰি দিম মই সাকো'*[১০]

এই নাম গাই উঠি সকলোটিয়ে পূজা সেৱা আগবঢ়ায় আৰু প্ৰসাদ বিতৰণ, নিৰ্মালি প্ৰদান আদি অনুষ্ঠান হয়। মূল আয়তীয়ে আশীৰ্বাদ দিয়ে ঃ

*'ভগৱতী বুঢ়ী আই কেচাই খাতী, শীতলী*
*পাতলী সাতভনী নভনী আই সন্তুষ্ট হওক।'*[১১]

এনেদৰে আশীৰ্বাদেৰে সামৰণি মৰা হয় আইনাম।

**২.১.০২ অপেশ্বৰী সবাহৰ নাম ঃ**

নাৰী সমাজত প্ৰচলিত আন এটি উল্লেখযোগ্য নাম বা সবাহ হৈছে 'অপেশ্বৰী

---

৯-১১ সংবাদদাত্ৰী, বিষয়া, ভদ্ৰাৱতী, হাতীমূৰীয়া (৮০)

সবাহ্'। এই পূজা শীতলা পূজাৰ লগত সাদৃশ্য দেখা যায়। 'অপেচৰী, অপেচৰা বা অপেশ্বৰী পদটো সংস্কৃত 'অপ্সৰা' পদৰপৰা বিকাশ হৈছে। অপ্সৰী পদৰ উল্লেখ বৈদিক সাহিত্যত পোৱা যায়।" 'গল্ড ষ্টুকাৰৰ' (Gold stucker) দৃষ্টিত সূৰ্যৰ কিৰণৰ দ্বাৰা সৃষ্ট মেঘৰ ৰূপ পোৱা জলীয় বাষ্পই অপ্সৰা অৰ্থাৎ 'persoifications of the vapours which are attracted by the sun or form into mist or cloud'.[১২] গতিকে দেখা যায় অপ্সৰা বা অপেচৰী এগৰাকী দেৱী বুলি লোকসমাজত প্ৰচলিত আছে আৰু এই দেৱীৰ পূজা অৰ্চনা কৰি সন্তুষ্ট কৰিবলৈ চেষ্টা কৰা হয়। এই অপ্সৰাৰ মূলতে সূৰ্যৰ কিৰণ বুলি অনাখৰী আয়তী সকলে উপলব্ধি কৰে ঃ

*'ওপৰৰ দেৱতাই বৰমেল পাতিছে*
*সূৰ্যই ধৰিছে চাকি... ।'*
*'ওপৰতে মড়ল দিছে*
*ছায়া দিছে ভৰি... ।'*[১৩]

মায়ং অঞ্চলতো শিশুৰ কল্যাণৰ অৰ্থে অপেশ্বৰী সবাহ্ পতা দেখা যায়। ল'ৰা-ছোৱালী যে খাবলৈ ইচ্ছা নকৰিলে বেমাৰ আজাৰ হ'লে, শুকাই খিনাই গ'লে আইৰ লেঠা লগা বুলি অপেশ্বৰী সবাহ্ পতা হয়। এই সবাহ্‌ৰ গীত এনে ঃ

*'ওপৰৰ দেৱতাই বৰ মেল পাতিছে*
*সূৰ্যই ধৰিছে ঢাকিয়ে*
*একোকে নজনা অজনা মনুষ্যই*
*বৰকৈ লগাইছে ঘাটিএ'*[১৪]

অপেশ্বৰী সবাহ্ পাতি সৰু ল'ৰা-ছোৱালীৰ বেমাৰআজাৰ নাশ কৰাৰ চেষ্টা কৰা হয়। 'সাধাৰণতে সৰু ল'ৰা-ছোৱালী শুকাই খীনাই গ'লে, উপযুক্ত বয়সত ছোৱালী পুষ্পিতা নহ'লে, শিশুৱে হাত ভৰি জোকাৰি নিৰ্নিমেষে নেত্ৰে চাই থাকিলে, অথবা ল'ৰা-ছোৱালী পক্ষঘাত ৰোগত আক্ৰান্ত হ'লে, লোক সমাজে অপেচৰাৰ দোষ লগা বুলি বিশ্বাস কৰে

১২ J. Muri : original Sanskrit Texts, Vol. V., Eng., London, 1968-73, P 345
১৩-১৪ সংবাদদাত্ৰী, ডেকা, গায়ত্ৰী, বৰদিয়া (৪৫)

আৰু প্ৰতিকাৰৰ উদ্দেশ্যে অপেচৰা সবাহ পাতে আৰু নাম গায়।'[১৫] কিন্তু অপেশ্বৰী সবাহৰ নিয়ম 'অজানা মনুষ্যই একো নাজানো বাৰে বাৰে দোষ লগায় গতিকে সেই দোষ মৰিষণ কৰি অপেশ্বৰী সন্তুষ্ট হ'ব লাগে।

*'আই অপেশ্বৰীক মাতিম কেনে কৰি*
*কৰিম কেনে ভাৱে সেৱা।।'*[১৬]

এই অনুষ্ঠানৰ সতে 'কুমাৰী পূজা'ৰ সম্পৰ্ক আছে যেন অনুমান হয়। কুমাৰী পূজাৰ উৎপত্তি সম্পৰ্কে যোগিনীতন্ত্ৰত আছে—

*'পুঞ্জিতাস্তৈঃ কুমাৰী সা কুসুমৈৰ্নন্দোনোদ্ভবৈঃ।*
*সৰ্ব্বলোকৈঃ পূজিতা চ কুমাৰী সা গৃহে গৃহে।।'*

অৰ্থাৎ দেৱতাসকলে মিলি নন্দন কাননত উৎপন্ন হোৱা নানাবিধ সুগন্ধ ফুলৰ দ্বাৰা সেই দ্বিজ কুমাৰীক পূজা কৰিলে।[১৭] তাৰ পিছৰ পৰা সকলো মানুহে নিজ নিজ ঘৰত কুমাৰী পূজা কৰিবলৈ আৰম্ভ কৰিলে। সেইদৰে স্থানান্তৰত কোৱা হৈছে যে এজনী মাত্ৰ কুমাৰী পূজা কৰিলে সকলো দেৱতাকে পূজা কৰা হয় বহুত কুমাৰীক পূজা কৰিলে ত্ৰৈলোক্যত থকা সকলো দেৱতাৰ পূজা কৰাৰ ফল পায়।[১৮]

*'একা হি পূজিতা বালা সৰ্ব্বংহি দেৱ পূজনং।*
*বহুভিঃ পূজনে চৈৱ ত্ৰৈলোকস্য পূজা ভৱেৎ।।'*

গতিকে দেখা যায় অতি প্ৰাচীন কালৰপৰাই কুমাৰী পূজাই সমাজত উচ্চ আসন দখল কৰি আহিছে। এই কুমাৰী পূজাৰে সূত্ৰ ধৰি লোক সমাজত অপেশ্বৰী সবাহ পতা হয়।

'এই অনুষ্ঠানত ৰোগাক্ৰান্ত মানুহঘৰৰ চোতালত পিঠা গুৰিৰে তিনিটা বা পাঁচটাকৈ ঐক্যকেন্দ্ৰিক বৃত্ত আঁকি তাৰ মাজত তিনি বা পাঁচজনী কুমাৰী ছোৱালীক অপেচৰী সজাই

---

১৫ ভট্টাচাৰ্য, বসন্তকুমাৰ ঃ অসমীয়া লোকগীত সমীক্ষা পৃ. ১৪
১৬ সংবাদদাত্ৰী, ডেকা, গায়ত্ৰী, বৰদিয়া (৪৫)
১৭ যোগিনী তন্ত্ৰ ১/১৭/২০
১৮ যোগিনী তন্ত্ৰ ১/১৭/৩৩

বহুওৱা হয় আৰু যথাৰীতি পূজা কৰা হয়। পূজাৰ অন্তত নাম গোৱা হয়।'[১৯] এই সবাহৰ গীততে ইয়াৰ উল্লেখ আছে ঃ

*'ওপৰতে মড়ল দিছে*
*ছায়া দিছে ভৰি*
*এবাৰলৈ ৰক্ষা কৰা আই অপেচৰী।'[২০]*

*'ওপৰৰ দেৱতাই ওলাই মেল কৰে*
*কুমাৰী কি পূজা কৰে।'[২১]*

'অপেচৰাক দুৰ্গা দেৱীৰ অন্যতম অভিব্যক্তি বুলি লোক সমাজে বিশ্বাস কৰে।'[২২] মায়ং অঞ্চলতো শীতলা বা আইনাম, দুৰ্গা দেৱীৰ নাম আৰু অপেচৰী নামসমূহ একাকাৰ কৰি গোৱা হয়। শীতলা বা আই সবাহৰ লগতে অপেচৰী সবাহৰ নামসমূহো গোৱা হয়।

প্ৰাণস্পৰ্শী ভাষাৰে ৰচিত কোমল সুৰৰ এই গীতৰ মাজত নাৰী হিয়াৰ সৰলতা আৰু গভীৰ ভক্তিৰ প্ৰকাশ ঘটিছে। শিশুসকলৰ কল্যাণকামী আইসমাজে এই নামসমূহত অন্তৰৰ আবেগ ঢালি পৰিবেশন কৰে।

## ২.১.৩ সুবচনী গীত

ভক্তিমূলক লোকগীতসমূহৰ ভিতৰত 'সুবচনী গীত' বা নাম উল্লেখযোগ্য। পৰিয়ালৰ সুখসমৃদ্ধি বা শিশুৰ বেমাৰ-আজাৰ আদি নাশ কৰাৰ উদ্দেশ্যে এই গীত বা নাম গোৱা হয়। আই সবাহ আৰু সুবচনী সবাহৰ নীতিনিয়ম একে। এই অনুষ্ঠানো আয়তী সকলৰ অনুষ্ঠান। 'শীতলা দেৱীৰ দৰে 'সুবচনী'কো দুৰ্গা দেৱীৰেই অন্যতম অভিব্যক্তি বুলি বিশ্বাস কৰা হয়। সেয়ে সুবচনী গীততো দুৰ্গাদেৱীৰ মহাত্ম্যই বৰ্ণিত হোৱা পৰিদৃষ্ট হয়। বিষয় বস্তুৰ মাজত সাদৃশ্য থাকিলেও, উজনি আৰু নামনি অসমৰ এই দুই অঞ্চলত প্ৰচলিত সুবচনী গীতৰ গঠন ৰীতিত পাৰ্থক্য পৰিলক্ষিত হয়।'[২৩] মায়ং

---

১৯ ভট্টাচাৰ্য, বসন্তকুমাৰ ঃ অসমীয়া লোকগীত সমীক্ষা পৃ. ১৪
২০-২১ সংবাদদাত্ৰী, বিষয়া, ভদ্ৰাৱতী, হাতীমূৰীয়া (৮০)
২২ শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ. ২৮
২৩ ভট্টাচাৰ্য্য, বসন্ত কুমাৰ ঃ অসমীয়া লোকগীত সমীক্ষা, পৃ. ১৫

অঞ্চলত প্ৰচলিত সুবচনী নাম আইসবাহ, থানত পতা সবাহ আদিত গোৱা হয়। এই নাম আই সবাহৰ বিভিন্ন আইনামৰ সতে একে লগে গোৱা হয় বাবে পাৰ্থক্য বিচাৰ কৰা টান ঃ

*'আসনতে দিয়ে থৈছো*
*চম্পা নাগেশ্বৰ*
*মলে মলাই গোন্ধাই আছয়*
*আসন ওপৰে*
*ভগৱতী আই আহ ঐ বেলতললৈ।'* [২৪]

সুবচনী গীতটিত বিভিন্ন বগা, মল্‌মলাই থকা ফুলৰ নাম থকালৈ চাই আইসবাহৰ পুষ্টা, বৃক্ষই সুবচনী নামতো ব্যৱহাৰ কৰা হয় বুলি অনুমান কৰিব পাৰি।

*'আসনৰে চৌপাসে*
*ফুলিছে দগৰ।*
*আসনতে সকল আইয়ে*
*ভাঙিছে জগৰ।।*
*আসনতে দিয়ে থৈছো জুৰি জুৰি পাণ*
*আমি তিনি অনাচাৰী*
*মাগো জীৱন দান।।'* [২৫]

ঘৰখনৰ সৰ্বতো প্ৰকাৰৰ মংগল আৰু কল্যাণ কামনাই আয়তীসকলৰ মূল উদ্দেশ্যে। সেয়ে দেখা যায় দুৰ্গাদেৱীৰ নাম, আইনাম, সুবচনী সবাহৰ নাম এই আটাইকেইটা নামৰে উদ্দেশ্যে গৃহস্থী ঘৰখন আৰু শিশুৰ কল্যাণ কামনা সেয়ে এই নামসমূহ প্ৰতিটো অনুষ্ঠানতে পুনৰাবৃত্তি হোৱা দেখা যায়। মায়ং অঞ্চলত এই নামসমূহ বৰ্তমানো প্ৰচলিত।

**২.১.৪ বামুণ-গোঁসানী নাম ঃ**

মায়ং অঞ্চলত প্ৰচলিত এই নাম থানত গোৱা হয়। 'পথাৰৰ মাজত থকা নাইবা

২৪-২৫ সংবাদদাত্ৰী, বিষয়া, ভদ্ৰা, হাতীমূৰীয়া (৮০)

✓



মুকলি ঠাইত থকা ডাঙৰ আঁহত, পাকৰি আৰু বড় গছৰ গুৰিতো বুঢ়াগোসাঁই বা বুঢ়ী গোঁসাইক পূজা কৰে।'[২৬] 'গাঁৱত মাৰি মৰক লাগিলে, অপায় অমংগল, বিপদ-বিঘিনি আদিয়ে দেখা দিলে, অনাবৃষ্টি হ'লে, খেতিবাতি নহ'লে এইবোৰৰ নিৰাময়ৰবাবে আইসকলে ৰাজহুৱা গোঁসাই ঘৰত নাইবা থানত বুঢ়াগোঁসাই আৰু বুঢ়ী গোঁসানীৰ নাম ধৰে। এই প্ৰসংগত বুঢ়াগোঁসাই বুঢ়ী গোঁসানী বৃষ্টি আনয়নৰ দেৱতা, কৃষিদেৱতা আৰু কল্যাণ কাৰী ৰূপে আত্মপ্ৰকাশ কৰিছে।'[২৭] মায়ং অঞ্চলতো সদৃশ অনুষ্ঠান কৰা হয় একে উদ্দেশ্য আগত লৈ। গতিকে বুঢ়ীগোসাঁনী আৰু বামুণ গোসাঁনী অভিন্ন হ'ব পাৰে।

ৰজামায়ং অঞ্চলত এই নাম আহত গছৰ তলৰ থানত গোৱা হয়। আহত গছত বামুন গোঁসানী আছে গতিকে বন্দনা কৰিব লাগে। প্ৰতিবছৰে এবাৰকৈ এই পূজা কৰিব লাগে। প্ৰথমে হাড়ুগবড়িৰ থানত এই নাম কৰে তাৰপিছত ৰাজমায়ঙৰ আঁহতৰ তলৰ থানত এই নাম গোৱা হয়। বৰষুণৰ অভাৱ হ'লে ঘাইকৈ অতি প্ৰাচীন কালৰপৰা এই নাম অনুষ্ঠিত কৰি আহিছে এই অঞ্চলৰ ৰাইজে মিলি। গীতটি এনেধৰণৰ ঃ

*'থলত আছে বামুনগোঁসাই ঘৰত আছে হৰি*
*পৰি পৰি সেৱা কৰো চৰণতে ধৰি।'* [২৮]

ইয়াৰ পিছতে কৃষ্ণৰ জন্মৰ পিছৰ 'পচতি' নামৰ আৰ্হিত পিছৰ অংশ গোৱা হয়। কৃষ্ণই পুৱা উঠি ঘূমতিৰ জালত তন খাব নাপায় ক্ৰন্দন জুৰিলে ক্ৰন্দন কৰি ৰোষ কৰি কৃষ্ণ আঁতৰি যায় আৰু যশোদাই বিলাপ কৰি কৃষ্ণক বিচাৰি ফুৰে ঃ

*'আইক বুলিলো বাইকো বুলিলো*
*শুনা গোপী লোকে।*
*কৃষ্ণ গৈছে ৰোষ কৰি ৰাম*
*আনি দিয়া মোকে।।'* [২৯]

ইয়াৰ পিছত গোপীৰ ঘৰে ঘৰে কৃষ্ণক বিচাৰি ফুৰে ক'তো বিচাৰি নাপায়, পিছত

---

২৬ শৰ্মা, নবীনচন্দ্ৰ ঃ অসমীয়া লোক সংস্কৃতিৰ আভাস, পৃ. ১৫৩
২৭ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৫৩
২৮ সংবাদদাত্ৰী, দেৱী সুমিত্ৰা, ৰজামায়ং (৬০)
২৯ সংবাদদাত্ৰী, দেৱী ভানুমতী, ৰজামায়ং (৬০)

কদমৰ তলত মাথাৰ পাগুৰিত নিয়ৰ লৈ কৃষ্ণ বহি আছে, মাক যশোদাই পুত্ৰস্নেহত আপ্লুত হৈ কৃষ্ণক ৰত্নৰ সিংহাসন পাৰি দিব, তামৰ কলচিত পানী লৈ চৰণ ধুৱায় দধি দুগ্ধ চিৰা আনি ভোজন কৰোৱাৰ দৃশ্য অংকন হৈছে ঃ

*'উত্তম গংগাজল আনি মুখ হাত ধুলা।*
*কর্পূৰ তামোল আদি মুহুদি কৰাইলা।'* [৩০]

ইয়াৰ পিছত সোণৰ শয্যাত আনি কৃষ্ণক শুৱাই থোৱাৰ দৃশ্য অতি মনোৰমকৈ প্ৰকাশ পাইছে।

গীতটিৰ মাজেদি যশোদাৰ চিৰন্তন মাতৃ হৃদয়ৰ চিত্ৰ আৰু লোকসমাজৰ শিশু কৃষ্ণৰ চৰিত্ৰ মনোৰমকৈ আৰু হৃদয়স্পৰ্শী ভাৱে বৰ্ণনা কৰা হৈছে।

**২.১.৫ শিৱ পাৰ্বতীৰ গীত ঃ**

অসমীয়া লোক গীতসমূহত শিৱ-পাৰ্বতীৰ গীতে এক সুকীয়া আসন দখল কৰি আহিছে। মায়ং অঞ্চলৰ ৰজামায়ং গাঁৱৰ মানুহখিনি নাথ সম্প্ৰদায়ৰ। নাথসকলৰ আদিধৰ্ম শৈৱধৰ্ম। 'নাথ বা শৈৱধৰ্মত নিৰাকাৰ, পৰমব্ৰহ্ম, পৰমেশ্বৰ শিৱৰ আৰাধনা কৰা হয়।'[৩১] মায়ং অঞ্চলত কেইবাটাও শিৱ মন্দিৰ আছে। শিৱৰাত্ৰি আদিও অতি জাকৃজমকতাৰে পালন কৰা দেখা যায়। সেয়ে শিৱসম্পৰ্কীয় লোকগীত-মাত অসমীয়া আৰু বঙলা ভাষীৰ মাজত প্ৰচলিত আছে। কেইটিমান গীত এনেধৰণৰ—

*'বহিল পাৰ্ব্বতী আই জয়বাদ্য বাজে*
*ঘনে ঘনে বহে ঐ সেই শুভ ক্ষণে*
*হেমবন্তে কৰে কন্যাদান।'* [৩২]

শিৱ আৰু পাৰ্বতীৰ বিবাহক লৈ এই গীতসমূহ ৰচিত হৈছে। সভাৰ মাজত উপস্থিত হৈ শিৱক প্ৰদক্ষিণ কৰিলে সাতবাৰ আৰু শিৱৰ মূৰত উৎপলৰ মালা প্ৰদান কৰি অৰ্থাৎ শিৱক বৰমাল্য অৰ্পন কৰি স্বামী বৰণ কৰিলে।

---

৩০ সংবাদদাত্ৰী, দেৱী সুমিত্ৰা, ৰজামায়ং (৬০)
৩১ বৰকাকতি, ত্ৰৈলোক্য (সম্পা.) ঃ কৰণি (স্মৃতিগ্ৰন্থ), পৃ. ৯৯
৩২ সংবাদদাত্ৰী, দেৱী, ৰাধিকা, ৰজামায়ং (৭৫)

*'শিৱৰ মাথাত দিলে ঐ উৎপলৰ মালা*
*স্বামী বুলি শিৱক বৰিলে, বৰ মালা'।* [৩৩]

শুভ ক্ষণ চাই হেমবন্তই কন্যাদান কৰিলে আৰু অনেক যৌতুক কন্যাৰ লগত দান কৰিলে। হয়-হস্তী, দাস-দাসী ধনৰত্ন আদি উৰুলি জোকাৰি আয়তীয়ে নাম গাই দান কৰিলে।

*'বৰকন্যা ভিতৰ নিয়াহে আয়তী*
*উৰুলি জোকাৰি দিয়া।'* [৩৪]

শিৱ আৰু পাৰ্বতীক লোকসমাজৰ দুগৰাকী সাধাৰণ মানুহৰূপে কল্পনা কৰি আয়তীসকলে এই গীত পৰিবেশন কৰে। লোকসমাজৰ বিবাহ এখনৰ চিত্ৰ গীতটিৰ মাজেদি সুন্দৰকৈ জিলিকি উঠিছে।

সেইদৰে অঞ্চটোৰ বঙালী সম্প্ৰদায়ৰ মাজতো আছে 'ভাং খোৱা শিৱ'ৰ গীত। এনে এটি লোকগীত হ'ল ঃ

*'ভাং খাও ভাং ভাও ভাঙুৱা শিৱ জঙেৰ জানে*
*ভাঙ্গেৰ গাৰে যথই ভাং তুলিয়া আন*
*ভাং খাও ভাং খাও বাৰ খনি ঢেঁকি নাৰে শিৱৰ*
*তেৰখনি কুলা, দিনে ৰাইতে কুইটা মাৰে*
*জইটা ভাঙৰ গোড়া।'* [৩৫]

এনেদৰে দেখা যায় অঞ্চলটোত সদাশিৱ বিষয়ক অনেক গীত-মাত প্ৰচলিত হৈ আহিছে।

**২.১.৬ শ্ৰীকৃষ্ণ আৰু ৰাধিকাৰ গীত ঃ**

মায়ং অঞ্চলত প্ৰাপ্ত লোকগীতসমূহৰ ভিতৰত শ্ৰীকৃষ্ণ আৰু ৰাধিকা বিষয়ক লোকগীত অন্যতম। গীতসমূহ অসমীয়া আৰু বঙলা দুয়ো ভাষাতে পোৱা যায়।

---

৩৩-৩৪ সংবাদদাত্ৰী, দেৱী, ৰাধিকা, ৰজামায়ং (৭৫)
৩৫ সংবাদদাত্ৰী, মণ্ডল, বেলাৰাণী, ২নং মূৰকাটা, (৫৫)

অঞ্চলটোৰ বহুখিনি মানুহ চৈতন্যধৰ্মী বৈষ্ণৱ পন্থৰ হোৱা বাবে হয়তো এনে গীতসমূহ প্ৰাপ্ত হৈছে। শ্ৰীকৃষ্ণৱ জীৱন সম্পৰ্কে বিভিন্ন কাহিনীয়ে বিভিন্ন সময়ত মানুহৰ মনত আধ্যাত্মিক ৰসৰ সঞ্চাৰ কৰি আহিছে। শ্ৰীকৃষ্ণ বিষয়ক এই নামসমূহক গোঁসাই নাম বুলি কোৱা হয়। এই নাম যিকোনো সবাহতে গোৱা হয়। গোঁসাই নামসমূহৰ কেইবাটাও ভাগ আছে জন্মষ্টমীৰ নাম, দধিমথন, বৃন্দাবনৰ নাম, ফাকুৱাৰ নাম, ৰাধাৰ নাম ইত্যাদি। গীতসমূহত শ্ৰীকৃষ্ণৰ বাল্যকালৰ পৰা বিভিন্ন কাৰ্য কলাপৰ বৰ্ণনা পোৱা যায় ঃ

*'নন্দৰ গৃহে ডাঙৰ হৈলা কলিয়া কানাই*
*ধেনুচাৰো বুলি গৈ মুৰুলী বজাই।*
*পানী অনাৰ চলেৰে অ ৰাধে মাই*
*কাষত কলচী লৈ যমুনালৈ যায়।।'* [৩৬]

কৃষ্ণৰ বাঁহীৰ সুৰে ৰাধাক যমুনাৰ তীৰলৈ মাতি লৈ যায়। কৃষ্ণ আৰু ৰাধা দুয়োৰে নানা চল-চাতুৰিৰে যমুনাৰ তীৰত মিলনৰ চিত্ৰ লোক গীতটিত অপূৰ্বসুন্দৰকৈ তুলি ধৰিছে। লোক চক্ষুৰ আঁৰত দুয়োৰে মিলন আৰু প্ৰেম লোকগীতৰ মাজেদি ফুটি উঠিছে। কিছুনাম গীতত পানী অনাৰ চলেৰে কাষত কলচী লৈ ৰাধিকা সুন্দৰী ব্ৰজধামৰ গোপিনী সকলক হাতে হাতে কলচি লৈ যোৱাৰ চিত্ৰ অতি সুন্দৰকৈ তুলি ধৰা হৈছেঃ

"অহে হাতে কলচি মাথে কলচি কাষে কলচিলৈ যমুনালৈ গৈ ৰাধা পানী আনেগৈ।"[৩৭] এইবাৰ অনাখৰী অয়তীৰ সতৰ্কবাণী ৰাধাক চেঙেলীয়া কানাইৰ নৌকাত উঠিলে ভৰা যমুনাত ডুব যাব। কিন্তু ৰাধা প্ৰেমত আতুৰা গতিকে ভৰা যমুনাত নৌকাত উঠাৰ লগে লগে নৌকা তলবল কৰিবলৈ ধৰিলে।

*'ৰাধা উঠিল তাত*
*তলবল কৰে নৌকা ভৰ যমুনাত।'* [৩৮]

চৈৰ তলত ৰাধিকা বহিছে, নন্দৰ সোণৰ সফুঁৰা লৈ, দীঘলে দুভৰি পথালি এভৰি কানাইৰ চেঙেলীয়া নাওৰ জোখ। ইয়াৰ পিছত কানাইৰ নাওক পছোৱা বতাহে

---

৩৬-৩৮ সংবাদদাত্ৰী, দেৱী, অনিমা, ৰজামায়ং (৪০)

পালে কঁকাল হলাই হলাই বৈঠা মাৰোতে গড়া গাই বাগৰি পৰিছে ঃ

*'কঁকাল হলাই হলাই মাৰে চুঙা বৈঠা*
*গড়া খাই বাগৰি পৰে।'* [৩৯]

গোটেই নামটোৱে যমুনাৰ পাৰৰ কৃষ্ণ ৰাধিকাৰ গোপীসকলৰ সতে কৰা আনন্দ-বিনোদনৰ এক মধুৰ চিত্ৰ অংকন কৰা দেখা যায়। প্ৰতীক আৰু কল্পচিত্ৰৰে পৰিবেশিত এই নামটো এতিয়াও মায়ং অঞ্চলত গোপিনী নামত প্ৰচলিত। বঙলা ভাষাতো এনে গীত কিছুমান পোৱা গৈছে। প্ৰায় একেধৰণৰ বিষয়বস্তুৰে সমৃদ্ধ এই গীতসমূহত ৰাধিকাৰ প্ৰেমৰেই প্ৰকাশ ঘটিছে ঃ

*'বঙলা ঃ মাঘে মাসে পুষ মাসে*
*উজায় মাগুৰ মাছ*
*হাতৰে কামি বন থৈয়া*
*কানায় ধৰে মাছ।*
*বাসেৰ ঐৰণ বাসেৰ পৈৰাণ*
*বাশেৰ সিংহাসন*
*বাসতে বড়িয়া আন*
*শ্ৰীৰাধিকাৰ জৈবন।।'* [৪০]

ৰজামায়ং আৰু কেইখনমান বঙালী সম্প্ৰদায়ৰ গাঁৱত চৈতন্য ধৰ্মী লোকৰ বসতিস্থল হোৱা বাবে এই গীতৰ প্ৰভাৱ লোকগীতত পৰা দেখিবলৈ পোৱা যায়। মায়ং অঞ্চলত এই গীত এতিয়াও প্ৰচলিত।

## ২.২ উৎসৱ-অনুষ্ঠানৰ লগত জড়িত গীত ঃ

পৃথিৱীৰ প্ৰত্যেক জাতিৰ মাজতে উৎসৱ অনুষ্ঠানৰ সৈতে জড়িত গীতমাত দেখিবলৈ পোৱা যায়। 'উৎসৱ অনুষ্ঠানসমূহ সামাজিক আচৰণৰ বাহিৰে আন একো নহয়। সাধাৰণতে বিশ্বাস-ধৰ্মীয় কৃত্য আৰু পুৰাণ কথাৰ আধাৰত পৰম্পৰাগত উৎসৱ-

৩৯ সংবাদদাত্ৰী, দেৱী, অনিমা; ৰজামায়ং (৪০)
৪০ সংবাদদাত্ৰী, মণ্ডল, সুমিত্ৰা, ২নং মূৰকাটা (৫০)

অনুষ্ঠানৰ উদ্ভৱ আৰু বিকাশ সম্ভৱ হৈছে।' [৪১]

মায়ং অঞ্চলত কিছুমান উৎসৱ অসমৰ আন ঠাইৰ সৈতে একে যদিও কিছুমানত ভিন্নতা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে দুৰ্গা পূজা অসমৰ প্ৰায় অঞ্চলতে পালন কৰা হয় কিন্তু মায়ং অঞ্চলত লক্ষ্মীপূজাহে আড়ম্বৰকৈ অনুষ্ঠিত কৰা হয়। মায়ং অঞ্চলৰ উৎসৱ অনুষ্ঠানৰ লগত জড়িত গীতসমূহ এনেধৰণৰ—

**২.২.১ ঋতুকালীন উৎসৱৰ সৈতে জড়িত গীত ঃ**

১) বিহুগীত, ২) দেউলৰ গীত, ৩) পচতি, ৪) মহখেদা গীত

**২.২.২ পঞ্জিকা আশ্ৰয়ী উৎসৱৰ সৈতে জড়িত গীত ঃ**

১) দুৰ্গা গোঁসানীৰ নাম, ২) লক্ষ্মীপূজাৰ গীত, ৩) কালীপূজাৰ গীত, ৪) সৰস্বতী পূজাৰ গীত।

**২.২.৩ সীমিত অংশগ্ৰহণ কৰা উৎসৱৰ গীত ঃ**

১) ভকত সেৱাৰ গীত, ২) বৈষ্ণৱী-কীৰ্ত্তন, ৩) সবহুৱা নাম

**২.২.৪ সংস্কাৰমূলক অনুষ্ঠানৰ সৈতে জড়িত গীত ঃ**

১) বিয়া গীত, ২) লগুণ দিয়নি গীত

**২.২.১ ঋতুকালীন উৎসৱৰ সৈতে জড়িত গীত ঃ**

ঋতুকালীন উৎসৱৰ সৈতে জড়িত গীতসমূহৰ ভিতৰত ১) বিহুগীত, ২) দেউলৰ গীত, ৩) পচতি আৰু ৪) মহখেদা গীত অন্যতম।

**২.২.১.১ বিহুগীত**

ঋতুকালীন উৎসৱৰ সৈতে জড়িত লোকগীত আৰু কৃষিজীৱি লোকসমাজৰ সামূহিক উৎসৱৰ ভিতৰত বিহু অন্যতম। কৃষিৰ আৰম্ভণিতে কৃষিজীৱিয়ে শস্যৰ পথাৰখন উৰ্বৰা কৰিবলৈ ৰং-ৰহইচত নিজকে বুৰাই দি বল বৃদ্ধিৰ অৰ্থে নামগীত গাই নিজে নাচি আনকো সমানে অংশ গ্ৰহণ কৰোৱায়।

---

৪১ শৰ্মা, নবীনচন্দ্ৰ ঃ লোকসংস্কৃতি, পৃ. ৬৩

অসমীয়া জাতিৰ জাতীয় জীৱনৰ ইতিহাস আৰু প্ৰাণৰ স্পন্দন বিহুগীতৰ মাজেদি জীৱন্তৰূপত প্ৰকাশ পাইছে। বিহুগীতসমূহ সেয়ে সাৰ্বজনীন আৰু মানুহৰ চিৰন্তন ৰীতি নীতিৰ প্ৰকাশক। মায়ং অঞ্চলত প্ৰাপ্ত বিহুগীতসমূহ পৰ্যালোচনা কৰিলেও এই কথাই প্ৰতিপন্ন হয়।

অলেখ বনঘোষা মায়ঙৰ বৃদ্ধসকলৰ মুখত শুনা যায়। সেই বনঘোষা বা বনগীত সমূহ তেওঁলোকে পথাৰত ধান দাওতে ৰোওতে বা বিহুৰ সময়ত হাবিৰ মাজত বহু তিৰোতা মানুহ লগহৈ বা বহু ডেকা একেলগ হৈ গাইছিল ঃ

*'আৰৈধান লেখীয়া বান্ধিবা কেতিয়া*
*ডলাতকৈ ছালনী ঘন।*
*চকুৰে চাইছা মুখেৰে নামাতা*
*কালৈ কৰিছা মন।।'*[৪২]

বয়োবৃদ্ধা সকলৰ মতে হাবিৰ বিহুৰ ৰূপ ভিন্ন আছিল। এজনে আনজনক উত্তৰ দিয়া, ভাঙনি কৰা এইবোৰ নাছিল। মনে মনে তিৰোতা আৰু মুনিহে বেলেগে গাইছিল।

বিহুগীতসমূহৰ বিষয়বস্তুলৈ লক্ষ্য কৰিলে দেখা যায় যে ডেকা-গাভৰুৰ উদ্দাম প্ৰণয়, মিলন, বিৰহ-যন্ত্ৰণা, সামাজিক ৰীতি-নীতি, সামাজিক বৈষম্য, বিভিন্ন স্থানৰ উল্লেখ, অবিবাহিতা নাৰীৰ দুখ-যান্ত্ৰণা, নাৰী পুৰুষৰ সৌন্দৰ্য, প্ৰিয়জনৰ বাবে অপেক্ষাৰত নাৰীৰ মনৰ বেদনাৰ সুন্দৰ প্ৰকাশ দেখিবলৈ পোৱা যায়।

*'তোমালৈ বুলি বকুল ফুলৰ গামোচা*
*মনৰ হেঁপাহৰে ব'লো।*
*বিহুৰে বতৰত তোমাক লগ পাবলৈ*
*ওৰেদিন বাটতে ৰ'লো।'*[৪৩]

বিহুগীতত সামাজিক বৈষম্যৰ ছবি এনেদৰে প্ৰকাশ পাইছে ঃ

*'ধনশিৰি দলংখন ভেটিলে চেনাইধন*

---

৪২-৪৩ সংবাদদাত্ৰী, দেৱী, ভদ্ৰা, বৰুৱা চুবা, (৬৫)

*লোহাৰে শলখা মাৰি।*

*তোমাকে আমাকে সমাজে ভেটিলে ঐ*

*দুটি দেহা দুফালে কৰি।।'*[৪৪]

বিহুগীতত ডেকা গাভৰুৰ প্ৰণয়, ঘৰ পতাৰ সপোন, স্বপ্নভংগৰ বেদনা, বিৰহ-যন্ত্ৰণাৰ কথা প্ৰকাশ পাইছে এনেদৰে ঃ

*'ধেমাজী বজাৰত ছাতিটো কিনিলো*

*বুটিপুৰত বদলি হ'ল*

*তোকে আনিম বুলি বৰঘৰ বান্ধিলো*

*গৰু বন্ধা গোহালী হ'ল।'*[৪৫]

ডেকা-গাভৰুৰ অবাধ প্ৰেম প্ৰণয়ৰ ছবিও এই গীতসমূহৰ মাজত দেখিবলৈ পোৱা যায়—

*'শনিবাৰে গধূলি যামে দেহেশ্বৰী*

*কাঠৰ মই নঙলা খুলি।*

*কুকুৰে ভুকিলে ওলাই তই আহিবি*

*চেনাই আহিছে বুলি।।'*[৪৬]

বনঘোষাক পীৰিতিৰ গীত, হাবিনাম, গৰখীয়া নাম, কহকুৰা নাম, বেয়ানাম বা পকা পিৰীতিৰ গীত বুলি কোৱা হয়। 'মহাপুৰুষ মাধৱদেৱৰ নামঘোষাৰ লেখিয়াকৈ লেনীয়া সুৰেৰে পোৱা বাবে পীৰিতিৰ গীতক বনঘোষা বুলি কোৱা হয়।[৪৭] আগতে গীত বুলি অভিহিত কৰা গীতসমূহ পাছলৈ বৈষ্ণৱ প্ৰভাৱ পৰি নামলৈ পৰিবৰ্ত্তিত হয়।[৪৮] বনঘোষা নামটো মধ্যযুগ আৰু আধুনিক যুগত বনঘোষাই বনগীতলৈ পৰ্যবাসিত হৈছে।

মানৱজীৱনৰ সকলোবোৰ সামাজিক সমস্যা, দিহা-পৰামৰ্শ, ভাল-বেয়া, শুদ্ধাশুদ্ধ বিচাৰ, শাও-গৰিহণা, ব্যক্তিগত সমস্যা ইত্যাদিৰ প্ৰতিফলন মায়ং অঞ্চলৰ বিহুগীতৰ মাজতো

---

৪৪-৪৬ সংবাদদাত্ৰী, দেৱী, ভদ্ৰা, বৰুৱা চুবা, (৬৫)

৪৭ বৰুৱা, প্ৰহ্লাদ কুমাৰ (সম্পা) ঃ অসমীয়া লোকসাহিত্য পৃ. ৯৩

৪৮ শৰ্মা, শশী ঃ অসমৰ লোকসাহিত্য পৃ. ১৪৬

দেখিবলৈ পোৱা যায়।

তথাপি চহাপ্ৰাণ গীতিকাৰে পুৰণি কালৰ ‘ৰাইজ’ শব্দৰ ঠাইত আধুনিক যুগত ‘পৃথিৱী’ শব্দ লগ লগাই বিহু আধুনিক কৰি গঢ়ি তুলিছে ঃ

*‘মৰীয়াকৈ ওলালে বিহু বিহু বুলি*
*ঢোলে বায় ধনীৰাম কায়*
*পানীৰাম ওলালে সুৰৰ ধ্বনি তুলি*
*ম'হৰ শিঙৰ পেঁপাটি বায়ে হেৰ,*
*ৰঙিলী, এইবেলি ৰঙালী*
*বিহুৰে ঐ ধেমালী*
*পৃথিৱীয়ে চাপৰি যায়।’*[৪৯]

লোকসাহিত্য গতিশীল। বোৱতী নদীৰ সোঁতৰ দৰে ই নিৰৱছিন্নভাৱে বৈ অহা এক প্ৰক্ৰিয়া। গ্ৰহণ আৰু বৰ্জনৰ মাজেদিয়ে এই প্ৰক্ৰিয়া অনন্ত কাললৈ বৈ থাকিব। বিহুগীতো ইয়াৰ ব্যতিক্ৰম নহয়। সেয়ে বিহুগীতত কিছুমান শব্দ বা নতুন বিষয় সাঙুৰি বৰ্ত্তমানো বিহু ৰচিত হ'ব ধৰিছে। তথাপি বিকৃতিৰ গৰাহৰ পৰা বিহুক মুক্ত কৰাটো প্ৰতিজন অসমীয়াৰে কৰ্ত্তব্য।

**২.২.১.২ দেউলৰ গীত ঃ**

ঋতুকালীন উৎসৱ সমূহৰ ভিতৰত অন্যতম দেউল উৎসৱ। কাতিবিহুৰ স'তে সংগতি ৰাখি এই অনুষ্ঠান পতা হয়। ‘বৰ্ত্তমানৰ দৰং জিলা আৰু পূব কামৰূপৰ অৰ্থাৎ পাতি দৰং অঞ্চলত জনপ্ৰিয় ঋতুকালীন উৎসৱ দেউলৰ উদ্দেশ্য, অৰ্থ, আচৰণ আৰু আচৰণ আৰু সংযুতিৰ ফালৰপৰা ভঠেলি সুৱেৰি বা সুৰি আৰু বাঁশ পূজাৰ লগত সাদৃশ্য দেখা যায়।’ [৫০] মায়ং আঞ্চলত এই উৎসৱ পালন কৰা হয়। কাতি মাহত মাটিৰে চিন বা ভেটি সাজি দেউলৰ ফুলগছ আৰু তুলসী গছ ৰোৱা হয়। গৰখীয়া বা সৰু ল'ৰাৰ হতুৱাই এই

৪৯ সংবাদদাতা, বিষয়া, অকন, হাতীমূৰীয়া (৬০)
৫০ শৰ্মা, নবীনচন্দ্ৰ ঃ অসমীয়া লোকসংস্কৃতিৰ আভাস, পৃ. ২৭১

কাম কৰোৱা হয়। মাটিৰ টিপটো ফুল আদিৰে সুন্দৰকৈ সজাই তোলা হয়। গৃহস্থী ঘৰৰ সাধাৰণতে চোতালত এই দেউল বনায়। তামোল-পাণ, চাকি-বন্তি জ্বলাই তাৰ চাৰিওফালে ঘূৰি ঘূৰি দেউলৰ গীত গায়। 'বাঁহৰ লগত জড়িত কৃত্যৰ পটভূমিত দেউল উৎসৱৰ জন্ম। দেউল পূজা বা উৎসৱৰ বাবে প্ৰয়োজন এটা দেউল অৰ্থাৎ টিলাৰ ৰূপত সজা এটি ওখ মাটিৰ টিপ। সম্ভৱ সংস্কৃত 'দেৱাদল' শব্দৰ পৰা 'দেউল'ৰ বিকাশ হৈছে। দেউলৰ ভিঠি বা টিপটোৰ গাত থাকে সাতোটা খলপ। কোনো কোনোৰ মতে এই সপ্ত খলপ সপ্ত স্বৰ্গৰ প্ৰতীক।'[৫১] পূজাৰ আগ মুহূৰ্ত্তত দেউল ভিঠি আৰু দেউলখলা তুলসী গুৰি মাটি, পানী আদিৰে মচি দিয়া হয়। তাৰ চাৰিওফালে ঘূৰি ঘূৰি দেউলৰ গীত গোৱা হয়। 'দেউল কৃত্যৰ উদ্ভৱ আৰু বিকাশত ধৰ্মদেৱতা আৰু তেওঁৰ উপাসনা পদ্ধতিৰ দূৰণিবতীয়া প্ৰভাৱ পৰিব পাৰে।'[৫২] অসমৰ বিভিন্ন ঠাইত পতা দেউল উৎসৱৰ লগত মায়ং অঞ্চলৰ উৎসৱৰ মিল আছে। বিশেষকৈ দৰঙৰ দেউল উৎসৱৰ প্ৰভাৱ মায়ং অঞ্চলৰ দেউলত পৰা যেন অনুমান হয়। দেউলৰ গীতটো এনেধৰণৰ ঃ

*'দেউলত গইছিলুং দেউলচাই আহিলুং*
*দেউলৰ তেপেতেপে কৰে হেনো গোবিন্দাই ৰাম।*
*তুলসীৰ গোৰে গোৰে মৃগ পহু চৰে*
*তাকে দেখি ৰামচন্দ্ৰই শৰধনু ধৰে।*[৫৩]
*অৰে ৰাতি ততে তামোল এখন দিছে তুহৰ ডুলি।*
*তামোল এখন নিদিলা ঢুকায় বুলি।।*
*শেৱালী নেৱালী জয় জয় ৰাম*
*জয় চিৰি শংকৰ আমাক দিলা ভঙা ঘৰ এ*
*বৰযুগে তিতাই মাৰিলে এ গোবিন্দাই ৰাম।।'*[৫৪]

গীতটোত দেখা যায় ভাববোৰ বিক্ষিপ্ত আৰু ভাষাও অসংলগ্ন। হয়তো সময়ৰ

---

৫১ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২৭৪

৫২ শৰ্মা, নবীনচন্দ্ৰ ঃ অসমীয়া লোকসংস্কৃতিৰ আভাস পৃ. ২৭৪

৫৩-৫৪ সাংবাদদাত্ৰী, দেৱী, ৰাধিকা, ৰজামায়ং (৭৫)

সোঁতত বা পাহৰণিৰ গৰ্ভত বিলীন হোৱাৰ বাবে এনে হৈছে। মায়ং অঞ্চলৰ দেউল উৎসৱত দৰঙী কলাকৃষ্টি আৰু নামনিৰ কলাকৃষ্টিৰ সংযোগত এনে ৰূপ ধাৰণ কৰিলে। নামনি অঞ্চলৰ তুলসীৰ গুৰিত গোৱা নাম এটি এনেধৰণৰ ঃ

*'তুলসীৰ গোৰে গোৰে মৃগপহু চৰে।*
*তাকে মাৰিবাক লাগি ৰামে যতন কৰে।'*[৫৫]

নামনি অসমৰ তুলসী গুৰিত গোৱা এই গীতটিৰ লগত কিছু সাদৃশ্য দেখা যায় গীতটিৰ। গৰখীয়া ল'ৰাৰ মুখৰ গীতৰ কলি কিছুমান লগ কৰি গোৱা হয়। ইয়াৰ পিছত গৃহস্থক টকা বা চাউল খুজিবলৈ বাকী অংশ গোৱা হয়।

*'এচাটি বাঁহৰে দুচাটি কানি।*
*ঘেচেৰী গাবলৈ আহিছো আমি।।*
*চাউল খুজি লৈছিলো কাঠিতে খুন্দা খাই ৰৈছিলো*
*দিব দিব লাহৰি হাতৰে দিব।*
*খাম খাম জৰকা হাতেৰে খাম।।*
*কলতলৰ ভেকুলী ওলাই আহা পেটুলী।*
*হাততে এমুঠি লৈ এ' গোবিন্দাই ৰাম।।*
*লাওপাত কজলা মোমাই দেউ অজলা।*
*মামীদেউক জগোৱাই দিয়া ঐ গোবিন্দাই ৰাম।।'*[৫৬]

গতিকে দেখা যায় গোটেই গীতটি অ'ৰ এফাঁকি ত'ৰ এফাকিকৈ আনি একত্ৰিত কৰি গীত হিচাবে পৰিবেশন কৰা হয়। নামনি অসমৰ কৃষকসকলে ব'হাগ বিহুত ভঠেলি উৎসৱ পালন কৰে। এই উৎসৱ দেউল উৎসৱৰ সমাৰ্থক। গোৱালপাৰা জিলাত ইয়াক বিষুৱা বোলে। মংগলদৈ অঞ্চলত এই উৎসৱ মেলা হিচাবে ডাঙৰকৈ পালন কৰে। এই উৎসৱ এই অঞ্চলৰ সকলোতে পালন কৰে যদিও ঘাইকৈ ই ৰজামায়ং অঞ্চলৰ।

---

৫৫-৫৬ সাংবাদদাত্ৰী, দেৱী, ৰাধিকা, ৰজামায়ং (৭৫)

### ২.২.১.৩ পচতি নাম ঃ

'ঋতুকালীন উৎসৱসমূহৰ ভিতৰত 'পচতি' অন্যতম। 'পচতি' শব্দটো সংস্কৃত 'পঞ্চ' শব্দৰ পৰা আহিছে। শ্ৰীকৃষ্ণৰ জন্মৰ পাচদিনৰ দিনা এই উৎসৱ পালন কৰা হয়। ৰজামায়ং অঞ্চলত জন্মাষ্টমীৰ এঘাৰ দিনৰ দিনা সাধাৰণতে এই উৎসৱ পালন কৰা দেখা যায়। "সাধাৰণতে ভাদমাহত এই উৎসৱ অনুষ্ঠিত হয়। পচতিমূলক লোক উৎসৱ জীৱন-বৃত্তৰ লগত ইয়াৰ সম্পৰ্ক। কৃষ্ণৰ জন্মৰ লগত পচতি উৎসৱ সম্পৃক্ত হৈছে, যদিও কৃষ্ণৰ জন্মৰ পূৰ্বৰপৰাই পচতি উৎসৱৰ পৰম্পৰা লোকসমাজত প্ৰচলিত আছিল।'[৫৭] শিশুটি জন্মৰ পাচদিনৰ দিনা সন্তানৰ নামকৰণ কৰি পইচা, তেল, নিমখ, মাছ, তামোল, পাণ আদি বিলাই দিয়ে। মাক গৰাকীৰ কোলাত হালধি সানি গোঁসাইক দিয়ে। পচতি উৎসৱ মায়ঙৰ পঞ্চগোঁসাইৰ স'তে জড়িত। পঞ্চ গোঁসাই যি পাঁচঘৰ মানুহৰ ঘৰত আছে সেই পাঁচঘৰ মানুহৰ ঘৰত ভাদমাহৰ ভিতৰত এই অনুষ্ঠানটি পতা হয়। মায়ং অঞ্চলত এই অনুষ্ঠানক পাঁচেতি বা পাঁচতি বুলি অভিহিত কৰা হয়।

এই অনুষ্ঠানত প্ৰথমে থাপনা পতা হয়। ধূপ-ধূনা-ফুল ইত্যাদিৰে সজায় থাপনা পাতে। লগতে গীত-মাত পৰিবেশন কৰা হয়।

*'লিপি পুজি থাপনা*
*পাতিলেহে ৰাম।*
*আমাৰ বাপুই গোঁসাই পূজে হৰি এ'*[৫৮]

ইয়াৰ পিছত গোঁসাই পূজা কৰি। ধেনুকাড় মৰা হয়। গোঁসায়ে মন্ত্ৰ মাতি ধেনুকাড় মাৰে। বিশেষ মন্ত্ৰ মাৰি সৰু সৰু ধেনুকাড় লৈ চাৰিওফালে পূব, পশ্চিম, উত্তৰ, দক্ষিণলৈ কাড় মাৰে।

*'পূৰ্বে দি ধেনু পশ্চিমে ৰেণু*
*তাতে আহি বলভদ্ৰই চৰাইছিলা ধেনুহে।'*[৫৯]

---

৫৭ শৰ্মা, নবীনচন্দ্ৰ ঃ অসমীয়া লোক-সংস্কৃতিৰ আভাস, পৃ. ২৮২
৫৮ সংবাদদাত্ৰী, দেৱী, দৈৱকী, বয়স (৬৫)
৫৯ সংবাদদাত্ৰী, দেৱী, ভোগেশ্বৰী, ৰজামায়ং (৬৫)

ইয়াৰ পিছত অকুমাৰী ছোৱালী পাঁচজনী বা সাতজনীয়ে দোনলৈ, গোসাঁই কোলাত লৈ শুকান পিঠাগুৰি আৰু লাৰু লয় দোনত, এনেকৈ নাম ধৰি ধৰি সাত পাক ঘূৰে। এইগীতটিত ৰাধাৰ নামটোৰ উল্লেখ থকালৈ চাই নামনি অসমৰ বৰপেটা অঞ্চলৰ 'পচতি'ৰ প্ৰভাৱ পৰা যেন অনুমান হয়। 'বৰপেটা অঞ্চলৰ পাঁচটিৰ গীতত কিবা প্ৰকাৰে ৰাধাৰ নাম সোমাই পৰিছে। ৰাধা-কৃষ্ণৰ নিৰ্মল ধেমালি, কৃষ্ণৰ চাতুৰি আদিৰ বৰ্ণনাৰে গীতবোৰ অতি মনোৰম।'[৬০] কিন্তু মায়ং অঞ্চলত 'যুগল কৃষ্ণ' অৰ্থাৎ ৰাধা-কৃষ্ণৰ ধৰ্মীয় প্ৰভাৱত প্ৰাধান্য থকালৈ চাই এই অঞ্চলৰ গীতত স্বাভাৱিক ভাৱেই 'ৰাধা' চৰিত্ৰটি সোমাই পৰাটো অস্বীকাৰ কৰিব নোৱাৰি।

*'কাড়লৈ ধেনুলৈ ফুৰে ঘূৰি ঘূৰি এ*
*ৰাধাৰ মূৰত কিহৰে পহাৰ হে*
*খাৰু নাই মণি নাই কিহৰে লেচাৰী*
*কি আনিছ ৰাধাহে পাহাৰ নমাই থোৱাহে*
*আনিছো যমুনা জল*
*থবলৈ নাইকিয়া থল হে।'*[৬১]

নামৰ লগে লগে কেইগৰাকীমান আয়তীয়ে মথনি মাৰি লৈ দধি মথিবলৈ লয়। আনকেই গৰাকী মানে নাম গায়। ইয়াৰ পিছত সকলোৰে একেলগে নাম গায়।

*'আহাসখি আহা বাই নন্দেৰ ঘৰে যাও*
*যশোদাৰ পুত্ৰ হৈছে নয়ন ভৰি চাওহে।*
*কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ।*
*শংখ চক্ৰ গদাপদ্ম কৰত তোমাৰ হে।'*[৬২]

পুত্ৰ সন্তান জন্ম পালে লোকসমাজত নিমখ জালুক, কছু বান্ধি 'পথ' দিয়া হয় ঘৰে ঘৰে লোকসমাজৰ এই চিত্ৰ গীতটো বিদ্যামান ঃ

---

৬০ বৰুৱা, প্ৰহ্লাদকুমাৰ, (সম্পা) ঃ অসমীয়া লোক সাহিত্য পৃ. ১২২
৬১ সংবাদদাত্ৰী, দেৱী, ফাগুণী, ৰজামায়ং (৬৫)
৬২ সংবাদদাত্ৰী, দেৱী, ভোগেশ্বৰী, ৰজামায়ং (৬৫)

*'নিমখ বান্ধো জালুক বান্ধো কছু বান্ধি আতি*
*যশোদাৰ পুত্ৰ হৈছে পথ দিছো আজি হে।'*
*কৃষ্ণৰ দেহত হালধীয়া বস্ত্ৰ অতি শোভন।'*[৬৩]

কমল লোচন আৰু অৰুণ অধৰ এনেদৰে কৃষ্ণৰ অনিন্দ সুন্দৰ ৰূপৰ বৰ্ণনা দিয়া হয় গীতত। কুজি বুঢ়ীৰ আনন্দ ইত্যাদি সংক্ষেপে গীত সমূহত বৰ্ণনা কৰা আছে। সেইদৰে মথনি অনুষ্ঠানৰো নাম বেলেগ। কেইটিমান এনেধৰণৰ ঃ

*'মথনি দুডাল জৰি কৃষ্ণ কান্দে ভূমিত পৰি*
*যশোদা আই আহিছে দধি মথিবা।'*[৬৪]

*'আজি মথনি মথিব লাগিছে*
*কৃষ্ণক কোলাত লৈহে ৰাম ঐ ৰাম*
*মথে দধি ঐ ৰাম মথিবাৰে মন*
*কোলায়ে কৃষ্ণই কান্দে*
*তাকো নেদো তন...*
*ভূমিত পৰিয়া কান্দে বাগৰি বাগৰি।'*[৬৫]

এই গীতসমূহ অভিনয়ৰ সতে জড়িত। আয়তী আৰু কুমাৰী ছোৱালীবোৰে লগ লাগি একেলগে নৃত্য-অভিনয়-গীত নামেৰে মুখৰিত কৰি তোলে চৌপাশ। গোটেই নাম সমূহতে কৃষ্ণৰ বাল্যলীলাৰ বৰ্ণনা দেখিবলৈ পোৱা যায়। ই ঘাইকৈ নাৰীকেন্দ্ৰীক অনুষ্ঠান। কোনোবা বছৰ কেৱল নাম ধৰিয়ে থয়। এই অনুষ্ঠান মায়ং অঞ্চলত বৰ্তমানো প্ৰচলিত। পঞ্চ গোঁসাই থকা ঘৰ কেইখনত অৰ্থাৎ পাঁচ ঘৰত এই নাম অনুষ্ঠান কৰা হয়।

'পঁচতি' অনুষ্ঠান প্ৰতি বছৰে ৰজামায়ং অঞ্চলত ভাদ মাহৰ কৃষ্ণ জন্মাষ্টমীৰ পিছত পতা হয়। বৰ্তমানো প্ৰচলিত এই গীত-মাতসমূহ পঁচতিৰ গীতসমূহ কীৰ্ত্তনৰ পদ, গোপালদেৱৰ জন্মযাত্ৰা আৰু নন্দোৎসৱৰ গীতসমূহো ব্যৱহাৰ কৰা হয়।

লোকসমাজখন এই গীতসমূহৰ মাজত সুন্দৰকৈ ফুটি উঠা পৰিলক্ষিত হয়। ৰাধাৰ

---

৬৩ সংবাদদাত্ৰী, দেৱী, ফাগুণী, ৰজামায়ং (৬৫)
৬৪-৬৫ সংবাদদাত্ৰী, দেৱী, দৈৱকী, ৰজামায়ং (৬৫)

পোহাৰী ৰূপ, কৃষ্ণৰ গৰখীয়া ৰূপ, যশোদাৰ পুত্ৰ স্নেহ, জন্মৰ পাছত জালুক নিমখ জালুক-নিমখ-কচু বিতৰণ বিভিন্ন সাজ-পোছাক, বস্ত্ৰ অলংকাৰ, প্ৰসাধন আদি সমাজৰ এখন মনোৰম চিত্ৰ-গীতসমূহৰ মাজেদি প্ৰতিভাত হৈছে।

শিশু কৃষ্ণৰ চল-চাতুৰী, বৃন্দাবনত গৰু চৰোৱা লগ-সংগ, দৌল উৎসৱ আদিৰ মাজেদি লোক সমাজৰ এটি মনোৰম শিশু ৰূপ ফুটি উঠা দেখিবলৈ পোৱা যায়।

**২.২.১.৪ মহহ' বা মহ খেদা গীত ঃ**

মায়ং অঞ্চলৰ হাতীমূৰীয়াত মহহ' বা মহখেদা গীতৰ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ঋতু কালীন উৎসৱৰ অন্যতম এই অনুষ্ঠান। আঘোণী পূৰ্ণিমাত মহোহো বা মহখেদা উৎসৱ বোলে। এই উৎসৱত গৰখীয়া ল'ৰা বা ডেকা সকলে দলবান্ধি ঘৰে ঘৰে গৈ হাতত লৈ যোৱা টোকোনেৰে তালে তালে শব্দ কৰি কিছুমান গীত গায়। লোক বিশ্বাস মতে এই গীতেৰে গিৰীহঁতক আশীৰ্ব্বাদ দিয়াৰ লগতে ম'হবোৰে ঘৰৰপৰা খেদি পঠিওৱা হয়। গীতৰ বিনিময়ত গিৰিহঁতে পইচা বা চাউল দিয়ে। এই উৎসৱৰ লগত গোৱালপাৰাৰ 'এউৰী মগা গীত' দৰঙৰ মহ'হ খেদা উৎসৱ আৰু পূৰ্ববংগৰ 'ভল্লাভুল্লা' উৎসৱৰ সাদৃশ্য আছে। ভল্লা-ভুল্লাৰ উদ্দেশ্যে খেতি পথাৰৰ পৰা জন্তু খেদা। গোৱালপাৰাৰ সোণাৰায় উৎসৱত ব্যাঘ্ৰ দেৱতাক পূজা কৰা ৰীতি প্ৰচলিত।[৬৬]

আনন্দ বিনোদনেই এই গীতৰ মূল কথা এই গীতসমূহ মায়ং অঞ্চলত কিমান প্ৰাচীন সঠিক জনা নাযায়। এনে গীত হৈছে ঃ

*'ম'হ গ'ল মহ দকাংতে*
*হিজল গছত গা ঘুহিয়াংকে*
*আঘোণৰ পূৰ্ণিমা গ'ল*
*ম'হ দকাবা হুকুম হ'ল*
*বাহপাত চিকিমিকি*
*আমাক দিবৌ আধলিসিকি*

---

৬৬ শৰ্মা, নবীনচন্দ্ৰ ঃ অসমীয়া লোকসংস্কৃতিৰ আভাস, পৃ. ৩২৮

*লাও পাত গছৰে*

*খালৈ খসৰা জকাৰে।'*[৬৭]

আচলতে 'মহো-হৌ-উৎসৱ বাঘখেদা উৎসৱৰ পৰিবৰ্ত্তিত ৰূপ বুলি অনেকে কয়।[৬৮] মায়ং অঞ্চলত মন্ত্ৰৰ বলেৰে বাঘ ধৰা বা ৰাইজৰ সহায়ত বেজে জাল আৰু মন্ত্ৰৰে বাঘ চিকাৰৰ কথা দ্বিপনচন্দ্ৰ নাথে 'মায়ঙৰ বেজ আৰু ৰোমাঞ্চকৰ ঘেৰজালি' গ্ৰন্থত বৰ্ণনা কৰি গৈছে। 'বড়ো ভাষাত 'বাঘ'ক 'মচা' বোলে অসমীয়া ভাষাৰ 'খেদা' পদৰ সমাৰ্থক পদ বড়ো 'হো, মচা-হোৰ অৰ্থ বাঘখেদা; এই 'মচা হো'ৰ পৰা 'মহো হো' হ'ব পাৰে সেয়ে মহো-হৌ উৎসৱ নানা উপাদানৰ সমন্বয়ত গঢ়ি উঠা।'[৬৯]

গতিকে দেখা যায় পূৰ্বতে বাঘ ভেটা বা জাল দি বাঘ ভেটিবলৈ বেজ আৰু ৰাইজ মিলি একেলগে যায়। বেজে মন্ত্ৰ মাতে আৰু সকলোৱে একেলগে বাঘ ধৰে। এই মন্ত্ৰই হয়তো পৰবৰ্ত্তি স্তৰত মহ'হো গীতলৈ ৰূপান্তৰিত হৈ পৰিল।

## ২.২.২ পঞ্জিকা আশ্ৰয়ী উৎসৱ অনুষ্ঠান ঃ

পঞ্জিকা আশ্ৰয়ী উৎসৱ অনুষ্ঠানসমূহৰ বিভিন্ন তিথি বাৰ আদিৰ সৈতে জড়িত। পূজা-পাতল আদিয়েই পঞ্জিকা আশ্ৰয়ী উৎসৱ অনুষ্ঠান। মায়ং অঞ্চলৰ এনে গীতমাতসমূহৰ ভিতৰত (১) দুৰ্গা গোঁসানী নাম, (২) লক্ষ্মী পূজাৰ গীত, (৩) কালী পূজাৰ গীত, (৪) সৰস্বতী পূজাৰ গীত ইত্যাদিয়ে প্ৰধান।

### ২.২.২.১ দুৰ্গা গোঁসানীৰ নাম ঃ

অসমৰ শাক্তধৰ্মী লোকসকলৰ মাজত অনুষ্ঠিত এই পূজা হ'ল দুৰ্গা পূজা। শাৰদীয় দুৰ্গোৎসৱৰ পয়োভৰ সমগ্ৰ অসমতে হয়। দুৰ্গা দেৱীক বিভিন্ন ধৰণেৰে পূজা অৰ্চনা কৰা হয় 'দুৰ্গাদেৱী আদ্যশক্তি জননী হিচাপে বিশ্বাস কৰে। দুৰ্গাদেৱীক বিভিন্ন নামেৰে সম্বোধন কৰা হয়। মা-দুৰ্গা, মা-চণ্ডী, মা-ভৱানী, মা-কালি ইত্যাদি।'[৭০] অসমৰ প্ৰাচীন গ্ৰন্থসমূহৰ

---

৬৭ সংবাদদাত্ৰী, বিষয়া, ভদ্ৰা, হাতীমূৰীয়া (৮০)

৬৮ শৰ্মা, নবীনচন্দ্ৰ ঃ অসমীয়া লোকসংস্কৃতিৰ আভাস, পৃ. ৩২৯

৬৯ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৩২৯

৭০ চেতিয়া, উমেশ ঃ অসমৰ লোক-সংস্কৃতিৰ ৰূপৰেখা, পৃ. ৫১

ভিতৰত কালিকা পুৰাণ আৰু যোগিনী তন্ত্ৰ গ্ৰন্থত দেৱী পূজাৰ বৰ্ণনা দিয়া আছে। যোগিনী তন্ত্ৰত আছে—

*'অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে।।'*

অৰ্থাৎ কামৰূপত দেৱী ক্ষেত্ৰ অন্য কোনো তীৰ্থৰ সমান হ'ব নোৱাৰে। অন্য ক্ষেত্ৰত দেৱী বিৰলা হৈ থাকে, কিন্তু কামৰূপত প্ৰতি ঘৰে ঘৰে দেৱী বিৰাজিতা হৈ থাকে।[৭১]

দুয়োখন প্ৰাচীন গ্ৰন্থই কামৰূপত দেৱীপূজা প্ৰচলনৰ বিষয়ে সম্ভেদ দিয়ে। কামাখ্যা দেৱীয়েই মহামায়া বা দুৰ্গা বুলি কালিকা পুৰাণত বৰ্ণিত আছে। আহিন মাহৰ শুক্ল পক্ষৰ ষষ্ঠী তিথিৰপৰা দশমীলৈকে চুবুৰীয়া বংগ ৰাজ্যৰ লগতে অসমতো দুৰ্গাপূজা উলহ্ মালহেৰে পালন কৰা হয়। পুৰোহিতসকলে যেতিয়া মন্ত্ৰ কৰি মা দুৰ্গাৰ চৰণত অৰ্চনা কৰে, গোপিনীসকলে ঢাৰি পাৰি পূজাৰ লগত সংগতি ৰাখি দুৰ্গাৰ নামবোৰ গায়। দেৱীৰ বোধনৰ পৰা বিসৰ্জনলৈকে বিভিন্ন প্ৰকাৰৰ নাম আছে। যেনে বোধনৰ নাম, মহাস্নানৰ নাম, বলি উচৰ্গাৰ নাম, মহিষাসুৰৰ যুদ্ধ, শুম্ভ-নিকুম্ভৰ যুদ্ধ, বিজয়াদশমীৰ নাম আদি। এগৰাকী লোকসমাজৰ সাধাৰণ নাৰীৰ ৰূপ কল্পনা কৰি দেৱীক পূজা অৰ্চনা কৰা হয়।

মায়ং অঞ্চলত বঙালী সম্প্ৰদায়ৰ মাজত আৰু পশ্চিম মায়ং অঞ্চলত দুৰ্গাপূজা পালন কৰা হয়। সেইবাবে দেখা যায় দুৰ্গাপূজা পালন কৰা হয়। সেইবাবে দেখা যায় দুৰ্গানামসমূহ শীতলা বা আইনাম সমূহৰ লগত একাকাৰ কৰি গোৱা হয়। আই সবাহত বেলতলত বা থানত গোৱা নামসমূহ সাধাৰণতে দুৰ্গা নাম ঃ

*'দুৰ্গা নাৰায়ণী পতিত পাৱনী এ*
*কৈলাসে হৈ আছা বাস*
*শংখ চক্ৰ ধৰি ৰাখা ভগৱতী*
*সকলো তোমাৰে দাস।'*[৭২]

দুৰ্গাদেৱী দুৰ্গতি নাশিনী। অসুৰ বধৰ উদ্দেশ্যে দেৱতাৰ হিতাৰ্থে তেওঁ অৱতাৰ

---

৭১ যোগিনীতন্ত্ৰ, ২/৬/১৫২

৭২ সংবাদদাত্ৰী, বিষয়া, ভদ্ৰা, হাতীমূৰীয়া (৬৫)

ধাৰণ কৰিছে।

*'এ দুৰ্গা তাৰিণী এ অসুৰ বধিতে*
*অৱতাৰ ভৈলা মাতা*
*দেৱতাৰ হিতে।'*[৭৩]

আইনাম আৰু দুৰ্গাদেৱীৰ নাম একাকাৰ কৰি গোৱা হয় মায়ং অঞ্চলত আইসবাহ অনুষ্ঠানত। দুৰ্গাদেৱীৰ বস্ত্ৰ হালধীয়া। শিশুৰ আই বা বসন্ত ওলালেও হালধীয়া হৈ পৰে। দুয়োটা মিলি আই নামত হৈছে ঃ

*'চৰাই হালধীয়া ক্ষেমিবা দায়*
*পক্ষীও ধুনীয়া*
*উপমা দিবলৈ নায়ে দুৰ্গানাৰায়ণী...'*[৭৪]

মায়ং অঞ্চলৰ বঙালী সম্প্ৰদায়ৰ মাজতো এনে স্তুতি বা বন্দনাৰ প্ৰচলন আছে ঃ

*'এগ' মাইৰ আগে অ মাই দিব গ'কি*
*সোণাৰ মাতুক দিব মাৰ্গ যদি প্ৰাণে বাসি।'*[৭৫]

সেইদৰে দুৰ্গা গোঁসানীক পূজালৈ আমন্ত্ৰণ জনোৱা হয় ঃ

*'দুৰ্গা আইনি ৰথে অসুৰ তাৰ সাথে*
*চল যায় দুৰ্গাৰ মন্দিৰে*
*লক্ষ্মী আইনি ৰথে ফেঁচা যায় তাৰ সাথে*
*চল যাই লক্ষ্মীৰ মন্দিৰে।'*[৭৬]

ইয়াৰ পিছত কাৰ্ত্তিক, গণেশ, সৰস্বতীৰ আগমনৰ বৰ্ণনা কৰা হৈছে। পূজা অৰ্চনাৰ সমস্ত দ্ৰব্য আগবঢ়াই দিয়া হৈছে। দেৱীৰ প্ৰিয় ঘৃত, মধু, ফুল, বেলপাত আগবঢ়াই দিয়া হৈছে যাতে দেৱীয়ে আশীৰ্বাদ দান কৰে আৰু কোনো দুৰ্দিনত বা অভাৱত নপৰে ঃ

*'দুৰ্গা মায়েৰ মন্দিৰতে ঘৃতমধু আগে*
*পাৰি নায় অভাবে...*

৭৩ শৰ্মা, হেমন্ত কুমাৰ, মায়ং অঞ্চলৰ লোকসংস্কৃতি, পৃ. ৮৮
৭৪ সংবাদদাত্ৰী, বিষয়া, ভদ্ৰা, হাতীমূৰীয়া (৮০)
৭৫-৭৬ সংবাদদাত্ৰী, মণ্ডল, সুমিত্ৰা, ২নং মূৰকাটা (৫০)

*'পাৰিনা দুৰ্দিন গ' মা... ।'*[৭৭]

এনেদৰে নামৰেই পূজাৰ সমাপ্তি বুজোৱা হয়।

দুৰ্গা পূজাৰ প্ৰতিটো অনুষ্ঠানৰ স'তে সংগতি ৰাখি আয়তীসকলে নাম গায়। পূজাৰ আদিৰ পৰা অন্তলৈকে এনেগীত সমূহ গোৱা যায়।

**২.২.২.২ লক্ষ্মীপূজাৰ গীত ঃ**

কৃষিপ্ৰধান অঞ্চলবোৰত লক্ষ্মীপূজা কৰাটো এটা সৰ্বজনসিদ্ধ কথা। কৃষি চপোৱা মানেই লক্ষ্মীক গৃহলৈ আমন্ত্ৰণ জনোৱা। মায়ং অঞ্চলটোত মুখ্য পূজা হিচাপে লক্ষ্মী পূজা পতা হয়। দুৰ্গাপূজা বঙালীপ্ৰধান অঞ্চলসমূহত হয় যদিও মায়ং অঞ্চলত লক্ষ্মী পূজাই প্ৰধান পূজা। গৃহৰ সুখ সমৃদ্ধি বা সমূহীয়া ৰাইজৰ মংগলৰ অৰ্থে লক্ষ্মী পূজা কৰা হয়। বিভিন্ন জাতি-সম্প্ৰদায় নিৰ্বিশেষে এই পূজাত অংশগ্ৰণ কৰে। দেৱী আইক এগৰাকী নাৰীৰ ৰূপত পূজা কৰা হয়। আইনাম, দুৰ্গাদেৱীৰ নাম আদিৰ সুৰত এই নামসমূহ গোৱা হয় ঃ

*'লক্ষ্মী আই আহা ৰাইজসনে কিদিয়া পূজিম আই*
*তোমাৰ চৰণে।*
*লক্ষ্মী আই আহে মাতৃ বাটত আছে বৈ*
*নিজ ৰূপে কৰো এহিমতে গৈ।*
*লক্ষ্মী আই আহে মাতৃ আসনতে বহি।*
*আমি সৰে পূজাকৰোঁ চৰণতে ধৰি।।'*[৭৮]

লক্ষ্মী বন্দনাই এই গীতৰ মূলকথা। গৃহৰ শান্তি, ৰাইজৰ অপায় অমংগল দূৰ কৰিবলৈ এই পূজা প্ৰতি বছৰে সমূহীয়াভাৱে উদ্‌যাপন কৰা হয়। কেইবা দিনো ধৰি অনুষ্ঠিত এই অনষ্ঠানত উলহ-মালহৰে ৰাইজে যোগদান কৰে। জনজাতীয় সমাজখনতো বিশেষকৈ কাৰ্বিসকলৰ লক্ষ্মীপূজাৰ নিয়ম আছে। ভাত মুখলৈ নিয়াৰ প্ৰাক্ মুহূৰ্ত্তত

---

৭৭ সংবাদদাত্ৰী, মণ্ডল, সুমিত্ৰা, ২নং মূৰকাটা (৫০)
৭৮ সংবাদদাত্ৰী, দেৱী, ৰাধিকা, ৰজামায়ং (৬৫)

তেওঁলোকে লক্ষ্মীদেৱীলৈ প্ৰাৰ্থনা জনাই 'আতাম-গাতাম' (স্তুতি) গায় ঃ

*'নাংগে লক্ষ্মী নাংগ লক্ষ্মী*
*ঠেংটুক থি থি মান্তা ঠেংলং থি থি মান্তা*
*নাংতি দাম' নংৱাৰ দাম'*
*তিপিলি গাল ই হ'ল ফালাং পাজালযাঙ*
*সাম্পুৰৱছি হলংৱাদি সামগুৰৱাদি*
*হলংবাদি সামপুৰ পুৰ হলংপুৰ*
*চুমদা আছকে চুমছি বাৰ নাংলাংচি*
*জু নাংলাংচি নাং ৰত্ন নাংবানন'।* [৭৯]

(ভাৱাৰ্থ হে লক্ষ্মী আই, তোক আৰত সিঁচিলো, বাহৰ মূৰা, গছৰ মূৰাৰ চেপে পেলালো, খেৰৰ নিচিনাকৈ টান হৈ গজিলি, ঠোৰ ধৰিলি, ধান ওলাই পকিলি। আমি মানুহ জাতিয়ে দিনবাৰ চাই তোক কাটিলো আগ আনিলো, তোক টঙালেৰে ডাঙৰি বান্ধি দি ঘৰৰ চোঁতাললৈ আনিলো, ভৰিৰে মাৰিলো হাতেৰে জোকাৰিলো, সোণৰ ভঁৰালত, সোণৰ ঢেকীৰে তোক বানিলো।)

দেখা যায় যে লক্ষ্মীপূজা সম্পূৰ্ণ ৰূপে কৃষি কাৰ্যৰ স'তে জড়িত। জনজাতীয় গীতটোতো কৃষি কাৰ্যৰ বৰ্ণনাৰ জৰিয়তে লক্ষ্মীক পূজা কৰা হৈছে।

**২.২.২.৩ কালী পূজাৰ গীত ঃ**

দুৰ্গাৰ অন্য এটি ৰূপ কালী। এই পূজা বেলেগকৈ অনুষ্ঠিত কৰাৰ বাবে গীত-পদ-স্তুতিসমূহো বেলেগকৈ হয়। অসমৰ প্ৰাচীন গ্ৰন্থসমূহৰ ভিতৰত 'কালিকা পুৰাণ' আৰু 'যোগিনী তন্ত্ৰ' পুথিত কালিকা বা কালীৰ উৎপত্তি বৰ্ণনা আৰু পূজাৰ বিধান বিস্তৃতকৈ দিয়া হৈছে।[৮০] লোককল্পনাত দেৱীৰ দ্বৈতভাৱে প্ৰকাশ পাইছে এক 'সৰ্বভুতেষু শক্তিৰূপেন সংস্থিতা' আৰু আনটো লৌকিকৰূপ।[৮১]

---

৭৯ দাস, মুকুলীধৰ, ভৈয়াম কাৰবি লোক পৰম্পৰা আৰু গীত, পদ, পৃ. ১০৩
৮০ যোগিনীতন্ত্ৰ, ১/৮/৬৫-৭০
৮১ বৰদলৈ, নিৰ্মলপ্ৰভা ঃ দেৱী পৃ. ২০

মায়ং অঞ্চলৰ মুৰবড়ী গাঁৰত ব্যক্তিগতভাৱে এই পূজা অনুষ্ঠিত কৰা হয়। অঞ্চলটোৰ বঙালী সম্প্ৰদায়ৰ মাজত প্ৰাপ্ত কালী পূজাৰ মালসী এনেধৰণৰ—

*'অ' গো মা আমায় ঘোৰাবে ক'ত*
*কালী কালী বলে মাগো*
*তৰে গেল পাপী য'ত। অ' গো ...*
*চক্ষু ঢাকা কুলু বলদেৰ মত*
*গাক দিয়েছি মা অবিৰত*
*মা আমায় ঘোৰাবে ক'ত।'* [৮২]

শক্তি সাধনাৰ ক্ষেত্ৰত এই দেৱীক সকলোতকৈ শক্তিশালী, ভয়ংকৰ ৰূপত পূজা কৰা হয়। 'শাক্ত সাধনাৰ ক্ষেত্ৰত যি দেৱী অধীশ্বৰী হৈ উঠিল, যি দেৱী বিৱৰ্ত্তনৰ এক চমৎকাৰ প্ৰতীক বুলি পণ্ডিত সমাজে ঐতিহাসিক অনুসন্ধানেৰে সিদ্ধান্ত কৰিছে সেই দেৱী হ'ল কালী বা কালিকা।'[৮৩] মায়ং অঞ্চলৰ বঙালী সম্প্ৰদায়ৰ মাজতো এই পূজাৰ প্ৰচলন আছে।

**২.২.২.৪ সৰস্বতী পূজাৰ গীত ঃ**

মায়ং অঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠান আৰু ৰাজহুৱা স্থানতো সৰস্বতী পূজা অনুষ্ঠিত কৰা হয়। এই পূজাৰ দিনা সকলোৱে মিলি বাদ্যযন্ত্ৰৰ সৈতে সংগতি ৰাখি গীত পদ গায়। তেনে গীত হৈছে—

*'আহা আহা সৰস্বতী দুখীয়া দুৱাৰে*
*বন্দো সৰস্বতী দেৱী বীণাপাণি*
*বনপুষ্প এটি পাই আনিছো সাঁদৰি আই*
*লোৱা আই আদৰি লোৱা আই সাদৰি।'* [৮৪]

ঘাইকৈ দেৱীক বন্দনা আৰু প্ৰাৰ্থনা কৰা এই গীতসমূহ সংকীৰ্ত্তনৰ ধৰণে.

৮২ সংবাদদাত্ৰী, মণ্ডল, বেলাৰাণী, ২নং মূৰকাটা, (৫৫)
৮৩ বৰদলৈ, নিৰ্মলপ্ৰভা ঃ দেৱী, পৃ. ২৬
৮৪ সংবাদদাত্ৰী, দেৱী, নয়নমণি, মূড়বৰি (২৫)

পৰিবেশন কৰা হয়।

**২.২.৩ সীমিত অংশগ্ৰহণ কৰা উৎসৱ অনুষ্ঠান ঃ**

মায়ং অঞ্চলৰ এনে অনুষ্ঠানবোৰ হ'ল বৈঠকী, পাঠ আদি অনুষ্ঠানত পৰিবেশিত গীতমাত। ভকতসেৱাৰ গীত, বৈষ্ণৱী কীৰ্ত্তন, সবহুৱা নাম আদি এনে অনুষ্ঠান। অসমৰ বিভিন্ন প্ৰান্তত এনে অনুষ্ঠানসমূহত প্ৰচলিত অনেক গীত-মাত প্ৰচলিত হৈ আছে।

**২.২.৩.১ ভকতসেৱাৰ গীত ঃ**

ৰাতিসেৱাত পূৰ্ণ ভকতজন বহা চৰাখনি নামেৰে আঁতিগুৰি মাৰিহে ভকতসকলে তেওঁক বহিবলৈ দিয়ে। পৃথিৱীত চৰাখনি পাৰিবলৈ মাটি বিচৰাৰপৰা আৰম্ভ কৰি চৰাৰ চাৰিচুক পৰ্যন্ত নামত বিচাৰ কৰা হয়। এই নামত কাব্যিকতাৰ গুৰুত্ব সূক্ষ্ম মনৰ পৰিচয় ভকতসকলৰ অন্তৰত ধৰা দিয়ে।[৮৫]

*'শিৰৰ মন্দিৰতে আইনো বসুমতী*
*এৰাণে সঞ্চাৰক তুমি*
*শুদ্ধ ধৰ্ম নাম নিজ আসনকে*
*আনিছোঁ শিৰতে তুলি।*
*গুৰু আজ্ঞা পাই বাঁহকে কাটিয়া*
*প্ৰেমেৰে কাঠি তুলাই।'*[৮৬]

ইয়াৰ পিচত শলিতা জ্বলাবলৈ ব্যৱহাৰ কৰা হয়

*'দেহা কালি শলা ভাই*
*আত্মা অগনি ভৈলা*
*ৰামহে ৰমাই এ*
*গ'লে গছা চাকি শলা।'*[৮৭]

সেইদৰে তামোল খুৱাবলৈ চৰাই বধ, বছেৰেকীয়া চৰাই বধ, যুগুত নাম ইত্যাদি

---

৮৫ বুঢ়াগোহাঞি, হেম ঃ জনসংস্কৃতিৰ ৰশ্মিৰেখা, ১ম খণ্ড, পৃ. ১৯
৮৬ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৯
৮৭ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২১

বিষয়ক বিভিন্ন লোক-গীত মাত প্ৰচলিত হৈ আছে।

### ২.২.৩.২ বৈষ্ণৱী কীৰ্ত্তন ঃ

চৈতন্যধৰ্মী বৈষ্ণৱ পন্থৰ ভকতসকলৰ মাজত প্ৰচলিত ধৰ্মীয় লোকগীত কিছুমান মায়ং অঞ্চলত প্ৰচলিত আছে। গীতসমূহৰ মাজত গুৰুবন্দনা, গধূলি আঁয়তী, বন্দনা, দেশ-কালৰ পৰিচয়, ভোগ-আঁয়তী ইত্যাদি বিষয়ক বিভিন্ন কথা পোৱা যায়। গীতসমূহ বাংলা ভাষাত প্ৰাপ্ত। গধূলিসময়ত গোৱা 'গধূলি আয়তী' কীৰ্ত্তন এনেধৰণৰ—

*'গধূলি সময়ে আহে বনমালী*
*ধেনু বস্ত্ৰ সঙ্গে লৈ আইৰে।।*
*আহৈ আহৈ ৰে ধেনু বস্ত্ৰ সঙ্গে লৈ আইৰে।।'* [৮৮]

কিছুমান গীতত গুৰু বন্দনাৰ বিষয়ে পোৱা যায়। এই বৈষ্ণৱ পন্থত 'গুৰু'ক শ্ৰেষ্ঠ আসন দিয়া হৈছে। পিতৃ মাতৃকো 'গুৰু'ৰ আসনৰ সমান কৰি দিয়া হৈছে ঃ

*'বন্দোগুৰু পূৰ্ণ ব্ৰহ্ম ৰামকৃষ্ণ চৰণ*
*যাৰ ধাৰ সুজিতে নাই ক্ষমতা থাকিলে জীৱন।*
*বন্দোগুৰু পিতামাতা, জন্মদাতা মূল দেৱতা*
*যাৰ ধাৰ সুজিতে নাই ক্ষমতা থাকিতে জীৱন।'* [৮৯]

গীতসমূহৰ মাজত দেহ ক্ষণস্থায়ী অৰ্থাৎ দেহবিচাৰ গীতসমূহৰ দৰে কিছুমান পদ পোৱা যায় ঃ

*'আগবেলা বজাৰে গেলেৰে*
*মণিনুজা চবাই মিলে ৰে*
*পিচবেলা বজাৰে গেলে*
*নাজানো কিহয় কপালে।।'* [৯০]

কিছুমান গীতত 'চৰ্যাপদ'ৰ সান্ধ্য ভাষাৰ দৰে প্ৰতীকধৰ্মীতাৰে বক্তব্য বিষয়ক সামৰি দিয়া হৈছে—

*'আৰ কেন মন ভ্ৰমিচ বাহিৰে*

---

৮৮-৯০ সংবাদদাত্ৰী, দেৱী, গোপেশ্বৰী, ৰজামায়ং, (৬০)

*চলমন আপোনাৰ অন্তৰে*

*বাওঁৰে ইড়া নাৰী দক্ষিণে পিগলা*

*ৰজ, তত, গুণে কৰিছে খেলা।'* [৯১]

গোটেই গীতসমূহত প্ৰতীকৰ সহায়ৰে ধৰ্মীয় তত্ত্ব উপস্থাপন কৰা হৈছে। চৰ্যাপদৰ 'গুৰু পুচ্ছিঅ জান'ৰ দৰে গুৰুৰ সহায়তহে ধৰ্মীয় ব্যাখ্যা সম্ভৱপৰ হয় এই কীৰ্ত্তন সমূহৰ ঃ

*'ঐ মন আগে কৰয় দেহাৰ নিৰুপণ*

*এই দেহাৰ পূব, পশ্চিম, উত্তৰ, দক্ষিণ*

*কোন খানে আছে শ্ৰীবৃন্দাবন।।'* [৯২]

সমগ্ৰ দেহটোতে 'গোলোক বৃন্দাবন' বৰ্ত্তি আছে কেৱল তাক চিনাক্ত কৰি বৈষ্ণৱ পন্থৰ মতে ভক্তিভাৱ গ্ৰহণ কৰিলেই হ'ব। এই ভাবধাৰা কিছুমান পদৰ মাজত পোৱা হৈছে ঃ

*'গোলোক বৃন্দাবন এই দেহে আছে*

*হৃদয় বৃন্দাবনৰ মাজে মোহন মাজে মোহন বাঁহী বাজেছে*

*গোলক বৃন্দাবন এই দেহে আছে।'* [৯৩]

এই অমূল্য ধন গুৰুৰ পৰাহে পাব পাৰি, সাধন কৰিলে নাপায়। গুৰুৰ নিৰ্দেশ অনুযায়ী ধৰ্মীয় কাৰ্য কৰিলেহে মুক্তি লাভ কৰিব পৰা যায়। এই তত্ত্ব সুন্দৰকৈ প্ৰতিফলিত হৈছে কিছুমান পদত ঃ

*'আমাক গুৰুৱে দিছে অমূল্য ধন*

*সাধন কৰিলি না।।*

*সাধনে ধন চিন্তয়নি পৰশ কৰি দেশলিনা*

*আমাক গুৰুৱে দিছে খাটিক সোণ*

*ল'ম বুলি তোৰ জ্ঞান হৈল না অৰে দিন কৰা।।'* [৯৪]

এনেদৰে দেখা যায় বংগদেশৰ চৈতন্য ধৰ্মৰ প্ৰভাৱপুষ্ট মায়ং অঞ্চলৰ একাংশ

---

৯১-৯৪ সংবাদদাত্ৰী, দেৰী, গোপেশ্বৰী, ৰজামায়ং, (৬০)

লোকৰ মাজত প্ৰচলিত ‘পাঠ’ অনুষ্ঠানত গীতা বা ভাগৱত গ্ৰন্থ পাঠ কৰা হয় আৰু মাজে মাজে এই কীৰ্তনসমূহ আয়তীসকলে গায়।

### ২.২.৪ সংস্কাৰমূলক অনুষ্ঠানৰ সৈতে জড়িত গীত পদ ঃ

মানুহৰ জন্মৰপৰা মৃত্যুলৈকে বিভিন্ন পৰ্যায়ত বিভিন্ন সংস্কাৰধৰ্মী কাৰ্য কৰা অনুষ্ঠান পালন কৰা হয়। এনে অনুষ্ঠানৰ সৈতে বিভিন্ন গীত-মাত জড়িত হৈ আছে। সংস্কাৰমূলক গীতবোৰ জাতকৰ্ম, অন্নপ্ৰাশন, চূড়াকৰণ, উপনয়ন, চুন্নত, তোলনী বিয়া, আগ বিয়া, পাছ বিয়া ইত্যাদি গীতৰূপে পৰিচিত। মায়ং অঞ্চলত প্ৰাপ্ত এনে গীত কিছুমান হৈছে— ১। বিয়ানাম, ২। লগুণ দিয়নি গীত।

### ২.২.৪.১ বিয়ানাম ঃ

বিয়ানামসমূহক তিনিটা ভাগত ভাগ কৰিব পাৰি— ১। বৰ বিয়াৰ নাম, ২। তোলনী বিয়াৰ নাম, ৩। বাহী বিয়া, ৪। ভেকুলী বিয়া।

### ১. বৰবিয়াৰ নাম ঃ

বিয়া নামসমূহ অসমীয়া লোক সাহিত্যৰ অমূল্য সম্পদ। নাৰী সমাজৰ এইবিধ লোকগীতৰ জৰিয়তে নাৰী মনৰ সহজাত, কোমলতা, কৰুণতা, বিৰহ আদি অনুভূতিসমূহ সুন্দৰকৈ প্ৰকাশ পাইছে। বিবাহ আৰু বৈবাহিক জীৱন সম্বন্ধে বিভিন্ন দিশ এই গীতসমূহৰ মাজত প্ৰকাশিত হৈছে। অতি প্ৰাচীন কালৰ পৰা এই বিয়া নামসমূহ আমাৰ সমাজত প্ৰচলিত হৈ আহিছে। বিয়ানামসমূহ কোন সময়ত ৰচিত হৈছিল তাক জনা নাযায় যদিও কিছুমান বিয়ানাম ইংৰাজসকল অসমলৈ অহাৰ আগে-পিছে ৰচিত হৈছিল বুলি ক'ব পাৰি—

*‘গেটত লিখে স্বাগতম*<br>
*শহুৰৰ পদূলিত*<br>
*দিয়া বন্দে মাতৰম।*<br>
*শুনা সখি যাব জয়মতী ঐ*<br>
*মইনাক লৈয়ে যাব*

জয়মতী ঐ।' [৯৫]

নাৰী হৃদয়ৰ আবেগ-অনুভূতি আৰু কোমলতাৰে সমৃদ্ধ বিয়ানামবোৰ মায়ং অঞ্চলত অতি প্ৰাচীন কালৰে পৰা প্ৰচলিত হৈ আছে। হেমন্ত কুমাৰ শৰ্মাই 'মায়ঙ অঞ্চলৰ লোক-সংস্কৃতি' গ্ৰন্থত মায়ং অঞ্চলৰ বিবাহ সম্পৰ্কে সুন্দৰ আৰু সাৱলীল বৰ্ণনা কৰিছে। অঞ্চলটোৰ ক্ষেত্ৰ অধ্যয়নৰ পৰা জানিব পৰা গৈছে যে জাতিগতভাৱে তথা অঞ্চলভেদে বিয়াগীতবোৰৰ পাৰ্থক্য আছে। হাতীমূৰীয়া, ৰজামায়ং, ৰজাচুবা, বৰদিয়া, পশ্চিম মায়ং এই প্ৰত্যেক অঞ্চলতে ভিন ভিন জাতি-সম্প্ৰদায়ৰ লোকসকলে বসবাস কৰি আছে। সেই অনুসৰি প্ৰত্যেক ঠাইৰে বিয়ানাম সমূহো ভিন ভিন হোৱা দেখা গৈছে। এটা অঞ্চলৰ গীতৰ লগত আন অঞ্চলৰ গীতৰ কথা আৰু সুৰৰ ভিন্নতা পৰিলক্ষিত হয়।

বিবাহ অনুষ্ঠানৰ আনুসংগিক নীতি-নিয়মসমূহ অঞ্চলটোৰ আটাইবোৰ ঠাইতে প্ৰায় একে। অনুষ্ঠানৰ আৰম্ভণিতে দৰা ঘৰ আৰু ছোৱালী ঘৰৰ মাজত সন্মানৰ চিন স্বৰূপে তামোল-পাণ আৰু গামোছাৰে সোধাপোচা কৰে। বিয়াৰ দিন ঠিক হোৱাৰ পিছত জোৰণ অনুষ্ঠান। এই জোৰণ, অধিবাসৰে বিয়ানাম আৰম্ভ হৈ বিবাহৰ সামৰণিলৈকে পোৱা যায়। জোৰণৰ দিনা দৰাঘৰৰপৰা কইনাঘৰলৈ কইনাই পৰিধান কৰা কাপোৰ, আ-অলংকাৰ, তেল সেন্দুৰ দিয়া হয়। আৰ্থিক অৱস্থাভেদে এই জোৰণৰ বস্তুসমূহৰ পৰিমাণ বেলেগ বেলেগ হয়। জোৰণত দিয়া বস্তুবোৰ সোণ-ৰূপৰ বিবিধ অলংকাৰ, মুগা-পাট আদিৰ সাজপাৰ, খাদ্যবস্তুৰ ভিতৰত চিৰা-দৈ, মিঠৈ, ঠোক, তামোল, এগুচি পাণ, মিঠাতেল, গোন্ধ তেল, নাৰিকল তেল আদিৰ উল্লেখ বিয়াগীতসমূহত দেখিবলৈ পোৱা যায়।

এখন বিবাহত যিখিনি আনুষ্ঠানিক নীতি-নিয়ম পালন কৰা হয় সেই নীতি নিয়মবোৰক লৈয়ো কিছুমান বিয়াগীত ৰচিত হৈছে। সেই নামবোৰ এনেধৰণৰ— জোৰণত দিয়া নাম, মূৰত তেল দিয়া নাম, মূৰত চাউল দিয়া নাম, পানী তুলিবলৈ যোৱা নাম, কন্যা নোওৱা নাম, দৰা-কইনা সজোৱাৰ সময়ত দিয়া নাম, দৈয়ন দিয়া বিয়ানাম, গাঠিয়ন খুন্দা বিয়ানাম, সুৰাগুৰি তোলা বিয়া নাম, দৰা কন্যাক জুৰি গোৱা বিয়া নাম বা

৯৫ সংবাদদাত্ৰী, দেৱী, মোহিলা, ৰজামায়ং (৪০)

জোৰা নাম বা নিদা নাম ইত্যাদি।

*'কদম পৰি আছে হালি হে*

*তুলিম কোনঘাটে পানী এ*

*যি ঘাটে আছে জল নাৰায়ণ*

*সেই ঘাটে তোলাগৈ পানী এ।'* [৯৬]

বিয়াৰ দিনা গধূলি দৰা-কইনাক নিজ নিজ ঘৰত কলগছৰ তলত গা ধুৱায়। এই অনুষ্ঠানটো এহাতে গাম্ভীৰ্যপূৰ্ণ, আনহাতে হাস্যমধুৰ অনুষ্ঠান। সেই সময়ত আয়তীসকলে গীত পদ গায়। এই গীত পদ আদিক 'নোৱনি নাম' বোলা হয়। দৰা কইনাক গা ধুওৱা সময়ত আয়তীসকলে দৰা-কইনাক গামোছা, ধুতি, গেঞ্জী, কলহ, কাঁহী, চাদৰ, আঙঠি আদি দান কৰে। বিয়া নামত তাৰ উল্লেখ এনেধৰণৰ—

*'দান কৰে দান কৰে হৰি ৰাম ৰাম*

*কাহী এযোৰ মানেহে হাইৰে কৃষ্ণ এ*

*মাকে যে দান কৰে হৰি ৰাম ৰাম*

*কলহ এটা মানে হে হাইৰে কৃষ্ণ এ।'* [৯৭]

অসমীয়া সমাজ জীৱনত বিবাহ এক গুৰু-গম্ভীৰ অনুষ্ঠান। এই অনুষ্ঠানত দৰা কইনাক সামাজিক স্বীকৃতি দিয়া হয়।

মায়ং অঞ্চলৰ বিবাহ অনুষ্ঠানত পানী তোলা এটা অতি সুন্দৰ অনুষ্ঠান। বিয়াৰ আটাইকেইদিনত দৰা বা কইনাৰ ঘৰত পানীতোলা প্ৰথা একেই। এটা ঘাটত এযোৰ তামোল পাণ, এটা সিকি, পাঁচটা বা সাতটা পাত থকা এটা আমৰ ডালি। দৈৰকীয়ে হাতত কটাৰী আৰু কাষত ঘট লৈ পানী তুলিবলৈ যায়। দুণৰিত চাউল ভৰাই চাকি এগছ জ্বলাই এঁৰা ছোৱালীয়ে দুণৰিটো লয়।

*'ফুল চন্দত তুলসী*

*ভৰিল নে নভৰিল*

*ৰাধা তোমাৰ কলচী।*

---

৯৬-৯৭ সংবাদদাত্ৰী, দেৱী, অনিমা, ৰজামায়ং (৪০)

*ঔৰে গছতে ফুলনন্দন তুলসী*

*মৌৰে বাহ ল'লে...*

*দাদা আনি দিয়া খাও হে ফুল...'* [৯৮]

পানী তুলি আহি দুৱাৰ মুখত বৈ চালিলৈ তিনি ছাতি পানী ছটিয়াব। আয়তীসকলে উৰুলি আৰু বিয়ানাম গায়। কইনা বা দৰাঘৰৰ পদূলিত আহি দুৱাৰত ঘুনুচা জৰী (মাংগলিক জৰী) লগোৱা হয়।

*'দুৱাৰ মেল দুৱৰি অ জোন কুঁৱৰী*

*দুৱাৰত ঘুনুচা জৰী ৰাম জানকী*

*চালত পানী দিয়া ধাৰে নিচিঙিবা*

*মৰল চাই টেকেলি থবা।'* [৯৯]

মায়ং অঞ্চলত বিবাহ কাৰ্য সম্পাদন কৰাৰ অন্যতম অনুষ্ঠান নোওঁৱা। দৰা বা কইনাৰ গা ধোৱা ঠাই টুকুৰাক 'ধোৱা খলি' বোলা হয়। ধোৱা খলিলৈ দৰা বা কইনাক নিমন্ত্ৰণ কৰা হয় বিয়া নামেৰে ঃ

*'ওলাই আহা ৰামচন্দ্ৰ, মাটিত মংগল চাই*

*অ'ত প্ৰজা বৈ আছে তোমাক নেদেখি...।'* [১০০]

পানী তুলি আহি দৈৱকীয়ে কাষত টেকেলি লৈ দৰা বা কইনাৰ আচলত ধৰি আনিব। লগে লগে এঁৱা ছোৱালী এজনীয়ে পানী, দৈ ছটিয়াব। বেইত বহি হালধি, তেল সানি নোৱাব। বেইত চাৰিওফালে তিনি বা পাঁচ পাক ঘূৰি বেইৰ মাজৰ পৰা চামৰ পীৰাত বহিব পটাগুটিত ভৰি থ'ব। ইয়াৰ পিছত দৰা বা কইনাৰ মূৰত চাউল দি ৫গৰাকী আয়তীয়ে দৰা বা কইনাৰ মূৰত কাপোৰ এখন দি চাৰিওফালৰ পৰা তিৰোতা গৰাকীয়ে হাতত চাউল লৈ নাম গাই অলপ অলপকৈ হাতৰপৰা চাউল এৰিব, উৰুলি দি চাউল দলি মাৰি পেলাব।

*'প্ৰথমতে মুঠা দিলা যে মাহতে ঘিলাতে হৰি ৰাম*

*মাহ বাতিম কেনেকৰি*

---

৯৮-১০০ সংবাদদাত্ৰী, দেৱী, অনিমা; ৰজামায়ং (৪০)

*কৰয় তিয়াই ৰ'ল হৰি ৰাম।'*[১০১]

গা ধুই উঠি ধোৱা শালিতে মূৰ-গা মচি লোৱাত আয়তীসকলে আৰৈ চাউল দি গীত গায় ঃ

*জয় হিন্দ পিতলৰ শৰাইতে*
*জয় হিন্দ কাপোৰ থৈ আহিছো।*
*হৰি মোৰ ঐ সেই বস্ত্ৰ ল'ব পায় আজি।'*[১০২]

দৰাঘৰীয়া লোক দৰাৰেসৈতে কইনাৰ পদূলি-মুখ পোৱাৰ লগে লগে কইনাৰ মাক আৰু আয়তীসকলে দৰাৰ আগেৰে নাম গাই সুৰাগুৰি তুলিবলৈ যায়। পদূলিত ৰৈ থকা দৰাক ছোৱালীৰ ভায়েকে বা ককায়েকে আদৰে, নহ'লে সম্বন্ধীয়া কোনো লোকে আদৰে। তাৰ পিছত দৰাক দাঙি নি চোতালৰ হোমৰ গুৰিত বহুৱায়। ইয়াৰ পিছতে বিবাহ কাৰ্য সম্পাদন হয়—

*'উঘা ঘূৰে যঁতৰ ঘূৰে আৰু ঘূৰে শলা*
*ভিনদেউ আগত বাইদেউ ঘূৰে*
*হাতত ফুলৰ মালা।*
*সেইধাৰি মালা বাইদেউ কাৰ মূৰত দিবা*
*ৰাইজৰ আগত সাক্ষী কৰি*
*ৰামৰ মূৰত দিবা।'*[১০৩]

কইনা পাটিত বহে, আয়তীসকলে দুয়োকাষে বহি গীত-পদ গায়। আয়তীসকলে পূজাৰ নাম, বিয়াৰ নামৰ উপৰি যোৰা নামো গায়। যোৰা নামক মায়ং অঞ্চলত 'নিদা নাম' বা 'নিদোৱা নাম' বোলে। এই নিদানামে দৰা-কইনাৰ পৰা আদি কৰি সজাবলৈ অহা ছোৱালী, আত্মীয় স্বজন, সভাসদ, বন্ধু-বান্ধৱ কোনো বাদ নপৰে। প্ৰাচীন কালত বিয়ানামসমূহৰ অৰ্থাৎ নিদানামসমূহৰ প্ৰতিযোগিতা হৈছিল। প্ৰথমে কইনা ঘৰত নিজৰ পক্ষক, দৰাঘৰত দৰাপক্ষত আৰু পিছত কইনা ঘৰত দুয়োপক্ষই দুয়োপক্ষক সাঙুৰি

---

১০১-১০২ সংবাদদাত্ৰী, ডেকা, গায়ত্ৰী; বৰদিয়া (৪৫)
১০৩ সংবাদদাত্ৰী, দেৱী, মোহিলা; ৰজামায়ং (৪০)

নিদানাম গায়। বিয়ানামসমূহতে ইয়াৰ প্ৰকাশ পোৱা যায়। যেনে—

*'ভাত খাব যাওতে নেপালো কাহী*
*নিদা নাম নিদিবা মৰমৰ মাহী।'* [১০৪]

দৰা ঘৰত কইনাক আদৰা আদি সকলো বিষয়বস্তু বিয়ানামে সাঙুৰি লয়। প্ৰতি পদক্ষেপতে কইনাৰ শাহুৰ দৃষ্টিত দায়-দোষ আৰু কইনাৰ মনৰ অব্যক্ত বেদনাৰ ছবি বিয়াগীতত স্পষ্ট।

**তোলনী বিয়া ঃ** কন্যা সন্তানে গাভৰু কালত ভৰি দিয়াৰ মুহূৰ্তৰ বিবাহক তোলনী বিয়া বুলি কোৱা হয়। এই বিয়াৰ পৰিসৰ বিস্তৃত নহয়। আগতে শিশুকালতে বিবাহ হৈ পিছত তোলনী বিয়া পতা নিয়ম আছিল। লাহে লাহে শিক্ষাৰ প্ৰসাৰ নাৰী সকলো পুৰুষৰ সমানে খোজ মিলাবপৰা হোৱাৰ পিছত এই বাল্যবিবাহ নোহোৱা হৈ পৰিল। কিন্তু অনুষ্টুপীয়াকৈ হ'লেও তোলনী বিয়া পতাৰ ৰীতি প্ৰচলন হ'ল। তোলনী বিয়াতো একেখিনি গীতেই গোৱা হয় যদিও কিছু ক্ষেত্ৰত ইয়াৰ পাৰ্থক্য পৰিলক্ষিত হয়। এই গীতবোৰ এনেধৰণৰ—

*'আজিহে বাহৰে দুলড়ি*
*আজিহে চাউল আছে ভৰি*
*আজিহে ঘাটপানী খালে*
*মোৰ আইতী।'* [১০৫]

*'হৰি মোৰ অকাজী কুমাৰে*
*হৰি মোৰ চাকি গঢ়ি দিলে*
*হৰিমোৰ পদুম পুখুৰীৰে মাটি।'* [১০৬]

*'বাৰীত গজিল মাখিয়তী*
*সিও মধ্যে তিতা।*

---

১০৪ সংবাদদাত্ৰী, দেৱী, মোহিলা; ৰজামায়ং (৪০)
১০৫ সংবাদদাত্ৰী, দেৱী, ভদ্ৰা, ৰজামায়ং (৬৫)
১০৬ সংবাদদাত্ৰী, ডেকা, তগৰ; বৰদিয়া (৪৫)

*এন্ধাৰ ঘৰত বহি আছে*

*লঘোণীয়া সীতা।'* [১০৭]

কিছুমান ঠাইত সাতদিন কিছুমানত ৪ দিন এনেদৰে এন্ধাৰ ঘৰত লঘোণীয়া দেহাৰে সোমাই থাকিব লাগে।

*'হৰি মোৰ বৰঘৰৰ মূধতে*

*হৰিমোৰ কপৌ কুৰুলিয়াই*

*হৰি মোৰ সখা লগৰীয়াক মাতে*

*হৰি মোৰ যাব মই নোৱাৰো*

*হৰি মোৰ প্ৰজাই বেড়ি ধৰি আছে।'* [১০৮]

চাৰিৰপৰা ছয় দিন ঘৰৰ ভিতৰত সোমাই তেওঁ কি কৰি আয়তীসকলৰ কটাক্ষ ঃ

*'কিএ ছয়দিন ছয়ৰাতি বৰত ধৰিলা*

*সাতদিনৰ মূৰতে ওলাই বহিলা*

*ভাল গকুলত ঘিলা খেলিছিলা।'* [১০৯]

এই বিয়ানামসমূহত প্ৰতীকী উপসাতে কিছুমান শব্দ ব্যৱহাৰ কৰি বক্তব্য বিষয়ক স্পষ্ট কৰা পৰিলক্ষিত হয় যেন মাটিৰ চাকি, কলৰ পুলি, ঠুৰিয়া তামোল, মইনা, জুৰণীয়া মৌ, আৰণ কাপোৰ, হালধীয়া চৰাই, কুমাৰৰ চাকি, কেঁচা তামোল, ৰক্তজৰা ইত্যাদি।

**বাহী বিয়া ঃ** বাহী বিয়া প্ৰকৃততে বিয়াৰ পিছদিনা আত্মীয় স্বজন, বন্ধু-বান্ধৱ আৰু কাম বন কৰা মানুহখিনিক লৈ পতা হয়। সকলোৱে সুলমে বিয়াখন পাৰ হৈ যোৱা বাবে আনন্দ প্ৰকাশ কৰে এই বিয়াত। বিয়ানামত এই আনন্দ উৎসৱ পালন কৰি পুনৰ নিজ নিজ গৃহলৈ গৈ নিজ কৰ্তব্য পালন কৰিব লাগে। এনে ভাবধাৰা ফুটি উঠিছে ঃ

*'বাৰীৰে পুৰে ঐ*

*আমাৰ গাও কুৰে ঐ*

---

১০৭-১০৯ সংবাদদাত্ৰী, ডেকা, তগৰ; বৰদিয়া (৪৫)

*সোনকালে পঠিয়াই দিয়া চৰতীয়া*

*বাপেক গৰখীয়া*

*ৰাখকচোন এতিয়া।'* [১১০]

দেখা যায় বিবাহৰ পিছদিনা দৰা কইনাৰ ঘৰত পতা অনুষ্ঠানেই 'বাহী বিয়া'। কইনা বিদায় লোৱাৰ পিছত ঘৰখনলৈ নামি অহা আনন্দ-বেদনাৰ যি ছবি সেই ছবি স্পষ্ট ৰূপত ফুটি উঠিছে বিয়ানামসমূহত।

**ভেকুলী বিয়া (দালি পুতলিৰ বিয়া) ঃ**

কৃষিজীৱি লোকসমাজে কৃষিৰ সমৃদ্ধিৰবাবে বৰষুণ বিচাৰি ভেকুলী বিয়া পতা দেখা যায়। ই এক যাদুকেন্দ্রিক অনুষ্ঠান। ভেকুলী বিয়াই বৰষুণ বৃদ্ধি কৰে বুলি এটা লোক বিশ্বাস আছে। সেই বিশ্বাসৰ আধাৰতে ভেকুলী বিয়া পতা হয়। খৰাং বতৰে কৃষি কাৰ্য বিঘ্নিত নকৰিবলৈ এই অনুষ্ঠান পতা হয়। "বেং বিয়াৰ লগত সাদৃশ্যধৰ্মী যাদু নিহিত থাকে। বেং পানীত থাকে। সেই বেঙৰ বিয়াৰ ফলত বেঙৰ বংশ বৃদ্ধি পাব। আৰু যিহেতু বেং পানীতহে থাকে গতিকে বৰ্দ্ধিত সংখ্যক বেং থাকিব পৰাকৈ পানীৰ বিশেষ প্রয়োজন হ'ব। অৰ্থাৎ বেং বিয়াৰ পৰিণতি স্বৰূপে বৰষুণ দিব বুলি লোক সমাজৰ নিশ্চিত বিশ্বাস। বেং বিয়াৰ লগত জড়িত গীত মাতে ইয়াৰ সম্ভেদ দিয়ে।"[১১১] বাৰিষা কালত ভেকুলীয়ে টোৰ্টোৰায়। ভেকুলীয়ে টোৰ্টোৰোৱাৰ লগে লগে ধৰালৈ বৰষুণ নামিব বুলি লোক সমাজে বিশ্বাস কৰে।

মায়ং অঞ্চল এহাতে কৃষি প্রধান অঞ্চল আনহাতে যাদুমন্ত্রৰ কেন্দ্রস্থল। প্রতিটো কাৰ্যৰ লগত কাৰণ স্বৰূপে যাদু বা মন্ত্র নিহিত থাকে বুলি লোকসমাজে বিশ্বাস কৰে। কৃষিয়ে অৰ্থনীতিৰ প্রধান আহিলা হোৱাৰবাবে কৃষি কাৰ্যত যথেষ্ট গুৰুত্ব দিয়া হয় অঞ্চলটোত। কৃষিৰ বাবে অত্যন্ত প্রয়োজন বৰষুণৰ। যেতিয়া খৰাং বতৰ হয় তেতিয়া কেইবা ধৰণেৰে বৰষুণৰ দেৱতা ইন্দ্রক আৰাধনা কৰা হয়।

---

১১০ সংবাদদাত্ৰী, ডেকা, গায়ত্ৰী, বৰদিয়া, (৪৫)
১১১ শৰ্মা, শশী ঃ অসমৰ লোকসাহিত্য পৃ. ১৩৯

১। ভেকুলী বিয়া পাতি

২। নৌকা খান্দি

৩। ঢেঁকী চুৰ কৰি

৪। বামুণ গোঁসানীনাম পাতি।[১১২]

এই সকলোবোৰ গীত বা কাৰ্যৰ মূল উদ্দেশ্য একেটাই বৰষুণ দিয়া। মায়ং অঞ্চলত ভেকুলী বিয়াক 'দালি বুটলি বিয়া'[১১৩] বুলি অভিহিত কৰা হয়। এইবিবাহৰ নাম এনেধৰণৰ ঃ

*'ৰাম ৰাম ভেকুলীৰ বিয়ালৈ*

*ৰাম ৰাম আহে ইন্দ্ৰদেৱ*

*ৰাম ৰাম বতাহ বৰষুণত তিতিহে।'*[১১৪]

গাঁৱৰ লোকসকল লগ খাই প্ৰতি বছৰে এটি দিন ঠিক কৰি দুটা কলগছৰ পুলি। পুলি দুটাৰ এটাক কইনাৰ ৰূপত আনটোত দৰাৰ ৰূপত সজাই পৰাই কাপোৰ কানি পিন্ধাই হাতত দুটা ভেকুলী আঁৰি দিয়া হয়। ভেকুলী দুটা আঁৰি সেই পুলি দুটাক এফালে দৰাঘৰীয়া আৰু আনফালে কইনাঘৰীয়া সাজি মানুহৰ বিবাহৰ যি বিয়ানাম সেই বিয়ানামেই গোৱা হয়। মানুহৰ বিয়াৰ স্তৰে স্তৰে যি অনুষ্ঠান পাতি গীতসমূহ গোৱা হয় ভেকুলী বিয়াৰ ক্ষেত্ৰতো একেই অনুষ্ঠান পতা হয়। বিবাহ অনুষ্ঠানত ঘৰে প্ৰতি বৰঙনি লৈ পিঠাপনা জা-জলপান আদিও খোৱা হয়। একোজন নিৰ্দিষ্ট ব্যক্তিক পুৰোহিত হিচাপে লোৱা হয় আৰু সংস্কৃত অসমীয়া মিহলি মন্ত্ৰ কিছুমান উচ্চাৰণ কৰা হয়। আয়তীসকলে এই ব্ৰাহ্মণ জনকো 'নিদাগীত' গাবলৈ নেৰে। কেতিয়াবা বিয়া নামৰ লগতে টোকাৰী বা ভক্তি মূলক গীত আদিও পৰিবেশন কৰা হয়। মুঠতে গোটেই অনুষ্ঠানটো এক ধেমেলীয়া অনুষ্ঠানত পৰিণত হয়। আধুনিক পদ্ধতিৰে কৃষি কাৰ্যত পানী যোগান ধৰাৰ ব্যৱস্থা কৰিছে যদিও লোকসমাজে পৰম্পৰা ৰক্ষা কৰি আৰু লোকবিশ্বাসৰ ভেঁটিত প্ৰায় প্ৰতিবছৰে ভেকুলী বিয়া অনুষ্ঠিত কৰি আহিছে। অৱশ্যে ৰাইজে মিলি কোনো কোনো বাৰ নাম গাই নিয়ম পালন কৰি যোৱাও দেখিবলৈ পোৱা যায়।

১১২ সংবাদদাতা, বিষয়া, অকন, হাতীমূৰীয়া (৫৭)
১১৩ সংবাদদাত্ৰী, দেৱী, দিপালী, ৰজামায়ং (৫৫)
১১৪ ভট্টাচাৰ্য, বসন্তকুমাৰ ঃ অসমীয়া লোকগীত সমীক্ষা পৃ. ৫৪

### ২.২.৪.২ উপনয়ন বা লগুণ দিয়নি নাম ঃ

মৰিগাঁও অঞ্চলৰ ব্ৰাহ্মণ আৰু নাথ-যোগী সম্প্ৰদায়ৰ মাজত উপনয়ন বা লগুণ দিয়ানি উৎসৱ দেখা যায়। এই অনুষ্ঠানক 'উত্তৰি বিয়া'[১১৫] বুলিও কোৱা হয়। অনুষ্ঠানটোত আয়তী সকলে মিলি বৰ বিয়াৰ দৰে নাম গায়। এই বিয়ানামসমূহ বৰবিয়াৰ নামৰসতে প্ৰায়বোৰ ক্ষেত্ৰতে মিল আছে। ব্ৰাহ্মণ সকলৰ উপনয়ন অনুষ্ঠানৰ লগত নাথ-যোগী সম্প্ৰদায়ৰ লগুণ দিয়নি অনুষ্ঠানৰ প্ৰায় ক্ষেত্ৰতে মিল আছে। এই বিয়া নামসমূহত অনুষ্ঠানটোৰ পৰা শেষলৈকে সকলো ক্ৰিয়া কৰ্মৰ নিটোল বিৱৰণ পোৱা যায়। মায়ং অঞ্চলৰ লোকসকলে এই অনুষ্ঠানটো কেতিয়াবা সুকীয়াকৈ আৰু কেতিয়াবা 'বৰবিয়া' অনুষ্ঠানৰ লগত পতা দেখা যায়। 'লগুণ' বা 'যজ্ঞসূত্ৰ' লোৱা হয় বাবে এই অনুষ্ঠানক লগুণ দিয়নি বুলি কোৱা হয়। যজ্ঞ অনুষ্ঠানত লোৱা পৱিত্ৰ সূতা বাবে লগুণক যজ্ঞসূত্ৰ বুলি কোৱা হয়। এই সূত্ৰডালক ব্ৰাহ্মণ বা নাথ সম্প্ৰদায়ৰ লোকসকলে অতি পৱিত্ৰ জ্ঞান কৰে আৰু ই বিভিন্ন অপায়-অমংগল দূৰ কৰে বুলি গণ্য কৰা হয়। "অসমৰ ব্ৰাহ্মণ সমাজত ল'ৰাৰ বাৰ বয়সত লগুণ দিয়নি বা উপনয়ন অনুষ্ঠান পাতে। পুত্ৰ সন্তানক মূৰৰ চুলি খুড়াই ডিঙিত পোন প্ৰথ লগুণ পিন্ধাওতে এই মাংগলিক অনুষ্ঠান পতা হয়।"[১১৬] সম্পূৰ্ণ বৈদিক প্ৰথাৰে এই অনুষ্ঠান পতা হয়। এই অনুষ্ঠানত আয়তীসকলে উৰুলি দি বিভিন্ন গীত গায়। এই গীতবোৰৰ মাজত লৌকিক আচাৰ আৰু নীতি নিয়ম বোৰৰ উল্লেখ পোৱা যায়। "আন আন ভাৰতৰ হিন্দু সম্প্ৰদায়ৰ লগত অসমীয়া সমাজৰ বহুতো ভিন্নতা আৰু সুকীয়া বৈশিষ্ট লক্ষ্য কৰা যায়।"[১১৭] আগৰ দিনত নিচেই কুমলীয়া অৱস্থাতে লগুণ দিয়া হৈছিল কিন্তু সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে কিছু পলমকৈ এই অনুষ্ঠান পতা হয়। লগুণ দিয়নি নামতেই ইয়াৰ উল্লেখ পোৱা যায়। গৰখীয়া শিশুক 'উত্তৰি' বা লগুণ দিবলৈ টানি অনা কোমল বয়সৰ ল'ৰাৰ মনৰ ভাব ঃ

*'গৰু জাকৰ পৰা মাতিলে আই*

---

১১৫ নাথ, কমলচন্দ্ৰ, (সম্পা.) ঃ সাহিত্য সংস্কৃতিৰ মাধুৰ্য, পৃ. ১১৫
১১৬ চেতিয়া, উমেশ ঃ অসমৰ লোকসংস্কৃতিৰ ৰূপৰেখা, পৃষ্ঠা ২০৭
১১৭ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ২০৭

*মোৰে শৰীৰত উত্তৰি নাই*

*মোতকৈ ওপৰি দদাইদেউ আছে*

*মোকহে উত্তৰি দিবহি পাছে।।'*[১১৮]

উক্ত নাম ফাঁকিৰপৰা পোৱা যায় যে এই অনুষ্ঠান পৰ্যায় ক্ৰমে ডাঙৰৰপৰা সৰুলৈ বা কেতিয়াবা একেলগে পতা হয়। গ্ৰাম্যাঞ্চলৰ গৰু চৰাই থকা গৰখীয়াৰ এক মনোৰম চিত্ৰ নামটিৰ মাজেদি ফুটি উঠা দেখা যায়।

ইয়াৰ পিছত 'দৰা'টোক আনি 'আঁয়ন' (আৰন) কাপোৰ (চেলেং চাদৰ) তৰি তাৰ তলত গায়ত্ৰী মন্ত্ৰ শিকোৱা হয়। ইয়ে প্ৰমাণ কৰে যে এই অনুষ্ঠান এক বৈদিক পৰম্পৰা। বেদৰ মতে 'গায়ত্ৰী মন্ত্ৰ'ই শ্ৰেষ্ঠ মন্ত্ৰ। এই মন্ত্ৰ জপ কৰি শিকাই দিয়া হয় ঃ

*'আঁয়ন কাপোৰ তৰি গায়ত্ৰী শিকালে*

*বাপু তই নাপাহৰিবি এ।'*[১১৯]

ইয়াৰ পিছত বিভিন্ন ক্ৰিয়া কাণ্ড শেষ কৰি ভিক্ষা খুজিবলৈ পঠোৱা হয় দৰাটোক। তেওঁৰ হাতত কেইপদমান বস্তু থাকে। সেইবোৰ হৈছে ছাটি এটা, ঘটি বা কমন্দুল এটা আৰু জুলি (সৰু জোলোঙা)। এই অনুষ্ঠানটোৰ এই মুহূৰ্তটো অতিকে কৰুণ। আয়তী দৰ্শক সকলৰ চকুত চকুলোৰ ধাৰ কাৰণ তেওঁলোকৰ আদৰৰ সন্তানে যেতিয়া ভিক্ষা খুজিবলৈ বাহিৰলৈ ওলায় যায়। পৰ্যায় ক্ৰমে মাক, দেউতাক, খুড়াক, ককায়েক আদি জেষ্ঠ জনৰ ওচৰলৈ ভিক্ষা খুজি সমাজলৈ আগুৱাই। এনে অৱস্থাত আয়তীসকলে ভিক্ষা খুজিবলৈ বাৰণ কৰে আৰু তেওঁক 'ব্ৰাহ্মণৰ কন্যা' বিবাহ কৰাই দিম বুলি কয় ঃ

*'ব্ৰাহ্মণৰ কন্যা দিমে বিয়া কৰি*

*নাযাবা বৈৰাগ চাৰিয়া এ।'*[১২০]

ব্ৰাহ্মণৰ বেশ ধাৰণ কৰাৰ লগে লগে 'তিলক' কপালত পিন্ধাই দিয়া হয়। তিলক পিন্ধাওতে আয়তী সকলে 'তিলক পিন্ধোৱা নাম গায়। লাৰু, লটা, কপালত ফোঁট লৈ সাক্ষাৎ বৈৰাগী বেশ ধাৰণ কৰা দৰাই হাতত লাখুটি লৈ খুজিবলৈ যায়। এই 'লগুণদিয়নী'

---

১১৮-১২০ সংবাদদাত্ৰী, দেৱী, ফাগুণী, ৰজামায়ং, (৬৫)

বা 'উত্তৰি' অনুষ্ঠান বৰ্তমানো মায়ং অঞ্চলৰ 'ৰজামায়ং' গাঁৱৰ নাথ সম্প্ৰদায়ৰ লোক সকলৰ মাজত অনুষ্ঠিত হয়। কেতিয়াবা 'বিবাহ অনুষ্ঠানৰ লগত বা কেতিয়াবা সুকীয়াকৈ এই অনুষ্ঠান পতা হয়।

এই অনুষ্ঠানৰ জৰিয়তে 'দৰা'ই প্ৰথমবাৰৰ বাবে জীৱনৰ এটি দায়িত্ব গ্ৰহণ কৰে। সৰু শিশু এটিৰ পৰা কিছু সংস্কাৰ লাভ কৰি নতুন জীৱন লাভ কৰে।

বৈদিক হিন্দু ধৰ্মৰ ব্ৰাহ্মণসকলৰ মূল লগুণদিয়নিৰ প্ৰভাৱ ঃ

*'আয়ঁন কাপোৰ তৰি গায়ত্ৰী শিকলে।'*[১২১]

*'ব্ৰাহ্মণৰ কন্যা দিমে বিয়া কৰি*
*নাযাবা বৈৰাগ চাৰিয়ে।'*[১২২]

এনেদৰে দেখা যায় যে অঞ্চলটোৰ গীত-পদসমূহ ধৰ্মীয় ৰীতি-নীতি আৰু লোক সমাজৰ ৰীতি-নীতিৰ ওপৰত গঢ় লৈ উঠিছে।

## ২.৩ কাৰ্য বিষয়ক গীত বা শ্ৰমৰ সৈতে জড়িত গীত ঃ

'শ্ৰমৰ সফলতাৰ কাৰণে ৰচিত মন্ত্ৰই এদিন গীতলৈ ৰূপান্তৰিত হৈছিল।'[১২৩] শ্ৰম বা কাৰ্যবিষয়ক গীতসমূহৰ মূলতে আছে শ্ৰমৰ সময়ত ব্যৱহাৰ কৰা ধ্বনি। এই ধ্বনি লয়যুক্ত ধ্বনিয়ে শ্ৰমলৈ একপ্ৰকাৰ শক্তি আনি দিয়ে আৰু আনে কাম কৰাৰ প্ৰেৰণা। মায়ং অঞ্চলত প্ৰাপ্ত লোকগীতসমূহৰ মাজতো শ্ৰম বা কৰ্ম বিষয়ক গীত কিছুমান পোৱা গৈছে। সেইবোৰ এনেধৰণৰ—

### ২.৩.১ হালবোৱা গীত ঃ

ভাৰতীয় সমাজ ব্যৱস্থাত কৃষিৰ ভূমিকা অপৰিসীম। সেইদৰে সমাজৰ সাংস্কৃতিক বিকাশতো কৃষি ব্যৱস্থাৰ প্ৰভাৱ অতুলনীয়। 'সমাজবিজ্ঞানীসকলৰ স্পষ্ট অভিমত যে কৃষি-ব্যৱস্থা প্ৰৱৰ্ত্তনৰেহে সমাজত পোন প্ৰথম সাংস্কৃতিক বিপ্লৱ সংঘটিত হৈছিল।'[১২৪]

---

১২১-১২২ সংবাদদাত্ৰী, দেৱী, ফাগুণী, ৰজামায়ং, (৬৫)
১২৩ শৰ্মা, শশী ঃ অসমৰ লোকসাহিত্য, পৃ. ১২৯
১২৪ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৩২

মায়ং কৃষি প্ৰধান অঞ্চল। বৰ্তমান এই অঞ্চলটোত দুটাকৈ প্ৰধান খেতি বড়ো আৰু শালি ধান কৰা হয়। প্ৰধান জীৱিকা কৃষি হোৱা হেতুকে খেতিৰ বিভিন্ন সঁজুলি আদিকে লৈ বিভিন্ন গীত ৰচিত হৈছে। এই গীতসমূহে এফালে কৃষি কাৰ্যৰ প্ৰেৰণা আনফালে শ্ৰমৰ কঠিনতা হ্ৰাস কৰে। কৃষি কাৰ্যৰ লগত জড়িত এনে গীতসমূহে সামূহিক কাৰ্যৰ গতি খৰতকীয়া কৰিব পাৰে। মায়ং অঞ্চলত এনে এটি গীতক নাঙেলী গীত বা গোহালী নাম বুলি অভিহিত কৰা হয়। গীতটি এনেধৰণৰ ঃ

*'হৰি এ নাৰায়ণ নাৰায়ণ*
*নাঙলে বোলে মোৰ ঘাৰতে কুঁজ এ হৰি এ নাৰায়ণ*
*পৃথিৱী সহিতে লাগিমে যুঁজ*
*ফালে বোলে মই চিতল*
*গোটামাটিখিনি পেলাম কাটি এ হৰি এ নাৰায়ণ*
*বেঙায়ে বোলে মেৰ কেৰকেৰায়*
*মানুহকে গৰুকে ৰাখি পেলাম*
*ডিলা বোলে মই সদায় গোট হৰি এ নাৰায়ণ*
*মোৰ ওপৰে আছে কোন হৰি এ নাৰায়ণ*
*জঙলীয়ে বোলে মোৰ*
*চাৰিও মুখলৈ চাৰিও চায় হৰি এ নাৰায়ণ*
*গৰুৱে বোলে মোৰ দীঘল নেজ হৰি এ নাৰায়ণ*
*মোৰে ওপৰত গোটেই ৰজা হৰি এ নাৰায়ণ*
*লৰুৱে বোলে মই সবাই সৰু হৰি এ নাৰায়ণ*
*মই নহ'লে গৰু হৰি এ নাৰায়ণ'* [১২৫]

কৃষিব্যৱস্থাত হালবোৱা এক যৌথ প্ৰচেষ্টা। হাল বাৰলৈ বিভিন্ন সঁজুলিৰ আৱশ্যক। কোনোটোৱে কোনোটোতকৈ হীন নহয়। সেয়ে প্ৰত্যেকৰে গুৰুত্ব সমান বুজোৱা এই গীত সমূহ কিছু হাস্য ৰসৰ মাজেদি উপস্থাপন হোৱা দেখা যায়। সেইবাবেই কোনো

১২৫ সংবাদদাত্ৰী, দেৱী, ক্ষীৰদা, ৰজামায়ং, (৭৫)

পণ্ডিতে গীতসমূহ ধেমেলীয়া গীতৰ অন্তৰ্ভুক্ত কৰিছে।

গোটেই গীতটো এক হাস্যৰসাত্মক বৰ্ণনাৰে সমৃদ্ধ। এটাৰ স'তে আনটো সম্পৃক্ত হৈ আছে। গৰু হালৰ স'তে হালখনৰ, হালখনৰ স'তে সৰিয়হ খেতি বা বিভিন্ন কৃষিৰ সম্পৰ্ক আছে। কৃষিকাৰ্যত প্ৰতি পদ সঁজুলিৰে সমানে অংশগ্ৰহণহে কৃষি ব্যৱস্থাক সফল কৰি তুলিব পাৰে। গীতটি বৰ্তমান অপ্ৰচলিত বুলিয়ে ক'ব পাৰি। কেইগৰাকীমানৰ মুখতহে শুনিবলৈ পোৱা যায়। খেতিৰ আধুনিক সা-সঁজুলিয়েও পূৰ্বৰ হালবোৱা পদ্ধতিৰ আমূল পৰিৱৰ্তন আনিছে, যাৰ ফলত এনে গীতসমূহৰ সমাদৰ মানুহৰ মাজত হ্ৰাস পাইছে। ভালকৈ চালিজাৰি চালে দেখা যায় গীতটিৰ মাজত এক চিৰন্তন আবেদনৰ সুৰ নিহিত হৈ আছে। হালবোৱাৰ প্ৰাচীন সঁজুলিসমূহৰ এই নামসমূহ হয়তো এই গীতৰ মাজতহে অদূৰ ভৱিষ্যতে বিচাৰি পোৱা যাব। এই গীত বৰ্ত্তমান মায়ঙত কৃষি কাৰ্য বা পশুধনৰ কল্যাণৰ বাবে গোহালী ঘৰ ভালকৈ চাফাকৰি মচি-কাচি নাম হিচাপে ইয়াক গোৱা হয়।

**২.৩.২ মাছমৰা গীত ঃ**

কৰ্ম বিষয়ক গীতসমূহৰ অন্যতম হৈছে মাছমৰা গীত। মাছমৰা গীত প্ৰায় সকলো জাতি আৰু ভাষা গোষ্ঠীৰেই আছে। 'এই গীতবোৰৰ কোনো কোনো গীতক বা আটাইবোৰ গীতকেই মন্ত্ৰ ৰূপে ব্যৱহাৰ কৰিছিল বুলিও অনুমান কৰিব পাৰি।'[১২৬] মায়ং নদীকেন্দ্ৰীক অঞ্চল। এই অঞ্চলটোৰ চাৰিওদিশে অৱস্থিত ব্ৰহ্মপুত্ৰ, কলং আদি নদী, উপনদী আৰু বিভিন্ন বিল, ডোঙ আদিত প্ৰচুৰ পৰিমাণে মাছ পোৱা যায়। মাছ মাৰিবলৈ যাওতে অঞ্চলটোৰ লোকসকলে বিভিন্ন নিয়ম আৰু মন্ত্ৰৰ প্ৰয়োগ কৰে। তাৰ লগতে কিছুমান গীতমাতো সমূহীয়াকৈ গোৱা দেখা যায়। এনে গীত-মাতসমূহক তিনিটা ভাগত ভাগ কৰিব পাৰি—

১। বৰশী বোৱা গীত

২। জাকৈ বোৱা গীত

---

১২৬ শৰ্মা, শশী ঃ অসমৰ লোকসাহিত্য, পৃ. ১৩৩

৩। লালিলাং গীত (তিৰাসকলৰ)

মাছ মাৰি পেট প্ৰবৰ্ত্তোৱা এচাম লোক আছে যদিও প্ৰায়বোৰ মানুহেই তৃপ্তিত মাছ মৰা পৰিলক্ষিত হয়। এনেদৰে মাছ মাৰোঁতে বিভিন্ন যোজনা-গীত আদি মন্ত্ৰ ৰূপে ব্যৱহাৰ কৰে। তেনে এটি মন্ত্ৰ হৈছে ঃ

*'থুই ঠাই মাছে* লগ খাই।'*[১২৭]

এই মন্ত্ৰ গাই থুৱাই দিলে মাছ বৰশীত বেছিকৈ লাগে। এয়ে লোকবিশ্বাস। ইয়াৰ উপৰিও কিছুমান গীতত মাছমৰা বা, বিভিন্ন মাছৰ নাম, বিভিন্ন ঠাইৰ নাম, বিভিন্ন নৈ বিলৰ নাম উল্লেখ থকা দেখিবলৈ পোৱা যায়।

*'ৰজামায়ং কাজলী অ' মোৰ সোণাই ঐ*
*ভনী তই আকৰি অ' মোৰ সোণাই ঐ*
*হাদুকৰে খৰীয়া মাছ*
*কাছশিলা পাহাৰত অ' মোৰ সোণাই ঐ*
*সুহৰি মাৰিলং অ' মোৰ সোণাই ঐ*
*পবিতৰাত ককাল ভাঙি নাচ।'*[১২৮]

**২.৩.২.১ বৰশীবোৱা গীত ঃ**

বৰশী বাবলৈ যোৱা অঞ্চলটোৰ বহুলোকৰ মুখত বৰশীবোৱা গীত শুনিবলৈ পোৱা যায়। কিন্তু মায়ং অঞ্চলৰ এই বৰশীবোৱা গীতটি বৰ্ত্তমান আয়তীসকলে নামত গোৱা দেখিবলৈ পোৱা যায়। কৃষ্ণ আৰু ৰাধাক লৈ ৰচিত এই গীতটিত মধুৰভাৱে বৰশী বোৱা কাৰ্যৰ বৰ্ণনা কৰা হৈছে ঃ

*'কানাই বৰশী বায় পুঙা নাযায় তল।*
*একো মাছে নিগিলোতে গিলে ৰাঘবৰ*
*কানাই বৰশী বায় পুঙা মাৰৈ টিপ*
*ৰাধাই সোধে কানাই ককাই কি বাহৰ চিপ*

---

১২৭-১২৮ সংবাদদাতা, ডেকা, লক্ষেশ্বৰ, ভকতগাওঁ (৫০)

*কানাই বৰশী বায় পচা কাঠত উঠি*
*একো মাছে নিগিলে গিলে কানি পুঠি*
*কানাই বৰশী বায় যমুনাৰে মাছ*
*ৰাধাই শোধে কানাই ককাই কিমান পালি মাছ।'*[১২৯]

বৰশী বোৱা কাৰ্য অতিশয় আমনিদায়ক। ধৈৰ্য আৰু প্ৰতীক্ষাৰ অন্ততহে মাছ পোৱা যায়। প্ৰতীক্ষা যিমান মাছ পোৱাৰ আনন্দত সিমান হয়গৈ মাছ বৰশীত লাগিলে। এহাতে শ্ৰম লাঘৱ অন্যহাতে হাবিয়াস এই দুয়োটা বস্তুৰ যুটীয়া ছবি গীতবোৰৰ মাজত ফুটি উঠিছে মাজেদি কানাই আৰু ৰাধাৰ যমুনাৰ পানীত মাছ ধৰাৰ এক মনোৰম চিত্ৰ ফুটি উঠিছে।

**২.৩.২.২ জাকৈ-বোৱা গীত ঃ**

মায়ং অঞ্চলত জাতি জনজাতীয় সকলো মুনিহ-তিৰোতাই জাকৈ বাবলৈ যায়। জাকৈৰে মাছ ধৰোতেওঁ তেওঁলোকে কিছুমান গীত-মাত পৰিবেশন কৰে। এনে গীত এটি হৈছে ঃ

*'ভঙা জাকৈ পুঠি মাছ*
*অ' কুঁৰৱী ভালকৈ নাছ*
*গেজেং ফুট গেজেং ফুট*
*কৰিয়া পিন্ধাং তোক।'*[১৩০]

গীতটি এক প্ৰকাৰ মন্ত্ৰমূলক। আদিতে হয়তো মন্ত্ৰৰদৰে আওৰোৱা হৈছিল কিন্তু পিছলৈ ই এক প্ৰকাৰ গীতলৈ ৰূপান্তৰিত হ'ল। গীতটিত থলুৱা শব্দৰ প্ৰয়োগে একধৰণৰ মাধুৰ্য আনিছে আৰু শুনিবলৈ শুৱলা কৰি তুলিছে। জাকৈ বাওতে গোৱা এনে কিছুমান গীত হ'ল ঃ

*'সাতোখন বিলৰে সাতোটা চেঙেলী*
*একেখন চালনীত বাচং*

---

১২৯ সাংবাদদাত্ৰী, দেৱী, দৈৱকী, ৰজামায়ং (৬৫)
১৩০ সংবাদদাতা, দাস, মুৰুলীধৰ, ক্ষেত্ৰী (৬৭)

*সাতোখন গাঁৱৰে সাতোটা নামতী*

*একেটা গীততে বান্ধং।'* [১৩১]

অনুস্বাৰৰ সঘন প্ৰয়োগে গীতটিলৈ একপ্ৰকাৰৰ লয়লাস ভংগী আনি দিছে। এই গীতসমূহত তিৱা জনজাতিৰ লালিলাং গীতৰ প্ৰভাৱপৰা পৰিলক্ষিত হয়।

**২.৩.২.৩ লালিলাং গীত ঃ**

মায়ং অঞ্চলতো লালিলাং গীত আছে। অৱশ্যে এই গীতৰ উৎপত্তি সম্ভৱতঃ চুবুৰীয়া ডিমৰীয়া অঞ্চল। এই গীতৰ উৎপত্তি সম্পৰ্কে বিভিন্ন মতবাদ পোৱা যায় যদিও তাৰ ভিতৰত এটা হৈছে মাছ মাৰিবলৈ যোৱাৰ দিনা মাছৰ সজুঁলীত যৌনাংগ স্পৰ্শ কৰোৱাই মাছ মাৰিলে মাছ পায়।[১৩২] এনে লোক বিশ্বাসৰ আধাৰত লালিলাং গীত গোৱা হয় বুলি অনুমান কৰা হয়।

দ্বিতীয়তে, লালিলাঙৰ সৃষ্টি আৰু ক্ৰমবিকাশৰ পথাৰৰ গৰখীয়া আৰু গোৱাল সকলৰো বিশেষ ভূমিকা আছে। গৰখীয়া আৰু গোৱালসকলে গৰু, ম'হ চাৰি দিনৰ দিনটো হাবিয়ে বননিয়ে, পথাৰে-সমাৰে ঘূৰি ফুৰিবলগীয়া হোৱাৰ বাবে অৱদমিত যৌন লিপ্সা গীতৰ মাজেদি প্ৰকাশ কৰে।

তিৱা ভাষাৰ 'লা হিলা হিলালি' শব্দৰপৰা সম্ভৱত 'লালিলাং'[১৩৩] শব্দটো আহিছে। লালিলাং গীতৰ প্ৰতিফলিত সমাজখন চহা, স্বাভাৱিক ভাৱে উন্মুক্ত আৰু স্বতঃস্ফূৰ্ত। এই গীতসমূহৰ বিশ্লেষণে অসমীয়া জাতীয়আৰু জনজাতীয় জীৱনৰ বহু গোপন অধ্যায় সম্পূৰ্ণ কৰাৰ থল আছে। এনে গীত হৈছে ঃ

*'জোনবিল বজাৰত ঐ জাকজাক গাভৰু ঐ*
*গা ঘেলাই এঘেলাই ফুৰে*
*ৰাতি খপিবলৈ ঐ এবাৰ লগ ধৰিলে ঐ*
*লাজতে তলমূৰ কৰে। কৰে হেৰ লালিলাং*
*লাহে লাহে চাপিযাং*

---

১৩১-১৩৩ দাস, মুৰুলীধৰ ঃ পাচকুৰি লালিলাং, পৃ. (২)

*অকণমান মৰম ঐ কৰং।'* [১৩৪]

*'আজি যাং বতৰক ঐ কালি যাং বৰতক*
*বৰতৰ ঢেপেলা পাত*
*বৰতক যাওতে চৰতে ডাকিলে*
*ৰিহা নাই এতিয়া গাত।'* [১৩৫]

*'লালিলাং লালিলাং*
*ঘৰৰ জনীৰ গালিখাং*
*অহা বাটে উভতি খাং'* [১৩৬]

এনেদৰে দেখা যায় অঞ্চলটোত লোকসকলৰ মাজত মাছমৰা বা লালিলাং গীত সমূহ প্ৰচলিত হৈ আছে। বৰ্ত্তমানো সমূহীয়াকৈ জাকৈ মাৰোঁতে বা বৰশী বাওতে গীতসমূহ চেগা চোৰোকাকৈ গোৱা পৰিলক্ষিত হয়। দেখা যায় যে গীতসমূহৰ লয়লাস ভংগী আৰু শব্দ চাতুৰ্যই ইয়াৰ আদিম স্তৱ মন্ত্ৰৰ ওচৰ চপাই নিয়ে। আদিতে মন্ত্ৰ আছিল হয়তো আৰু ই পিছলৈ গীতলৈ ৰূপান্তৰিত হয়।

**২.৩.৩ তেল পেৰা গীত ঃ**

শ্ৰম বা কাৰ্যবিষয়ক গীতৰ অন্যতম 'তেলপেৰা গীত'। শ্ৰমজীৱি লোকসমাজে শ্ৰমৰ কষ্ট লাঘৱ কৰিবৰ উদ্দেশ্যে এই গীতসমূহ গাইছিল। তেল পেৰা কাৰ্যৰ গতানুগতিকতা বা একঘেয়ামীক আঁতৰাবলৈ শ্ৰমজীৱি লোকসমাজে এই গীত সমূহীয়া ভাৱে গাইছিল। আদিতে ঘৰে ঘৰে তেল পেৰা যন্ত্ৰ আছিল। এই যন্ত্ৰত তেল পেৰি প্ৰয়োজনীয় তেল ঘৰখনৰ বাবে সংগ্ৰহ কৰিছিল লোকসমাজে। 'সৰিয়হ পেৰিবলৈ তেল পেৰা শালখন বা তেল পেৰা থলী বোলে বা তেলপেৰা শাল এখন হ'বলৈ হ'লে বিশেষভাৱে এই কেইপদ সামগ্ৰীৰ অতিকে প্ৰয়োজন। যেনে— সৰিয়হ পেৰা পতা এখন, কুহি এখন আৰু বেতেৰী দুটা। পতা আৰু কুহি কাঠৰ, বেতেৰী টঙাল বা বেতৰ।

---

১৩৪ দাস, মুৰুলীধৰ ঃ পাচকুৰি লালিলাং, পৃ. (৮)
১৩৫ সংবাদদাতা, ডেকা, লক্ষেশ্বৰ, ভকতগাঁও (৫০)
১৩৬ সংবাদদাত্ৰী, দেৱী, মামণি, ৰজামায়ং (৪৭)

বেতেৰে গুঠাৰ কাৰণে বেতেৰী বোলা হয়। তেলপেৰা শালিত সৰিয়হ ভাজিবলৈ জুই একুৰা আৰু কেৰাহী এটাও লাগিব। প্ৰথমে সৰিয়হখিনি কেইটামান ৰ'দত শুকুৱাই ল'ব লাগে। তাৰ পিছত শুকুৰা সৰিয়হখিনি ঢেঁকীত খুন্দিব লাগিব। খুন্দা সৰিয়হখিনিক পানী দি মঠি এদিন কলপাতেৰে ঢাকি থ'ব লাগে। পিছদিনা সেইখিনিক কেৰাহীত এটা জোখত ভাজি বেতেৰী দুটাত ভৰাই তেলৰ কুহিখনত তুলি দি পাতখনেৰে হেঁচি ধৰিব লাগে। পাতখনত শিল দিও ওজন বঢ়াব পাৰে, মানুহ উঠিও হেঁচা বঢ়াব পাৰে। বেতেৰী দুটাত হেচাঁ পৰাত বেতেৰীৰ টঙালৰ মাজেৰে তেল ওলাই আহি কুঁহিখনৰ তেল বৈ অহা মুখখনত পাতি থোৱা বাটিটোত পৰে। দহ-পোন্ধৰ মিনিটৰ পিছত তেল ওলোৱা বন্ধ হোৱাত বেতেৰী দুটাৰ খলিহৈখিনি উলিয়াই তাত পুনৰ ভজা সৰিয়হ গুড়া ভৰোৱা হয়।'[১৩৭] এইদৰে ভাজি কৰা সৰিয়হৰ তেল সোৱাদযুক্ত হয়। সেই বাবেই এই তেলক মিঠাতেল বা পকাতেল বুলি কোৱা হয়। তেল পেৰাৰ সময়য়ত গোৱা নাৰীসমাজত প্ৰচলিত শ্ৰমবিষয়ক গাত এটি এনেধৰণৰ—

*'সোণৰ নাঙলখনি ৰূপৰে ফাল,*
*জনক ৰজাই জুৰিলে হাল।*
*বালে মৈয়ালে চহ হ'ল মাটি,*
*তাতে ছটিয়ালে সৰিয়হ গুটি;*
*সৰিয়হ পেলালে হাতৰে মুঠি,*
*সৰিয়হ গজিলে পৃথিৱী ঢাকি।*
*এপাহি সৰিয়হ দুপাহি হ'ল,*
*চাওঁতে সৰিয়হ তুলিবৰ হ'ল।*
*তুলিলে সৰিয়হ হাতৰে লাফে*
*সৰিয়হ শুকালে সূৰ্যৰ তাপে।*
*সৰিয়হ মাৰিলে গৰুৰ খোজে,*
*সৰিয়হ চালিলে চালনীৰ চাতে*

---

১৩৭ দাস, মুৰুলীধৰ ঃ দৈনিক জনমভূমি, শনিবাৰ, ফেব্ৰুৱাৰী ২৮, ২০০৯

*সৰিয়হ খুন্দিলে ঢেঁকীৰ চাপে,*
*পেৰিলে সৰিয়হ পেৰণিৰ পাকে।*
*তেল এটুপি কিহলৈ লাগে,*
*আমাৰে আইদেউৰ বিয়ালৈ লাগে।'*[১৩৮]

এই তেল পেৰা গীতটিত জনক ৰজাৰ কৃষিকাৰ্যক উপলক্ষ্য কৰি গোৱা হৈছে। হালজুৰি মাটি চহ কৰি সৰিয়হৰ গুটি ৰোপন কৰা হৈছে পৈণত সৰিয়হ গৰুৰ খোজেৰে মাৰি, চালনীৰে চালি, ঢেঁকীৰ চাপত খুন্দি পেৰণিৰে পেৰি বিবাহৰ উদ্দেশ্যে তেলটুপি উলিওৱা হৈছে।

এই তেলপেৰা গীতটি প্ৰকৃততে হালবোৱা গীত বা নাঙেলী গীতৰ অন্তৰ্গত। গীতটিত হালবাই মাটি মৈয়াই চহ কৰি সৰিয়হ গুটি সিচঁাৰ পৰা চাকি জ্বলোৱালৈকে বিৱৰণ দিয়া হৈছে। মায়ং অঞ্চলৰ শ্ৰমজীৱি লোকসমাজৰ মাজত প্ৰচলিত এই গীত সমূহ কাৰ্যগীতৰ অন্তৰ্গত। সৰিয়হ তেল পেৰাৰ সময়ত শ্ৰমৰ কষ্ট লাঘৱ কৰিবলৈ ঘাইকৈ নাৰী সমাজত এইগীত প্ৰচলিত আছে।

**২.৩.৪ তাঁতশালৰ গীত ঃ**

তাঁতশাল অসমীয়া শিপিনীৰ বৰ আদৰৰ। অসমীয়া শিপিনীয়ে ছাতে শুকুৱা মুঠিতে লুকুৱা কাপোৰ বব জানে বুলি প্ৰখ্যাত। বিভিন্ন ধৰণৰ সাজপোছাক ব্যৱহাৰ্য কাপোৰ ইত্যাদি তাঁতত লগাই ঘৰখনৰ অভাৱ পূৰণ কৰাটো অসমীয়া শিপিনীৰ পুৰণিকলীয়া অভ্যাস। তাঁতশালত বহি থাকোতেও শ্ৰমৰ স'তে মিলাই বিভিন্ন সুৰীয়া গীত গোৱা হয়। সেই গীতসমূহ কবিৰ মুখেদি নিগৰি গীতৰ আকৃতি পায়। এই গীতসমূহ কিমান প্ৰাচীন তাক নিশ্চয়কৈ কোৱা টান।

এনেগীতৰ মাজেদি শ্ৰমৰ গুণগান কৰা হৈছে। লোকসমাজৰ নাৰী মনৰ চিত্ৰনো এনে গীতৰ মাজেদি প্ৰকাশ পোৱা দেখা যায়। বিহুৰ গামোচা অৰ্থাৎ বিহুৱান, ৰুমাল আদি বিচিত্ৰ বস্ত্ৰ তাতশালত বৈ উলিওৱা অসমীয়া শিপিনীৰ মনৰ চিত্ৰণ ঃ

---

১৩৮ সংবাদদাতা, দাস, মুৰুলীধৰ, ক্ষেত্ৰী, (৬৭)

*'এখন কাপোৰ লগাই লৈ*

*বহাগৰ বিহুটো পালেহি ঐ*

*মাকোটো মাৰোঁতে সূতাডাল চিগিলে*

*আলিবাটৰ মানুহটো চাই।'* [১৩৯]

তাঁতশালক লৈ একশ্ৰেণীৰ ধেমেলীয়া গীতো ৰচিত হোৱা দেখা যায়। এনে ধেমেলীয়া গীতে শ্ৰমৰ কষ্ট লাঘৱ কৰা পৰিলক্ষিত হয়। এনে গীত হৈছে ঃ

*'ঝুনুক ঝুনুক বাং*

*শাল কাটা খাং*

*ডটক টক শাল কাটিলি খাম টক*

*হেনেক নেচা হেনেচা*

*আৰু এনেচা হেনেচা*

*টাকুৰি কাটো তিনিনেচা'।* [১৪০]

এই গীতটো একপ্ৰকাৰ ধেমেলীয়া গীত। এনেদৰে দেখা যায় শ্ৰমজীৱি সমাজখনে কষ্ট লাঘব কৰি মনত আনন্দ, সুখ, শান্তি আনিবলৈ এনেধৰণৰ গীতসমূহৰ সৃষ্টি কৰিছে। 'কোনো ব্যক্তি নিৰ্ণয় কৰে সৎ শ্ৰমেহে, সেই কথা লোক সমাজে জানিছিল আৰু সেই গুণে যতঁৰৰ মাধ্যমত শ্ৰমৰ জয় গান গাইছিল।'[১৪১] গতিকে দেখা যায় অতি প্ৰাচীন কালৰ পৰা তাঁত শালৰ সতে জড়িত গীতমাতসমূহে এহাতে শ্ৰম লাঘৱ আনহাতে নতুন বস্ত্ৰ লাভৰ আনন্দ মনলৈ আনি শিপিনী সকলক নতুন সৃষ্টিৰ আনন্দ প্ৰদান কৰিছিল।

**২.৩.৫.১ ধানবনা গীত ঃ**

কৃষিজীৱী সমাজখনত শ্ৰমৰ স'তে অংগাগী সম্পৰ্ক কৰ্মৰ। কৰ্ম কৰোতে শ্ৰমৰ কষ্ঠ লাঘৱ কৰাৰ উদ্দেশ্যে ইটো সিটো উচ্চাৰণ কৰা হয়। সিয়েই পিছলৈ গীতত পৰিণত হয়। গ্ৰাম্যাঞ্চলৰ এনে এটি গীত 'ধানবনা গীত' আৰু ই শ্ৰমৰ স'তে জড়িত গীত। এই

---

১৩৯ সংবাদদাত্ৰী, দেৱী, মামণি, ৰজামায়ং (৪৭)
১৪০ সংবাদদাত্ৰী, দেৱী, ভানুমতী, ৰজামায়ং (৬০)
১৪১ শৰ্মা, শশী ঃ অসমৰ লোকসাহিত্য, পৃ. ১৩১

গীতত গ্ৰাম্যঞ্চলৰ নাৰীৰ স্বকীয় প্ৰতিভাৰ স্ফুৰণ দেখা যায়। আগতে তিনি বা চাৰিজনী মিলি ধান বানে লগে লগে গীত আওৰায়। মায়ং অঞ্চল কৃষি প্ৰধান। আদিতেই সকলো ধান আদি শস্য ঢেঁকীত খুন্দিছিল সেয়ে ঢেঁকীশালত গীত বা ধান বনা গীত কিছুমান প্ৰচলিত আছিল তেনে গীত এটি হৈছে ঃ

*'অ' ধান বানেতি ঐ মলখু নাযায় খয়*
*ঘৰতে আছে বুঢ়া শহুৰ ধান বানেতি ঐ*
*ডলা সৰু চালেনী সৰু খপক খপক পৰে*
*চাউল জাৰি চৰুত বহাও সকলোৰে খায়*
*ধানকনো লুৰি ধৰো লুৰি বঢ়াই চাং*
*লুৰী ধৰো ঢেঁকী ধৰো দিলো ঢেঁকীৰ চাব*
*পেট লৰিল ককাল লৰিল পৰিল ঢেঁকীৰ চাব*
*লুৰি বঢ়ালো চাউল বঢ়ালো*
*পৰিল ঢেঁকীত চাব।'* [১৪২]

ধান বনা কাৰ্যত ব্যৱহৃত বিভিন্ন বাহৰ সামগ্ৰী ডলা, চালনী, খৰাহী, লুৰিবাৰী, ঢেঁকী ইত্যাদিৰ উল্লেখেৰে গীতটিত লোকসমাজৰ ধানবনাৰ এখন সুন্দৰ ছবি অংকন কৰিছে।

**২.৩.৫.২ ধান ৰখা গীত ঃ**

মায়ং অঞ্চল বানপানী প্ৰধান অঞ্চল তাৰোপৰি নিজেই কাষতে লাগি থকা 'পবিতৰা অভয়াৰণ্য' খনৰ আৰু ওচৰতে থকা পাহাৰ আদিৰ জীৱ জন্তুৱে শস্য নষ্ট কৰে। যাৰবাবে ওখ টঙী ঘৰ সাজি ধান, মাহ শস্য আদি ৰাখিবলগীয়া হয়। ওখ টঙী ঘৰত ধান ৰখি থাকোতে চহাপ্ৰাণৰ কণ্ঠৰে বিভিন্ন গীত নিগৰি পৰে। এই গীতসমূহ ধান ৰখা গীত হিচাপে পৰিগণিত হয়। এনে ধান ৰখা গীত হ'ল—

*'হুৰ হুৰ বটা চৰাই মোৰ ধান নাখাবি*
*তোক দিম গোটা কৰাই।'* [১৪৩]

---

১৪২-১৪৩ সংবাদদাত্ৰী, দেৱী, গিৰেমায়, ৰজামায়ং (৫০)

ধান কাটিবৰ সময়ত দাৱনীসকলে একেলগ হৈ ধান কাটে, এনে সময়তো স্বতঃস্ফুৰ্ত ভাৱে। তেওঁলোকৰ মুখেদিও বিভিন্ন গীত ওলায়।

অসমৰ কাৰ্বি সমাজখনত এনেধৰণৰ খেৰকটা গীত কিছুমানো প্ৰচলিত আছে।

*'খেৰ কটাং নাকটং খেৰ বৰঙা*

*ভদাই কুছিৰ ছোৱালীৰ কঁকাল থৰঙা।'* [১৪৪]

গতিকে দেখা যায় ধানবনা, ঢেঁকীশাল, ধানকটা, খেৰকটা আদি কৰ্মক লৈ বিভিন্ন ধৰণৰ গীতমাত লোকসমাজত প্ৰচলিত হৈ আছে। গীতসমূহ লাহে লাহে আধুনিক যন্ত্ৰপাতিৰ প্ৰভাৱত বিলুপ্তিৰ পথলৈ গতি কৰিবলৈ ধৰিছে। শ্ৰমেই লোকসমাজৰ প্ৰাণ; শ্ৰমেই তেওঁলোকৰ জীৱনৰ উৎসাহ-উদ্দীপনা, সেয়ে লোকসমাজৰ মান নিৰ্ণয় কৰে শ্ৰমে।

### ২.৩.৬ নৌকা খন্দা গীত ঃ

কৃষিৰ কাৰ্যত সুকলমে বৰযুণ নমাবৰ বাবে নৌকা খন্দা হয়। খৰাং বতৰ হ'লে গাৱঁৰ ডেকা আৰু বয়সিয়াল লোকসকলে মিলি নৌকা খান্দে অৰ্থাৎ গৃহস্থৰ চোতালখন চিপৰাং বা কোৰ এখন লৈ খান্দি পেলায় তাৰ লগে লগে এটি গীত পৰিবেশন কৰে। এই গীতটিৰ নৌকাখন্দা গীত বোলা হয়। গীতটি প্ৰাচীন কালত দীঘলীয়া আছিল যদিও বৰ্তমান ইয়াৰ এটি সংকুচিত ৰূপ এটিহে পোৱা যায় ঃ

*'অ' হৰি নৌকা*

*ন ভৌকা*

*গুইখা চলিয়ে নৌকা খান্দে*

*বৰযুণ নেদা কিয়া।*

*হিন্দল গছ পইটা, ম'হ মাৰোগৈ ছয়টা।'* [১৪৫]

গীতটিৰ পদ অংশত শিশু নিচুকোৱা গীত 'অফুল অফুল নুফুল কিয়...।' গীতৰ অংশটি লগ লগাই গোৱা হয়। এই গীতটি আৰু অনুষ্ঠানটি বৰ্ত্তমান প্ৰচলিত নোহোৱাৰ

১৪৪ দাস, মুকুলীধৰ ঃ ভৈয়াম কাৰবি লোক পৰম্পৰা আৰু গীতপদ, পৃ. ৭৯
১৪৫ সংবাদদাত্ৰী, দেৱী, নৰেশ্বৰী, ৰজামায়ং (৭০)

বাবে পাহৰণিৰ গৰ্ভত বিলীন হ'ব ধৰিছে। গীতটিত স্থানীয় ভাষাৰ ব্যৱহাৰ উল্লেখযোগ্য বৈশিষ্ট্য। গাঁৱৰ ডেকা সমাজে কোৰ লৈ গোটেই চোতালখন খান্দি পেলায়। দ্ৰাম এটা আৰু কাঠৰে বনোৱা 'হগল' (মায়ঙৰ স্থানীয় ভাষাত) এডাল ওপৰলৈ টানে তাৰ লগত পানী ঢালে লগে লগে শব্দ হয়। এনেদৰে গোটেই চোতালখন খান্দি পেলোৱা হয়। এই কাৰ্যত গৃহস্থৰ খং নুঠে বৰং সহযোগিতাহে কৰে কাৰণ বৰষুণ সকলোৰে কাম্য। মানুহৰ বিশ্বাস এনেদৰে কৰিলে ইন্দ্ৰদেৱতা সন্তুষ্ট হৈ বৰষুণ দিয়ে আৰু কৃষি উৎপাদন বৃদ্ধি হৈ অঞ্চলটো সমৃদ্ধ হয়।

**২.৪ প্ৰেম-প্ৰণয়মূলক গীত-মাত ঃ**

'সাধাৰণতে অনাখৰী গ্ৰাম্যাঞ্চলৰ লোকসকলৰ মাজত ডেকা-গাভৰুৰ যৌৱনসুলভ বিভিন্ন কাৰ্যৰ বৰ্ণনাৰে গীত-মাত প্ৰচলিত হৈ আহিছে। এই গীত-মাত সমূহত প্ৰেম, বিৰহ, মিলৰ, বিচ্ছেদ, আশা-আকাংক্ষা, অৱদমিত যৌন-বাসনাৰ অলেখ চিত্ৰ দেখিবলৈ পোৱা যায়।

মায়ং অঞ্চলত প্ৰাপ্ত এনে কিছুমান গীত-মাত হৈছে— ১) গৰখীয়া গীত বা ম'হ চৰোৱা গীত, ২) লালিলাং গীত।

**২.৪.১ মহগোৱালৰ গীত বা গৰখীয়া গীত ঃ**

গৰখীয়া ল'ৰাবোৰে মহ চাৰোতে বা গৰু চাৰোতে সাধাৰণতে নিজৰ ভিতৰতে আনন্দ-বিনোদন আৰু শ্ৰমৰ দুখ নিবাৰণ কৰিবলৈ গীত-মাত গায়। এই গীতসমূহক মহগোৱালৰ গীত বা গৰখীয়া গীত বুলি কোৱা হয়। মহিলাসকলৰ মাছমৰীয়া গীত বা জাকৈ বোৱা গীতৰ স'তে সাদৃশ্য থকা এই গীতসমূহ এজনে আনজনক নিন্দা কৰিবলৈ বা কাজিয়া কৰিবলৈ গোৱা হয়।

মায়ং অঞ্চলত প্ৰাপ্ত মহ গোৱালৰ গীতসমূহ অশ্লীল বা যৌনগন্ধী শব্দৰ সমাহাৰ দেখা যায়। গৰখীয়া ডেকাৰ উদ্দাম আৰু মুক্ত আনন্দৰ প্ৰকাশ গীতসমূহত বিদ্যমান আদিম কালৰে পৰা সৃষ্টিৰ প্ৰতি মানুহৰ যি অদম্য হেঁপাহ, এই হেঁপাহেই গীতসমূহৰ মাজত মূৰ্ত্ত হৈ উঠিছে। বিহুগীত বা বনগীতৰ সুৰীয়া গীতসমূহৰ মাজৰ যি

প্ৰাণচঞ্চলতা তাক উপলব্ধি কৰিব পাৰি গীতসমূহৰ মাজেৰে ঃ

*'আলিয়ে নেযাবি বালিয়ে বিন্ধিব*
*দবলে নেযাবি বোকা*
*ম'হৰ গোৱাল ককাইটিক*
*জোকাই নলবি*
*মুখতে মাৰি দিম বোকা।'* [১৪৬]

মায়ং অঞ্চলত বৰ্ত্তমান লুপ্তপ্ৰায় এই গীতসমূহত থকা অশ্লীল শব্দৰ পয়োভৰে হয়তো গীতসমূহক ক্ৰমে বিলুপ্তিৰ পথলৈ অগ্ৰসৰ হোৱাত সহায় কৰিছে আন এটি গীত এনেধৰণৰ—

*'ঔ লবাহ'ত জাৰু খৰি*
*লুৰুংগৈ ব'ল।*
*জাৰু খৰি লুৰুংটে*
*কঁকালটো ভাগিলে*
*জৰা দিয়া গাঙলৈ যাং...।'* [১৪৭]

ম'হ গোৱালক জোকাই গোৱা এই গীতসমূহে গৰখীয়া সমাজত নিৰ্দোষ আনন্দৰ জোৱাৰ আনে। ই এহাতে শ্ৰমৰ কষ্ট লাঘৱ কৰে, অন্যহাতে নিৰ্দোষ আনন্দৰ সৃষ্টি কৰে।

প্ৰেম আৰু যৌনতাসৰ্বস্ব এই গীত সমূহত কৃষিজীৱি সমাজখনত সংঘটিত অবৈধ কৰ্মৰো আভাস পোৱা যায়। গৰু-মহ চৰিবলৈ যাঁওতে মুকলি আকাশৰ তলত প্ৰকৃতিৰ নিৰিবিলি পৰিবেশত আপোনমনে গোৱা এই গীতসমূহৰ মাজত সেয়ে উদ্দাম যৌৱনৰ অসংযত শব্দাৱলীৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়।

**২.৪.২ লালিলাং গীত ঃ**

লালিলাং গীত সম্পৰ্কে 'কৰ্ম-বিষয়ক গীত'ৰ অন্তৰ্গত 'মাছমৰা গীত'ৰ সৈতে আলোচনা কৰা হৈছে।

---

১৪৬-১৪৭ সংবাদদাত্ৰী, ডেকা, গোলাপী, হাতীমূৰীয়া (৫৫)

## ২.৫ শিশুৰ সৈতে জড়িত গীত-মাত ঃ

শিশুক টোপনি নিয়াবলৈ, কান্দিথকা শিশুক জিত কৰাবলৈ, বিভিন্ন সাধুকথাৰ গীতৰে মন মুহিবলৈ আৰু খেল-ধেমালিৰ সৈতে জড়িত বিভিন্ন গীতমাত পোৱা যায়। এনে গীত মাত কিছুমান হৈছে— (১) শিশুক টোপনি নিওৱা গীত, (২) নিচুকনি গীত, (৩) খেলা-ধূলাৰসৈতে জড়িত গীত, (৪) সাধুকথাৰসৈতে জড়িত গীত। মায়ং অঞ্চলত প্ৰাপ্ত এনে কিছুমান গীত হৈছে—

### ২.৫.১ শিশুক টোপনি নিওৱা গীত ঃ

শিশুক টোপনিৰ কোলাত আশ্ৰয় ল'বলৈ বিভিন্ন সাধুকথাৰ উপৰিও গীতমাত গোৱা হয়। গীতবোৰ সাধাৰণতে ছন্দোবদ্ধ বা লয়যুক্ত আৰু সুৰৰে সমৃদ্ধ। প্ৰাত্যহিক জীৱনত পৰিশ্ৰমশীল মাক বা আইতাকহঁতে বিভিন্ন গীতমাত পৰিবেশন কৰি সৰু ল'ৰা ছোৱালীক টোপনি নিয়াবলগীয়া হয়। এই গীতসমূহ শুনাৰ লগে লগে কল্পনা প্ৰৱণ শিশু মনত এহাতে ভয়ৰ উদ্ৰেক ঘটে আনহাতে সুদূৰ প্ৰসাৰী কল্পনাই প্ৰাণ পাই উঠে। এনে অৱস্থা তথা লেনিয়াই গোৱা সুৰে শিশুৰ ক্ষন্তেকতে টোপনি নিয়ায়। সময়ৰ লগে লগে মানুহৰ জীৱনলৈ পৰিৱৰ্ত্তন আহে কিন্তু একেদৰে জন্ম পায় বিস্ময় আৰু কৌতুহলেৰে ভৰা মনৰ। এই বিস্ময় আৰু কৌতুহল নিবাৰণৰ বাবেই মাকে নিচুকণি গীতৰ মাজেৰে জগতখনৰ পৰিচয় দিবলৈ যত্ন কৰে। নিচুকনি গীতবোৰৰ কিছুমান বৈশিষ্ট্য আছে। সেইবোৰ হ'ল— (১) শিশুহঁতক নিচুকাবৰ বাবে এই গীত সমূহৰ সৃষ্টি (২) শিশুহঁতক কেন্দ্ৰ কৰিয়েই এই গীতবোৰৰ সৃষ্টি হয়। (৩) দৰ্শন, ধৰ্ম, ৰাজনীতি আদি বিষয় শিশুমনৰ গ্ৰহণযোগ্য নোহোৱাৰ বাবে এনে বিষয় নিচুকনি গীতৰ অন্তৰ্ভূক্ত নহয়। (৪) সহজ সৰল ভাষাৰ প্ৰয়োগ ইয়াৰ অন্যতম বৈশিষ্ট (৫) অঞ্চলভেদে কিছু সুকীয়া ৰূপ লোৱা দেখা যায় (৬) শিশুমনৰ কল্পনা কিমান কৌতুহ'লে নিচুকনি গীতৰ বিষয়বস্তু (৭) যি পৰিবেশত শিশু ডাঙৰ হয় তাৰ পৰিচয় আৰু পৰিবেশৰ কৌতুহ'ল উদ্দীপক অভিজ্ঞতাৰ বৰ্ণনা নিচুকনি, গীতবোৰৰ ঘাই উপজীব্য।

এনেদৰে দেখা যায় গীতসমূহ লোকসাহিত্যৰ অমূল্য সম্পদ। ক'ব পৰা যায় যে ই জ্ঞানৰ সাহিত্য নহয় কিন্তু প্ৰাণ উদ্বেলিত কৰাত ই প্ৰচুৰ পৰিমাণৰ বৰঙণি

আগবঢ়াব পাৰে ঃ

*‘ককলং ককিলা পকা জলকীয়া*
*মাৰে নৰকী বাপেৰ নৰকী*
*আঘোণত নিদিলা বিয়া।’* [১৪৮]

সেইদৰে প্ৰেম-প্ৰীতিৰ আভাষ নিচুকনি গীতৰ মাজেদি দেখিবলৈ পোৱা যায়ঃ

*‘বাৰীতে আছে খেৰত পুজি*
*তাতেথৈ আহিছো তামোল-পাণ গুজি*
*নেযায় নেযায় চলিটো টোপনি নেযায়*
*বাৰীতে আছে বৰকচুপাত*
*তাকেলৈ মূৰতে এখন্তেক থাক*
*নেযায় নেযায় চলিটো টোপনি নেযায়।’* [১৪৯]

সেইদৰে বেছিকৈ কান্দিলে শিশুক টান সুৰত কথা শুনাবলগীয়া হয় ঃ

*‘খিতিক চৰাই, বাপেৰে আনিবৌ মণি গঢ়াই*
*মাৰে পিন্ধিবৌ ডিঙি ভৰাই*
*তই ফুৰিবি পিছে পিছে কান্দি*
*মাৰে নিবৌ ডিঙিত গাঠি।’* [১৫০]

আগদিনাৰে অনাহাৰে থকা শিশুক আইতাকৰ নিচুকনি ঃ

*‘লাই হালে জালে আবেলি বতাহ*
*লফা হালে জালে পাত*
*আমাৰে মইনা টোপনি ধৰিছে*
*কালি দুপৰীয়াৰে ভাত।’* [১৫১]

কল্পনা ৰাজ্যত বিচৰণ কৰা শিশুমনে কথাত যুক্তি আৰু সামঞ্জস্য নিবিচাৰে।

---

১৪৮-১৪৯ সংবাদদাত্ৰী, দেৱী, ৰাধিকা, ৰজামায়ং (৭৫)
১৫০ সংবাদদাত্ৰী, বিষয়া, ভদ্ৰা, হাতীমূৰীয়া (৮০)
১৫১ সংবাদদাত্ৰী, দেৱী, ভানুমতী, ৰজামায়ং (৬০)

বৰষুণ দিলে তেওঁলোকে আকাশ ফুটি পানী পৰে বুলি ভাবে সেয়ে এই গীতবোৰত যুক্তি আৰু সামঞ্জস্যহীন বহুত কথাৰ বৰ্ণনা পোৱা যায়। ছন্দৰ লালিত্য, সুন্দৰ কোমল শব্দচয়ন, কল্পনাশক্তিৰ অসামান্য বিকাশ আৰু কথ্য প্ৰয়োগে গীতসমূহে শিশুমন সাহস সঞ্চৰ কৰাত সহায় কৰে।

## ২.৫.২ নিচুকনিগীত ঃ

কান্দি থকা শিশুক জিত কৰিবলৈ বা ওমলাবলৈ গোৱা গীতসমূহক নিচুকনি গীত বোলা হয়। 'এইবিধ প্ৰায়ে সংখ্যাবাচক, খেয়ালী ভাব বিশিষ্ট, পাৰস্পৰিক সংগতি বিহীন আৰু যুক্তি বিহীন। এই জাতীয় গীতৰ লগত কাৰ্য বা আচৰণ জড়িত হৈ থাকে। কেতিয়াবা কেতিয়াবা গায়িকাই গীতৰ লগতে নিৰ্বাক অভিনয়ো কৰি দেখুৱায়।'[১৫২] নিচুকনি গীতসমূহক দুটা ভাগত ভাগ কৰিব পাৰি

(১) শিশু নিচুকোৱা আৰু (২) ল'ৰা ওমলোৱা নাম।

কান্দি থকা শিশুক নিচুকাবলৈ বা ওমলাবলৈ অতি স্বৰেৰে এই গীতসমূহ গোৱা হয়। মায়ং অঞ্চলত প্ৰাপ্ত নিচুকনী গীতসমূহৰ মাজত লোক ভাষাৰ ব্যৱহাৰ, অনুস্বৰৰ সঘন প্ৰয়োগে গীতবোৰ শ্ৰুতিমধুৰ কৰা পৰিলক্ষিত হয়।

শিশুক নিচুকাবলৈ ব্যৱহাৰ কৰা এনে গীত হৈছে ঃ

*'আমাৰ বুদু এইচা*
*খুজি আনে পইচা*
*আমাৰ বুদু কোলা*
*খুজি আনে চোলা*
*বুদু নাচে বুদুনাচে না*
*পইচা পাবি পাচ অনা*
*চাং বুঢ়ী চাং*
*চালনীত মাছ নাই*

১৫২ শৰ্মা, নবীনচন্দ্ৰ ঃ লোকসংস্কৃতি, পৃ. ৭২

*বোন্দাকো বাং।'* [১৫৩]

গীতটিৰ ভাব আৰু ভাষাৰ অসংলগ্নতা পৰিলক্ষিত হয়। কেৱল শিশুক নিচুকাবৰ বাবে শব্দ প্ৰয়োগ কৰা বুলিব পাৰি। আন এটি গীত এনেধৰণৰ ঃ

*'ধেইদাং মালী*
*বান্দৰৰ পোৱালী*
*কলিকতা বামুনক নেদুং ছোৱালী*
*ধেউদাং খটক*
*হিলে লৈ গ'ল চতক*
*ধুবুৰী গ'ল উজাই*
*চাবিতক দিলে বুজায়*
*লগত গৈছিল চৰত*
*দন লাগিছি ঘৰত*
*মণ্ডলৰ ঘৰৰ ডাঙৰ কটাৰী বেৰী*
*বিহুবাৰী লৈ গ'ল*
*জাকৈয়া ঘৰৰ কেৰী।'* [১৫৪]

গীতটিত ছন্দমিলে এক সুৰীয়া ভাবৰ সৃষ্টি কৰিছে।

*'ডাঙৰ বৌ ধুন্দুলী পাৰি দি খাং*
*সৰু বৌ ধুন্দুলী পাৰি দি খাং*
*ধুন্দুলি পাৰংকে কঁকালটো ভাঙিলে*
*যোৰা দিয়া গাঙলৈ যাং*
*ডাঙৰ বৌ নেযাং বুলিলে*
*সৰু বৌ মনটো কেযেং কৰিলে*
*চহতন ফকতীয়া*
*বগীদল বৰতীয়া*

১৫৩-১৫৪ সংবাদদাত্ৰী, দেৱী, ভদ্ৰেশ্বৰী, বৰুৱাচুবা (৬৫)

*হাত ভৰি আনি ছোৱালী আনিদেং*

*তেওঁ তই ন পতিয়া।'* [১৫৫]

এনেধৰণৰ অলেখ নিচুকনী গীত বৰ্ত্তমানো মায়ং অঞ্চলত প্ৰচলিত হৈ আছে।

**২.৫.৩. খেল ধেমালিৰ গীত ঃ**

প্ৰত্যেক জাতিৰে শিশু আৰু কিশোৰৰ কিছুমান খেল-ধেমালিৰ গীত আছে। খেলত হ্ৰা-জিকা আছে। হাৰিলে নিৰানন্দ আৰু জিকিলে আনন্দৰ প্ৰকাশ ঘটে। এই আনন্দৰ উল্লাসেই গীতলৈ পৰিবৰ্ত্তিত হয়।

লোক-সমাজ দুখকষ্ট, অপায়-অমংগল, শোষণ-নিপীড়ন-নিস্পেষণত ভাৰাক্ৰান্ত হ'লেও দুখ বেদনাবোৰ খন্তেকীয়া। শিলাবৃষ্টি ধুমুহা বিধস্ত প্ৰকৃতি যিদৰে খন্তেক পিছতে ৰ'দৰ দ্বাৰা বিধৌত হৈ স্থিতাৱস্থা লাভ কৰে সেইদৰে লোকসমাজতো দুখ-যন্ত্ৰণা সাময়িক। শিশুৰ মনস্তাত্ত্বিক দিশত ৰচিত ল'ৰা ধেমালিৰ গীতবোৰ লোকসাহিত্যৰ আপুৰুগীয়া সম্পদ। কথাগুৰুচৰিতত সৰু ল'ৰাৰ খেলধেমালি হিচাপে ঢোপ খেল, ভটা, ঘিলা, চোৰ, ডুগ, বাঘ, ছাগ আদি খেলৰ উল্লেখ আছে।[১৫৬] শিশু ডাঙৰ হৈ অহাৰ লগে লগে তেওঁলোকক খেল ধেমালিৰ প্ৰয়োজন হয়। আপোন মনে জপিয়াই, ডেউ দি বিভিন্ন খেল খেলিবলৈ আৰম্ভ কৰে। চৌপাশৰ পৰিবেশৰপৰা শিশুৱে অনুকৰণ কৰিবলৈ শিকে। তাৰ লগে লগে গাই খেলিবলৈ ভাল পায়। এনেদৰেই শিশুৰ মুখৰ অস্পষ্ট শব্দ, বাক্যৰীতিৰে কিছুমান গীতৰ সৃষ্টি হয়। এই গীতবোৰৰ তাল, মান, ছন্দ নিশকতীয়া নহয়। 'গীত লয় বা ছন্দ স্পন্দ আছে[১৫৭] সেইটোৱেই ইয়াৰ প্ৰমাণ এনে গীত কিছুমান হৈছে ঃ

**কপৌ খেলৰ গীত ঃ**

*'কাউৰী কাকা খুদুচাউল খা খা*

*বোকা আছে পানী আছে কেনেকৈ যাম*

*বেঙেনা গছত কাপোৰ থৈ*

---

১৫৫ সংবাদদাত্ৰী, দেৱী, ভদ্ৰেশ্বৰী, বৰুৱাচুবা (৬৫)

১৫৬ দাস, দিগম্বৰ ঃ বৰপেটাৰ বুৰঞ্জী, পৃ. ১৬৫

১৫৭ গগৈ, লীলা ঃ অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা, পৃ. ৬২

*উইচ উইচকৈ আহ।'* [১৫৮]

**কচুগুটি খেলৰ গীত ঃ**

*'অলৌ গুটি তলৌ গুটি*
*কচুপাতৰ ঘাই*
*যিটো হাতত আঙঠি*
*সেইটো হাতত পায়।'* [১৫৯]

**গুডুখেলৰ গীত ঃ**

*'এতলা দুতলা তিনিতলা*
*পুলিচ থাকে চাৰিতলা*
*পুলিচৰ হাতত লাম্বা লাঠি*
*ভয় কৰে কংগ্ৰেছ পাৰ্টি।'* [১৬০]

**আঙুলিখেলাৰ গীত ঃ**

*'উবু উবু উবুলি, কৃষ্ণই অনা পাচলি*
*ধূপ ধুনা পৰ্যন্ত সত্য বুলি কাণত ধৰ।'* [১৬১]

খেলধেমালিয়ে শিশুৰ সুষ্ঠ মানসিকতা গঢ় দিয়াত সহায় কৰে। বৰ্ত্তমান যুগত খেল ধেমালি সলনি হৈছে যাৰ বাবে খেল-ধেমালিবোৰৰ বিলুপ্তিৰ লগে লগে গীতমাত সমূহো লুপ্ত হ'ব ধৰিছে।

**২.৫.৪ সাধুকথাৰ গীত ঃ**

সাধুকথাবোৰৰ মাজত বিভিন্ন ধৰণৰ গীতমাত ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। এই গীতসমূহত সাধুকথাৰ কথনভংগী বেছি শুৱলা কৰিবলৈ লগতে বৰ্ণনীয় বিষয়ক অধিক জীৱন্ত আৰু আকৰ্ষণীয় কৰি তুলিবলৈ গীতসমূহ ব্যৱহাৰ কৰা হয়। কমলাকুঁৱৰী, তেজীমলা, পানেশৈ, তুলা আৰু তেজা আদি সাধুসমূহৰ মাজত কিছুমান গীত জড়িত হৈ আছে। গীতসমূহ প্ৰাণস্পৰ্শী মায়ং অঞ্চলৰ বিভিন্ন সাধুকথাৰ মাজতো এনে

---

১৫৮-১৬১ সংবাদদাত্ৰী, দেৱী, ধৰিত্ৰী, ৰজামায়ং (২৫)

গীতসমূহ ব্যৱহাৰ কৰা হয়। সাধুকথাত মানুহৰ লগতে গছ-লতা, তৰু-তৃণ, জীৱ-জন্তু, চৰাই-চিৰিকতি সকলোৱে গীত গাব পাৰে। সাধুৱে সাধাৰণতে শিশুক আনন্দ দান দিয়াৰ লগতে শিশু মনস্তত্ব সুদৃঢ় কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লয়। গীতমাতৰ প্ৰয়োগ কৰা হয়। এনে কিছুমান গীত হ'ল ঃ

*'হাতো নেমেলিবি ফুলো নিচিঙিবি*
*ক'ৰে নাৱৰীয়া তই*
*পাট কাপোৰৰ লগতে মাহী আই খুন্দিলে*
*তেজীমলাহে মই।'* [১৬২]

গীতটি তেজীমলা সাধুটোৰ অন্তৰ্গত। সেইদৰে কমলা সুন্দৰীৰ সাধুৰ গীত ঃ

*'কমলা কুঁৱৰী মোৰে প্ৰাণেশ্বৰী*
*পানী বা কিমান হ'ল*
*অতি হেঁপাহৰ বঙহৰ দেউ মোৰ*
*পানী যে একাঠু হ'ল।'* [১৬৩]

সেইদৰে 'বুঢ়া আৰু শিয়াল' বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধুৰ' উক্ত নামৰ সাধুটোৰ গীত পোৱা গৈছে। গীতটি এনেধৰণৰ ঃ

*'ডেকা ৰজা বোপা এ*
*বুঢ়া মৰিছি খাইহা অ'* [১৬৪]

এনেদৰে দেখা যায় যে কথনভংগীৰ আকৰ্ষণ বঢ়াবলৈ, জীৱনত কল্পচিত্ৰ শিশুৰ অংকন কৰিবলৈ, মনোগ্ৰাহী কৰি শিশুৰ মনত স্থায়ী ৰূপ অংকন কৰিবলৈ লগতে সাধুৰ প্ৰচলন কৰা হয়।

এই সাধুকথাৰ গীতসমূহে আনন্দ বিনোদন কৰি শিশুমনত স্থায়ী সাঁচ বহুৱাই চৰিত্ৰসমূহ জীৱন্ত ৰূপত শিশুমনত উদ্ভাসিত হৈ ধৰা পৰে যাৰ ফলত শিশুমনে

---

১৬২ সংবাদদাত্ৰী, দেৱী, ধৰিত্ৰী, ৰজামায়ং (২৫)
১৬৩ সংবাদদাত্ৰী, দেৱী, ৰাধিকা, ৰজামায়ং (৭৫)
১৬৪ সংবাদদাত্ৰী, দেৱী, ভানুমতী, ৰজামায়ং (৬০)

সেইবোৰৰ মাজেদি প্ৰছন্ন হৈ থকা নৈতিকতা, আদৰ্শ ইত্যাদিবোৰ সহজভাৱে গ্ৰহণ কৰে।

**২.৬ হাস্যব্যঙ্গ বা ধেমেলীয়া গীত ঃ**

লোকসমাজত আনন্দ বিনোদনৰ উদ্দেশ্যে বহুসংখ্যক গীতমাত প্ৰচলিত হৈ আহিছে। এই গীতমাতসমূহে লোকসকলক অনাবিল আনন্দৰ সাগৰত বুৰ মৰাইছিল। সৰু শিশুক বহুৱাবৰ বাবেও এনে গীতমাত প্ৰচলিত হৈছিল। শিশুৰ বাহিৰেও বয়স্ক বা ডেকাসকলৰ আনন্দৰ বাবেও বহু ধেমেলীয়া গীতৰ সৃষ্টি হৈ আহিছে। মৃত্যু মানুহৰ এক কৰুণ সত্য কিন্তু এই কৰুণ সত্যক লৈও বিভিন্ন ধেমেলীয়া গীত লোকসমাজত প্ৰচলিত আছে। ডেকা, গাভৰু, মহিলা, পুৰুষ সকলোৰে সুকীয়া সুকীয়াকৈ জুম বান্ধিও কিছুমান গীত-মাত পৰিবেশন কৰিছিল। এনেগীতবোৰ কিছুপৰিমানে গ্ৰাম্যদোষদুষ্ট। এইগীতবোৰক বহুতে 'গৰখীয়া গীত'ৰ শ্ৰেণীত ভাগ কৰিছে। এনে কিছুমান ধেমেলীয়া গীত হৈছে ঃ

*'পেহী ঐ পেহা টেকেলী পেটা গোবিন্দ*
*জাল মাৰোংগৈ আহ*
*বেঞ্জাৰ ঘাটে লাঙীজাল পাতে*
*পাহেপতি পাহেপতি কুৰাই মাছ লাগে।'*[১৬৫]

*'অ লেলেপাং লেলেপাং*
*মানুহ মৰিলি ভালেপাং*
*পিঠাগুৰি খাবা পাং।'*[১৬৬]

*'এখিলা দুখিলা পকা পাণ*
*কুনি মইচ্ছি চাবা যাং।'*[১৬৭]

কিছুমান ধেমেলীয়া গীত বিহুসুৰত গোৱা হয় ঃ

*'চাঙ তলৰ ভেকুলী*

---

১৬৫-১৬৭ সংবাদদাত্ৰী, দেৱী, ৰাধিকা, ৰজামায়ং (৭৫)

*ওলাই আহা পেটুলী*
*হাতত দহ টকা লৈ ঐ গোবিন্দাই ৰাম।'* [১৬৮]

*'ৰাম জুনা জুনা*
*হৰি জুনা জুনা*
*বিৰিণাপাতে* কাটে*
*কিমান শুনা শুনা।'* [১৬৯]

আনন্দ বিনোদন বা মনোৰঞ্জনেই এই গীতসমূহৰ মূল উপজীব্য। চহাপ্ৰাণে জীৱনৰ কঠিন শ্ৰমৰপৰা ক্ষন্তেকৰ বাবে সকাহ ল'বলৈ এই গীতবোৰৰ সৃষ্টি কৰি লৈছিল। নিৰ্দোষ হাঁহি আদিয়ে দৈহিক আৰু মানসিক স্বাস্থ্যৰ উন্নতি কৰিব পাৰে। সেয়ে এই ধেমেলীয়া গীতসমূহৰ সৃষ্টি হোৱা দেখা যায়।

**২.৭ তত্বপূৰ্ণ লোকগীত ঃ**

অসমৰ বিভিন্ন অঞ্চলত কিছুমান তত্বপূৰ্ণ লোকগীতৰ প্ৰচলন আছে। এই গীত সমূহৰ মাজত মানৱ জীৱন ক্ষণভংগুৰ, ভগৱানৰ নামহে সাৰ ইত্যাদি জীৱন দৰ্শন প্ৰতীকৰ মাজেদি প্ৰকাশ কৰা দেখা যায়। টোকাৰী বাঁহী, হাতচাপৰি আদিৰ সহযোগত পৰিবেশিত এই গীত সমূহৰ সুৰ কৰুণ আৰু আনন্দদায়ক। এনে কিছুমান গীত হৈছে (১) দেহবিচাৰ গীত, (২) দেহতত্বৰ গীত, (৩) জিকিৰ গীত, (৪) জাৰী গীত।

**২.৭.১ দেহবিচাৰৰ গীত ঃ**

মানৱদেহ ৰহস্যময় আৰু ক্ষণভংগুৰ। ৰহস্যময় মানৱদেহ স্বভাৱ কবিৰো কৌতুহলৰ বিষয়। দেহবিচাৰৰ গীত দেহতত্বৰো বিচাৰ। 'দেহবিচাৰৰ গীত বিলাক যদিও সকলোৰে মাজতে প্ৰিয় আৰু বিশেষতে মাধৱৰ ভনিতা থকাৰ বাবে বৈষ্ণৱ আৰু আদৰৰ সম্পদৰ দৰে। এওঁলোকৰ অনেকে কিন্তু শংকৰ-মাধৱৰ বা গোপল শ্ৰীৰাম আতা আদিৰ নাম লয় বা সিসকলৰ ভণিতা দিয়া গীত-মাত ব্যৱহাৰ কৰে। এওঁলোকৰ সাহিত্য আৰু দৰ্শনত শংকৰদেৱৰ 'অনাদি পাতন'ৰ প্ৰভাৱ গুৰুত্বপূৰ্ণ। কৃষ্ণ নন্দ দ্বিজৰ 'পূৰ্ণ

১৬৮-১৬৯ সংবাদদাত্ৰী, বিষয়া, ভদ্ৰা, হাতীমূৰীয়া (৮০)

ভাগৱত' অজ্ঞাত কবিৰ গুপ্তমণিৰ কৃষ্ণাচাৰ্যৰ দ্বিজৰ 'ভৱিষ্য সংগ্ৰহ', কবিশেখৰৰ বৈষ্ণৱ পুৰাণ আদিত এওঁলোকৰ আচাৰ আৰু চিন্তাধাৰাৰ পৰিচয় পোৱা যায়। তেওঁলোকৰ সৃষ্টি তত্বত পিণ্ড ব্ৰহ্মাণ্ডৰ ধাৰণা সাধনাত শৰীৰ তত্বত পিণ্ড ব্ৰহ্মাণ্ডৰ ধাৰণা সাধনাত শৰীৰতত্বৰ প্ৰাধান্য ঘাই লক্ষণ।'[১৭০]

মায়ং অঞ্চলত টোকাৰী আদি বাদ্যযন্ত্ৰ লৈ 'বৈঠকী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। কোনো মানুহৰ ঘৰত গধূলি পৰত এই বৈঠকী অনুষ্ঠান হয়। এই অনুষ্ঠানত দেহবিচাৰৰ গীতসমূহ গোৱা হয় লগতে বাদ্যযন্ত্ৰও সংগত কৰা হয়। দেহৰ ক্ষণস্থায়িত্ব, আত্মাৰ অবিনশ্বৰতা, কাম-ক্ৰোধ-লোভ মোহ আদিৰ প্ৰভাৱ, মানেই সুখ-দুখৰ মূল আদিয়েই দেহবিচাৰৰ গীতৰ বিষয়বস্তু। প্ৰতীকৰ সহায়েৰে দেহৰ বিভিন্ন তত্বৰ বৰ্ণনা এই গীত সমূহৰ বিশেষ বৈশিষ্ট্য। অঞ্চলত প্ৰাপ্ত এনে কিছুমান দেহবিচাৰৰ গীত হৈছে ঃ

*'এনে সুন্দৰ দেহা উয়ে তোলে মাটি*
*পাৰে পাৰে খহি পৰে শৰীৰৰে গাঁঠি*
*জীৱটো নাযাওতেই টানি বাহিৰ কৰে*
*ঘৰ চুৱা যাব বুলি তুলসী তলতে থ'লে।*
*পানীৰে ভুমুকাজল পানীতে শুকালে*
*হাড়ে ঠুনুকা দেহা তেওঁ কৰে কাম*
*জানিও নাজান নাই তত্বজ্ঞান*
*মায়ামোহে পৰি বৈলা হৰাইলা চেতন*
*এনে সুন্দৰ দেহা ...।'*[১৭১]

জীয়াই থকা দিনত সকলোৰে আদৰৰ হ'লেও মৃত্যুৰ সময়ত টানি বাহিৰ কৰি তুলসী তলত থোৱাৰ দৃশ্য অত্যন্ত কৰুণ।

*'জীৱন সোণোৱালী যেন নৈৰে বালি*
*চিৰদিন নাথাকে বৈ, জয় গোবিন্দাই ৰাম।*

---

১৭০ নেওগ, মহেশ্বৰ ঃ অসমীয়া গীতি সাহিত্য, পৃ. ৩৩
১৭১ সংবাদদাত্ৰী, লহকৰ, প্ৰমীলা, বৰদিয়া (৬০)

*ক'ৰবাত মৰণ ঐ অতিথি জীৱন*

*যেন কচুপাতৰ পানী।'* ১৭২

'মানৱ দেহ ক্ষণভংগুৰ' এই চিৰন্তন সত্যক নৌকা, নাও, বঠা কাণ্ডাৰী, চৈ আদি নদী সম্বন্ধীয় বিভিন্ন শব্দৰে বুজাই মানৱদেহ সম্পৰ্কীয় সকলোবোৰ বিষয়ৰ বৰ্ণনাই স্বভাৱ কবিৰ উদ্দেশ্যে ঃ

*'সুকাঠী কাঠৰ নৌকা নিবিন্ধিলে ঘ্ৰাণ*

*তলত গ'লে নৰ-নৌকা নুঠে চিৰদিন।*

*আগো নাই গুৰি নাই অ' দেহা মধ্যত নাই চৈ*

*গুৰিত কাণ্ডাৰী নাই অ দেহা নৌকা ঘূৰি ফুৰে।*

*পৰুৱা পিপৰে অ দেহা খান্দি তোলে মাটি*

*জোৰাই জোৰাই খহি পৰে শৰীৰৰে গাঁঠি।'*১৭৩

কিছুমান দেহবিচাৰৰ গীত ফকৰাৰ আৰ্হিত ৰচিত ভাৰতীয় ঠাচত ৰচিত এই গীতসমূহৰে উদ্দেশ্যে একেটাই ক্ষণভংগুৰ মানৱ দেহৰ চিত্ৰণ ঃ

*'কচুতে কটাৰী ভাঙিলে নাৰায়ণে*

*লোহাত বিন্ধিলে ঘূণে*

*পচা শৰীৰতে ভোমোৰাই বিন্ধিলে*

*ঢোকা দি ৰাখিব কোনে।'* ১৭৪

সময় বা কালৰ হাতত সকলো লয় হৈ যায়। সময়ৰ আহ্বান সকলোৱে শুনিবলৈ বাধ্য। গতিকে সময় শেষ হৈ আহিলে সকলোৱে বিদায় মাগিব লাগিব ঃ

*'পাৰ নাই বালিতে পৰুৱাই নবহে*

*তেলনাই নজ্বলে চাকি*

*আজি গোঁসাই ঘৰত গোঁসাই নাই এতিয়া*

*নুপুৰাই কালিন্দী ৰাতি।'* ১৭৫

---

১৭২ সংবাদদাত্ৰী, লহকৰ, প্ৰমীলা, বৰদিয়া (৬০)

১৭৩-১৭৪ সংবাদদাত্ৰী, দেৱী, অনিমা, ৰজামায়ং (৪০)

১৭৫ সংবাদদাত্ৰী, দেৱী, মামণি, ৰজামায়ং (৪৭)

গোটেই জীৱন ঘৰখনৰ বাবে কৰ্ম কৰিলেও মৃত্যুৰ সময়ত সাৰথি কেৱল ঘৰৰ কাষৰ জাতি বাঁহজুপি। পত্নী পুত্ৰ সকলোৱে মৃত্যুৰ সময়ত কান্দিলেও মানুহ কিন্তু অকলশৰীয়া। এই চিৰন্তনসত্য প্ৰকাশ পাইছে দেহবিচাৰ গীতৰ মাজত ঃ

*'ঘৰৰে কাষৰে জাতিবাহ এজুপি*
*সিও মোৰ সোদৰৰ ভাই*
*জীয়াই থাকোতে মই কৰো কাঠি কামি*
*মৰিলে লগতে যায়।*
*আই কান্দে কান্দে পুতাই*
*বইনি কান্দে ভাই*
*পাটিতে ভাৰ্যাই কান্দিব লাগিছে*
*মোৰ স্বামী কলৈনো যায়।'* [১৭৬]

দেখা যায় দেহবিচাৰ গীতসমূহৰ মাজেদি ফুটি উঠিছে সময় সচেতনতা। যিমানেই সুন্দৰ নহওক এই দেহ ক্ষণভংগৰ সময়ত সোঁতত উটি ভাহি যাবই। বৃদ্ধাৱস্থা পোৱাৰ লগে লগে মানৱ দেহৰ দৈহিক পৰিবৰ্ত্তনৰ ছবিয়ে মনৰ ভিতৰতো প্ৰভাৱ পেলায় আৰু এটা সময়ত মানুহে উপলব্ধি কৰে যে জীয়াই থকাৰ দিনবোৰ তেনেই ক্ষন্তেকীয়া। এই উপলব্ধিয়েই হয়তো দেহবিচাৰ গীত ৰচনাৰ মূল প্ৰেৰণা।

দেহবিচাৰ গীতসমূহৰ কিছুমান বৈশিষ্ট্য চকুত পৰে যিবোৰ বংগদেশৰ বাউল গীতৰ লগত সাদৃশ্যধৰ্মী বুলি কোনো কোনো পণ্ডিতে ক'ব বিচাৰে।[১৭৭] বিশেষকৈ ইয়াৰ ৰহস্যময় ভাষা, জাতিধৰ্ম নিৰ্বিশেষে সকলোৱে একেলগে এজন বা বহুজনে একেলগে গায়। দোতাৰা আদি বাদ্যযন্ত্ৰৰ ব্যৱহাৰ, আধ্যাত্মিক চিন্তাই মূল লক্ষ্য, মানৱদেহেই সাধনাৰ ভিত্তি আদি বৈশিষ্ট্য দেহবিচাৰ গীতসমূহত দেখা দেখা যায়।

এই গীতৰ সৃষ্টিত চৰ্যাপদসমূহৰো অৱদান আছে। চৰ্যাপদৰ সন্ধ্যা ভাষাৰ দৰে এই গীতসমূহৰ ভাব-ভাষাও কিছুপৰিমাণে ৰহস্যময়, ছাঁৰে আৱৰা। দেহ-সাধনৰ গীত

---

১৭৬ সংবাদদাত্ৰী, লহকৰ, প্ৰমীলা, বৰদিয়া (৬০)
১৭৭ শৰ্মা, শশী ঃ অসমৰ লোকসাহিত্য, পৃ. ১৯৫

হিচাপে চৰ্যা গীতবোৰৰো ওখ স্থান আছে।

দেহবিচাৰৰ গীতসমূহৰ কিছুমান গীতত মাধৱদেৱৰ ভণিতা আছে। কিছুমান গীতত আকৌ বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ পুষ্ট ঃ

*'হৰিনাম ল'বলৈ কিয় হেলা কৰা*
*কালে ধৰি আছে তাৰে জয় গোবিন্দাই ৰাম*
*জীৱন সোণোৱালী যেন নৈৰে বালি...।'* [১৭৮]

মায়ং অঞ্চলত দেহবিচাৰ গীতসমূহ বৈঠকী অনুষ্ঠানত গোৱাৰ উপৰিও আয়তী সকলে নামঘৰৰ সমজুৱা নামতো গোৱা দেখিবলৈ পোৱা যায়। বৰ্ত্তমান বৈঠকী আৰু নামঘৰৰ আয়তীসকলৰ মাজত জিয়াই থকা দেহবিচাৰৰ গীতসমূহ শ্ৰুতিমধুৰ আৰু প্ৰাণস্পৰ্শী হোৱা বাবে গীতবোৰৰ আকৰ্ষণ বহুত দিনলৈ থাকিব বুলি আশা কৰিব পাৰি।

**২.৭.২ দেহতত্ত্বৰ গীত ঃ**

দেহতত্ত্বক লৈ ৰচিত মায়ং অঞ্চলত প্ৰাপ্ত এই গীতটিও দেহবিচাৰৰ গীতকেই অন্তৰ্গত বুলিব পাৰি। গীতটি দিহানাম হিচাবে নামত আয়তী সকলে গোৱা দেখিবলৈ পোৱা যায় ঃ

*'একাদশী অমৱশ্যা তিথি পূৰ্ণিমা*
*ঐ কদাচিতো নেযায়বাহা নাৰী জাতি সীমা।*
*প্ৰথমপ্ৰহৰ ৰাতি কৰিলে খেলন*
*দ্বিতীয় প্ৰহৰ ৰাতি সমাধিত যায়*
*তৃতীয় প্ৰহৰ ৰাতি ৰাতুল বৰণ*
*চতুৰ্থ প্ৰহৰ ৰাতি হ'ল ৰসমান*
*পঞ্চৰাতি বদতিকা ৰাতুল বৰণ*
*দহৰাতি দসমানে মাৰেপূৰ্ণ হয়*
*একাদশী অমাৱশ্যা তিথিতে পূৰ্ণিমা*
*কদাচিতো....'* [১৭৯]

১৭৮-১৭৯ সংবাদদাত্ৰী, লহকৰ, প্ৰমীলা, বৰদিয়া (৬০)

গীতটি গৰ্ভত স্থিতি লোৱাৰ পৰা জন্মলৈকে সন্তান ধাৰণৰ চিত্ৰ ফুটি উঠিছে।

## ২.৭.৩ জিকিৰ ঃ

অসমৰ ইছলামধৰ্মী লোকসকলৰ মাজত প্ৰচলিত একশ্ৰেণীৰ লোকগীত হৈছে জিকিৰ গীত 'দেহবিচাৰ গীত'ৰ তত্ত্বপূৰ্ণ দাৰ্শনিক ভাব-চিন্তাৰ দৰে এই গীতসমূহতো মানৱজীৱন ক্ষণভংগুৰতা সাধাৰণ মানুহে পালন কৰিবলগীয়া নীতি-নিয়ম, আত্মাৰ শুদ্ধি, নিৰালন্ধ মন ইত্যাদিৰ বিষয়ে পোৱা যায়। 'জিকিৰবোৰ আজান ফকিৰৰ সৈতে সম্পৃক্ত কৰিবলৈ বিচৰা হৈছে যদিও দৰাচলতে এই গীতবোৰ মৌখিক সৃষ্টিহে।'[১৮০] দেহবিচাৰৰ গীতৰ বিষয়বস্তু প্ৰতীক আদিৰ সৈতে জিকিৰৰ সাদৃশ্য মন কৰিবলগীয়া।

*'চিন্তা হেৰা মোৰ মন আল্লাৰ নামত।*
*পূজো হেৰা মোৰ মন গুৰুৰ পাৱত।।*
*পানী মৰে পিয়াহত অগ্নি মৰে জাৰত।*
*খোদা ৰছুল লুকাই আছে মোমিনৰ আঁৰত।।*
*আস্মানৰ কুটুব তৰা আদমৰ জাত।*
*সজাত ময়না আছে ঘনে লগায় মাত।।'* [১৮১]

ৰহস্যময় প্ৰতীক আৰু জীৱন সম্পৰ্কে গভীৰ ধ্যান-ধাৰণা জিকিৰসমূহৰ মাজত প্ৰত্যক্ষ কৰা যায়।

## ২.৭.৪ জাৰী-গীত ঃ

জাৰী-গীত কাৰবালাৰ কাহিনীকেন্দ্ৰীক 'জাৰীগীতবোৰত স্থান লাভ কৰা হজৰত আলি বিবি ফাতিমা, হাচেন-হুচেন, চহৰ-বাণু আদি ঐতিহাসিক চৰিত্ৰই অসমীয়া সমাজৰ অতিকে চিনাকি চৰিত্ৰস্বৰূপে আত্মপ্ৰকাশ কৰিছে। জাৰী-গীতৰ আকৰ্ষণৰ অন্যতম কাৰণ তাৰ অন্তৰ্নিহিত কৰুণ ৰস।' [১৮২]

**ঘোষা ঃ** *'আল্লাৰ নামে নবীৰ নাম লোৱাহে মোমিন।*

---

১৮০ শৰ্মা, নবীন শৰ্মা ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৬০
১৮১ গোস্বামী, প্ৰফুল্ল দত্ত ঃ অসমীয়া জনসাহিত্য, পৃ. ১০
১৮২ শৰ্মা, নবীনচন্দ্ৰ ঃ লোকসংস্কৃতি, পৃ. ৬১

*লোৱা নাম ৰছুলৰ আল্লা ও আল্লা।'*

পদ ঃ *সোণৰ বটা ভৰি লংচুফাৰি।*

*ৰূপৰ বটা ভৰি পাণ।।*

*তোমাকে বোলো মোল্লাৰে আখু*

*তই খা মোৰ বটাৰ পাণ।।'* [১৮৩]

**২.৮ মন্ত্র লোকগীত ঃ**

মন্ত্র সাধাৰণতে মৌখিক গীত যিবোৰ লোকগীতৰদৰে মন্ত্রসমূহো মানুহৰ মুখে মুখে বাগৰি অহা বহু শতিকাৰ পিছতহে ইবোৰে লিখিত ৰূপ পাইছিল। লোকগীত হ'লেও মন কৰিবলগীয়া বিষয় হ'ল যে কেতবোৰ বিশেষ ব্যক্তিৰ সুখে দুখে বাগৰি আহিছিল। অৰ্থাৎ গুৰুৰ দ্বাৰা শিষ্যলৈ লিপিবদ্ধ হৈছিল।

মন্ত্রবোৰ সাধাৰণতে গীতিধৰ্মী। অথৰ্ববেদত পোৱা যায়—

*'হাতো ৰাজা ক্রিমীনামুৰ্হমযাংস্থপিতৰ্হতঃ।*

*হাতো হতমাতাক্রিমিৰ্হত ভ্রাতা হওস্বসা।।'* [১৮৪]

(আমাৰ প্ৰযুক্ত মন্ত্রোষধিৰ দ্বাৰা ক্রিমিবিলাকৰ ৰজা, মন্ত্রী, মাক, ভায়েক, ভনীয়েকৰ সৈতে সকলো ক্রিমি নাশ হৈছে।)

এইমন্ত্রসমূহ সুৰ লগাই গোৱা হৈছিল। বিভিন্ন সুৰ আদিৰে আবৃত্ত মন্ত্রসমূহত ভিন্‌ভিন্ ৰোগৰ প্ৰতিষেধক আদিৰ বৰ্ণনা পোৱা যায়। অসমীয়া মন্ত্রগীত সমূহো গীতিধৰ্মী। মন্ত্রৰ পংক্তি বোৰ ছন্দোবদ্ধ যদিও ইয়াৰ ব্যতিক্রম নোহোৱা নহয়। অৰ্থাৎ গদ্য পদ্য উভয়তে মন্ত্র পোৱা যায়। মন্ত্রত শব্দক ব্রহ্ম জ্ঞান কৰা হয়। ইয়াত অৰ্থ গৌণ, শব্দহে মুখ্য। কিছুমান মন্ত্র গাওঁতে আপোনাআপুনি একধৰণৰ সুৰ সঞ্চাৰ হয়—

*'ওঁ ছ্রাঁ ছ্রা ছ্রী ছ্রুঁ চু ছৌ ছ্রঃ হিলি হিলি কিলি*

*কিলি মাৰয় মাৰয় প্ৰথয় প্ৰথয় স্তম্ভন স্তম্ভন*

---

১৮৩ মালিক, চৈয়দ আব্দুল; (সম্পা.) ঃ অসমীয়া জিকিৰ আৰু জাৰী, গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৫৮, পৃ. ১৫৮

১৮৪ অথৰ্ববেদ, ষষ্ঠ অনুচ্ছেদ প্ৰথম সূক্ত

*হন হন দহ পচ্ পচ্ মহা মহা কীলয়*

*কীৰয় নাশয় নাশয় অমুকৰ (ৰোগীৰ নাম ধৰি)*

*গাৰ ডাইনী, প্ৰেত, ভূত, যয, যখিনী, বীৰা-বীৰাণী*

*এন। তোৰ পিঠি কৰিম পাৰ, দোহাই চণ্ডীকাৰ,*

*দোহাই মহাদেৱ কালীকাৰ ক্ৰী হুং ফট স্বাহা।'*[১৮৫]

এনেবোৰ মন্ত্ৰ গাওঁতাজনৰ মুখত এক সুৰ সঞ্চাৰ হয়। যিবোৰ সুৰ সাধাৰণতে লোকগীতসমূহত পোৱা যায়। এই সুৰবোৰ বেজ বা বৈদ্য অনুসৰি ভিন্ ভিন্ হোৱা দেখা যায়। বিভিন্ন তাল-মানৰে আবদ্ধ সুৰ নহয়। মন্ত্ৰক আদিম লোকগীত বুলি ক'ব পৰা যায়। মন্ত্ৰও সেইদৰে সৰ্বসাধাৰণ বা লোকজনৰ অসাধাৰণ সৃষ্টি বুলিব পাৰি।

'বেদৰ প্ৰাৰ্থনা মন্ত্ৰবোৰ সুৰ-তাল-স্বৰ সহ আবৃত্তি কৰা হয় বাবে সেইবোৰক গান বা গীত আখ্যা দিয়া হয়। যেনে সামগান। অসমীয়া তুতি মন্ত্ৰবোৰ গীতৰ দৰে গোৱাৰ পৰম্পৰা অতীতৰে পৰা চলি আহিছে।'[১৮৬]

গতিকে ক'ব পৰা যায় যে অতি প্ৰাচীন কালতে মানুহৰ জীৱনৰ নিৰাপত্তাৰ বাবে মন্ত্ৰ লোকগীতসমূহ সৃষ্টি হৈ মানৱ জীৱনৰ কল্যাণৰবাবে ব্যৱহৃত হৈ আহিছে।

**২.৯ কাহিনীগীত বা মালিতা ঃ**

বেলাড বা মালিতা হৈছে বৰ্ণনাত্মক গীত। বেলাড মুখ্যতঃ কাহিনী। এই কাহিনী পদ্যত ৰচিত বেলাড (ballad)ৰ প্ৰধান বৈশিষ্ট্য হৈছে ঃ

(ক) বেলাড বৰ্ণনামূলক অৰ্থাৎ কাহিনী প্ৰধান। (খ) বেলাড সুৰ লগাই গোৱা হয়। (গ) কথাবস্তু, শৈলী আৰু নাম বা আখ্যানৰ ফালৰ পৰা ই লোকসমাজৰ লগত জড়িত। (ঘ) বেলাডত একক ঘটনাৰ বৰ্ণনা থাকে। (ঙ) বেলাড নৈৰ্ব্যক্তিক অৰ্থাৎ বস্তুনিষ্ঠ, ঘটনাৰ গতি, কাহিনী, কথোপকথন আদিৰ সহায়ত ই ক্ষিপ্ত গতিত উপসংহাৰৰ ফালে গতি কৰে।[১৮৭]

---

১৮৫ বৈদ্য অমৰ ঃ দ্বিতীয় ভাগ, পৃষ্ঠা ১৬৬-১৬৭

১৮৬ বৰুৱা, প্ৰহ্লাদকুমাৰ (সম্পা.), শৰ্মা, নবীন চন্দ্ৰ, অসমীয়া লোকসাহিত্য (প্ৰবন্ধ), পৃষ্ঠা ৩৯

১৮৭ Maria Leach [ed] standard Dictonary of Folklare, P. 106

লোকজীৱনৰ পটভূমিত বেলাডবোৰ ৰচিত হোৱা বাবে এইবিধ কালত লোকজীৱনত প্ৰচলিত পুৰাণ-কথা, জনশ্ৰুতিমূলক কথা, স্থানীয় ইতিহাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ প্ৰতিফলন হোৱা স্বাভাৱিক। মানৱ জীৱনৰ বিভিন্ন বিষয়ক লৈ এই বেলাড সমূহ সৃষ্টি হোৱাৰ উপৰিও জীৱ জন্তু, নিৰ্জীৱ বস্তু ইত্যাদিৰো উৎপত্তি বেলাডসমূহত দেখা যায়।

### ২.৯.১ বেলাডৰ শ্ৰেণী বিভাজন ঃ

বেলাডৰ কথাবস্তু বা কাহিনীৰ বিষয়বস্তু অনুসৰি এইবিধ বাচিক-কলাক কেইটামান উপ-বিভক্ত কৰিব পাৰি; যেনে ঃ

১। পুৰাণগত মলিতা (Mythical ballad)

২। নৈদানিক মালিতা (Etiological ballad)

৩। ঐতিহাসিক মালিতা (Historical ballad)

৪। জনশ্ৰুতি মূলক মালিতা (Legendry ballad)

৫। যাদুমূলক বা বিস্ময়াবহ বা অলৌকিক মালিতা (Magical or wonderous or supernatural ballad)

৬। ব্যঙ্গাত্মক মালিতা (Satirical ballad)

৭। বাস্তৱানুগ মালিতা (Realistic ballad)[১৮৮]

### ২.৯.১.১ পুৰাণগত মালিতা (Mytical ballad)

পুৰাণগত মালিতাক অতিকথা জাতীয় মালিতা বুলিব পাৰি। এইবিধ মালিতাৰ কথাবস্তু বা কাহিনী মিথধৰ্মী। সাধাৰণতে মিথধৰ্মী কাহিনীত দূৰ অতীতৰ ঘটনা এটি বৰ্ণিত হয়। ইয়াৰ চৰিত্ৰবোৰ মানুহ নহয়, অতিমানৱহে। ধৰ্মীয় অনুষংগৰ সতে জৰিত এই মালিতা জগত সৃষ্টিৰ বৰ্ণনা, ধৰ্মীয় কৃত্য আৰু ইয়াৰ লগত জড়িত সমলৰাজিৰ উৎপত্তিৰ বিষয়ে এইবিধ মালিতাত পোৱা যায়। শীতেলী আইৰ জন্ম কথা ইত্যাদি এইধৰণৰ মালিতা।

১৮৮ শৰ্মা, নবীনচন্দ্ৰ ঃ লোকসংস্কৃতি, পৃ. ৬৯

## ২.৯.১.২ নৈদানিক মালিতা (Etiological ballad)

এই মালিতাত জগৎসৃষ্টি, বিভিন্ন বস্তুৰ উৎপত্তি, প্ৰাকৃতিক ব্যাপাৰৰ ব্যাখ্যা, পৰ্বত-পাহাৰ আদিৰ জন্ম, গছ-বৃক্ষ, লতা-লতিকা আদিৰ উৎপত্তিৰ বৰ্ণনা পোৱা যায়। ওজাপালিয়ে গোৱা ঢেঁকীৰ জন্ম, পিঠা-গুৰিৰ জন্ম, তালৰ জন্ম, ঢোলৰ জন্ম, তামোল পাণৰ জন্ম, কুমাৰৰ জন্ম আদি বিষয়ক মালিতা বোৰেই নৈদানিক মালিতা।

মায়ং অঞ্চলত সৰিয়হ খেতিৰ উৎপত্তি বিষয়ক এটি মালিতা প্ৰচলিত আছে। 'তেলপেৰা গীত' হিচাবে পৰিচিত এটি গীতৰ মাজত সৰিয়হ খেতি কৰাৰ পৰা চাকি জ্বলোৱালৈকে বৰ্ণনা আছে তেলপেৰা মালিতা ঃ

*'সোণৰ নাঙলখনি ৰূপৰে ফাল,*
*জনকৰজাই জুৰিলে হাল।*
*বালে মৈয়ালে চহ হ'ল মাটি,*
*তাতে চতিয়ালে সৰিয়হ গুটি,*
*সৰিয়হ পেলালে হাতেৰে মুঠি,*
*সৰিয়হ গজিলে পৃথিৱী ঢাকি।*
*এপাহি সৰিয়হ দুপাহি হ'ল,*
*চাওতে সৰিয়হ তুলিবৰ হ'ল।*
*তুলিলে সৰিয়হ হাতৰে লাফে*
*সৰিয়হ শুকালে সূৰ্যৰ তাপে*
*সৰিয়হ মাৰিলে গৰুৰ খোজে,*
*সৰিয়হ চালিলে চালনীৰ চাতে।*
*সৰিয়হ খুন্দিলে ঢেঁকীৰ চাপে*
*পেৰিলে সৰিয়হ পেৰণিৰ পাকে*
*তেল এটুপি কিহলৈ লাগে,*
*আমাৰে আইদেউৰ বিয়ালৈ লাগে।'*[১৮৯]

---

১৮৯ সংবাদদাতা, দাস, মুৰুলীধৰ, ক্ষেত্ৰী, (৬৭)

মালিতাটোৰ মাজেৰে সৰিয়হৰ উৎপত্তিৰ বৰ্ণনা দিয়া হৈছে। অঞ্চলটোত প্ৰাপ্ত আন এটি সৰিয়হৰ উৎপত্তি বিষয়ক মালিতা হৈছে

**সৰিয়হৰ মালিতা ঃ**

'দিহা ঃ হাই ৰাম হৰি এ অ হৰি এহে নাৰায়ণ

পদ ঃ *ঐ ৰুকুনী নঙলাত কোনে উমলিলে*
*সৰিয়হ ফুলৰে পাহি হাহা হৰি নাৰায়ণ*
*চামে চিকুনে নটুৰা কানায়*
*সেয়ে ওমলিলে আহিহে*
*হাহা ৰাম হৰি অ হৰি নাৰায়ণ*
*সেয়ে ওমলিলে আহি হে*
*হাহা ৰাম হৰি অ হৰি নাৰায়ণ*
*হালো বালো মই মৈয়ালো মাটি*
*জগন্নাথ আহা মোৰ জয় জয়*
*সৰিয়হ মুঠ লৈ তাপতে হ'ল*
*জগন্নাথ আহা জয় জয় ৰাম*
*ঐ ফুলিলো পকিলো তুলিলো দুপেটি*
*জগন্নাথ আহা মোৰ জয় জয় ৰাম*
*সেয়া সৰিয়হ মাৰিলো হেদি জগন্নাথ....*
*ঐ হেৰা সৰিয়হ খুন্দিলো ঢেঁকীত জগন্নাথ...*
*সাথিলো পেৰিলুং ভাজিলুং আমি*
*জগন্নাথ আহা মোৰ জয় জয় ৰাম*
*সেয়া তেলকে লগালো চাকি*
*জগন্নাথ আহা মোৰ হৰি এ'।* [১৯০]

১৯০ সংবাদদাত্ৰী, দেৱী, ক্ষীৰদা, ৰজামায়ং, (৭৫)

মায়ং অঞ্চলত প্ৰচলিত এই মালিতাটোতে সৰিয়হ তেলৰ উৎপত্তিৰ কথা বৰ্ণনা কৰা হৈছে।

**২.৯.১.৩ ঐতিহাসিক মালিতা (Historical ballad) ঃ**

ঐতিহাসিক মালিতাৰ কাহিনী বা কথাবস্তু কোনো ঐতিহাসিক ঘটনাৰ ওপৰত আধাৰিত। ঐতিহাসিক মালিতাত নায়ক বা নায়িকাৰ বীৰত্বপূৰ্ণ চাৰিত্ৰিক বিশেষত্বৰাজিয়ে স্থান লাভ কৰে। 'বৰফুকনৰ গীত', 'মণিৰাম দেৱানৰ গীত', 'জয়মতী কুঁৱৰীৰ গীত', 'আজান ফকিৰৰ গীত', 'বাখৰ বৰাৰ গীত' আদি উল্লেখযোগ্য মালিতা।

**২.৯.১.৪ জনশ্ৰুতিমূলক মালিতা (Legendry ballad) ঃ**

যি মালিতাত জনশ্ৰুতিগত কাহিনী একেটি বৰ্ণিত হয় সেই মালিতাক জনশ্ৰুতিমূলক মালিতা বোলে। 'পুৰাণ-কাহিনীৰ দৰে জনশ্ৰুতিগত কাহিনীটো যি অঞ্চলত বা যি সমাজত প্ৰচলিত সেই সমাজৰ জনগণে সেই কাহিনীটো সত্য ঘটনাৰ ইতিবৃত্ত বুলি ভাৱে।'[১৯১]

জাতীয় আৰু সামাজিক নায়ক ঃ ন্যায়বান নায়ক অথবা অধাৰ্মিক নায়ক, স্থান, নদী, পৰ্বত-পাহাৰ, হ্ৰদ-পুখুৰী, অতীতৰ ভাস্কৰ্য আদি বিষয়ক কেন্দ্ৰ কৰিয়ো জনশ্ৰুতিগত মালিতা ৰচিত হ'ব পাৰে। 'সতী ৰাধিকাৰ গীত', 'কেন্দুকলাইৰ গীত' 'বেউলা-লখাইৰ গীত' আদি এই শ্ৰেণীৰ বেলাড।

**২.৯.১.৫ যাদুমূলক বা অলৌকিক মালিতা (Magical or wonderous or super-natural ballad) ঃ**

যি মালিতাৰ মাধ্যমেৰে যাদুমূলক বা বিস্ময়াৰহ বা অলৌকিক কাহিনী এটি বৰ্ণিত হয় সেই মালিতাৰ নাম যাদুমূলক বা বিস্ময়াৰহ বা অলৌকিক মালিতা বোলা হয়।

এইবিধ মালিতাত একক নায়কৰ প্ৰাধান্য প্ৰতি নায়কৰ স্থিতি, এক আচৰিত জগতৰ প্ৰতিফলন যাদুমূলক মালিতাত জীৱ-জন্তু, প্ৰাকৃতিক শক্তি আৰু বস্তুক মানৱীকৰণ কৰিবলৈ প্ৰয়াস কৰা দেখা যায়।

অসমীয়া ভাষাত প্ৰাপ্ত 'মণিকোঁৱৰৰ গীত' 'ফুলকোঁৱৰৰ গীত', 'কমলাকুঁৱৰীৰ

---

১৯১ শৰ্মা, নবীনচন্দ্ৰ ঃ লোকসংস্কৃতি, পৃ. ১১৯

গীত’, ‘তেজীমলাৰ গীত’, চিকন সৰিয়হৰ গীত আদি উল্লেখযোগ্য।

মায়ং অঞ্চলত প্ৰাপ্ত যাদুমূলক মালিতা এটিত ‘গৰু’ক মানৱী কৰণ কৰাৰ বিষয়ে পোৱা যায় ঃ

**জীৱ-জন্তুৰ মালিতা ঃ**

*‘গৰুৱে বোলে মোৰ নেজ দীঘল*
*মোৰে ওপৰত গোটেই ৰজা*
*সাজি দিলা সাজি দিলা দাঁতৰে পাৰি।*
*জিভাখন সজায় দিলা সদায় থাকে লাৰি।।*
*সজি দিলা সজি দিলা বৰ ডাঙৰ হাৰা*
*তাৰ মাজে সজি দিলা ঘাঁহ পানীৰ গৰা।।*
*সজি দিলা সজি দিলা চাৰোখন ভৰি।*
*তাৰ মাজে সজি দিলা খোজৰ সমল।।*
*সজি দিলা সজি দিলা বৰ দীঘল নেজ।*
*তাৰ মাজে সজি দিলা মাখি খেদা চলে।।*
*ৰাম ঔ হৰি ৰাম ঔ হৰি*
*চিলেনী মাৰিছি চিপত্ হাত বাট দি শতুৰে জানিব*
*তহতে বাৰ মোক চকু টিপত*
*দেখনে শুৱনে মোৰ পহু ভাল*
*আগুৱাওতে পিছুৱাওতে যায় কলৰ যাল’*[১৯২]

গোটেই মালিতাটোত গৰুৰ জিভাৰ পৰা আদি কৰি নেজ, ভৰিলৈকে এটি বৰ্ণনা দিয়া হৈছে।

**২.৯.১.৬ ব্যংগাত্মক মালিতা (Satirical ballad) ঃ**

সামাজিকভাৱে অন্যায় বা অশোভন বা অনুচিত আচৰণ বা কাৰ্যাৱলীক ব্যংগ কৰি

১৯২ সংবাদদাত্ৰী, দেৱী, ক্ষীৰদা, ৰজামায়ং, (৭৫)

ৰচিত হোৱা মালিতাবোৰক ব্যঙ্গাত্মক মালিতা বুলিব পাৰি। এই মালিতাৰ উদ্দেশ্য হ'ল সমাজ সংশোধন বা সংস্কাৰ। সাধাৰণতে এই জাতীয় মালিতাবোৰ মুখে মুখে ৰচনা কৰে— ভাইৰা, ভাউৰীয়া, ভাইৰা, বহুৱা, ওজাপালি, ঢুলীয়া আদি চৰিত্ৰই

এনেধৰণৰ অসমীয়া মালিতা হৈছে 'মলুৱাৰ গীত', 'নাহৰৰ জুনা', 'যঁতৰৰ গীত' ইত্যাদি।

মায়ং অঞ্চলত প্ৰাপ্ত এটি মালিতা হৈছে 'বানপানীৰ গীত'।

**বানপানীৰ মালিতা ঃ**

*'এইবেলি বানপানী আহি হ'ল ঠিয়*
*তাকে দেখি আমাৰ ৰাইজৰ*
*উৰি গ'ল জীৱ।*
*আমাৰ ৰাইজৰ কপালতে*
*নিলিখিলে ভাল*
*বাৰে বাৰে খেতি মাৰে নেপায় মৰা ধান*
*চৰকাৰে আমাৰ কথা নিদিয়ে যে কাণ*
*এই বেলি আহুধান পানীয়ে মাৰিলে*
*ঘূৰি বেলি আহুধান পাম।'*[১৯৩]

গীতটিত এহাতে বানপানীৰ পৰা হোৱা দুৰ্যোগ আনহাতে ইয়াৰ কিছু পৰিমাণে উপকাৰিতা এই দুয়োটাৰে সমন্বয়ত ৰচিত হৈছে।

ব্যঙ্গময় মালিতাৰ আন এটি নিদৰ্শন হ'ল পাচ্‌লা পুৰাণৰ গীত মায়ঙৰ বৰদিয়া অঞ্চলত হাস্য ব্যঙ্গভাৱে এনে ধেমেলীয়া গীতৰ প্ৰচলন আছে।

**দিহা ঃ** *'এ দয়াময় ৰায়াহে চৰণে শৰণ লৈলো আমি।।*
*আজি কালিৰ আপী হাতৰ ডাঙৰ ডাঙৰ খপা।*
*সেই খপা মেলি চালি ফটাকানিৰ থপা।।*

১৯৩ সংবাদদাত্ৰী, ডেকা, গায়ত্ৰী, বৰদিয়া, (৫০)

*ডাঙৰজনী উঠি বোলে সৰুজনী মাই।*

*আজি দুপৰীয়াক লাগি একো আঞ্জা নাই।।*

*সৰুজনী উঠিবোলে ডাঙৰজনী মাই।*

*পচলাৰ আঞ্জা খাবাৰ মোৰ বৰ মন যায়।*

*পচলা বিচাৰে তাই বাৰীৰ আশে পাশে ...*

..... .... .... .... .... ..... .... .... .... ....

*পচলা কাটিলা তাই হাকাৰ হাকাৰ কৰি*

*সেই পচলাত পানী দিলা আঠু সমান কৰি।*

..... .... .... .... .... ..... .... .... .... ....

*সেই আঞ্জাত কামোৰ দিলি ঘুমতি চলি জাগে।'*[১৯৪]

**২.৯.১.৭ বাস্তৱানুগ মালিতা (Realistic ballad) ঃ**

যিবিলাক মালিতাত কম বেছি পৰিমাণে জীৱনৰ বাস্তৱ অভিজ্ঞতাৰ প্ৰতিফলন ঘটে সেয়ে বাস্তৱানুগ মালিতা বোলা হ'ব। মায়ং অঞ্চলত প্ৰাপ্ত বাৰমাহী গীত এটি এনে ধৰণৰ ঃ

**বাৰমাহী গীত ঃ**

*'ডেৰকুৰি দিনে মাহা সকলোৱে কয়*

*বাৰমাহ গোট খাই একছৰ হয়*

*বৈহাগত নদী বিল পানী ওপৰে*

*জেঠত কঠাল আম পকে গছে*

*আহাৰত খেতিয়কে মাটি বোকা কৰে*

*শাওনত শালিগছ ৰুবলৈ ধৰে*

*ভাদুৰত ভদি মুগা গছত লগায়*

*আহিনত বোকাপানী অলপ শুকায়*

---

১৯৪ সংবাদদাত্ৰী, ডেকা, বিলাতী; বৰদিয়া (৬০)

*কাতিত কুৰুৱালি আৰু জাৰত নুমাই*

*পুহত ভৰি হাত ধৰে টেকুৰাই*

*মাঘত ভোগালী বিহু পিঠা পানী খায়*

*চৈতৰ ৰঙালী বিহু মনত উলাহ।'*[১৯৫]

মায়ং অঞ্চলত প্ৰচলিত এই মালিতাসমূহে আনন্দ-বিনোদনৰ লগতে পুৰণি কালৰ বহু কথা সোঁৰৰাইছিল। প্ৰাচীন সমাজ ব্যৱস্থাত থকা ৰীতি-নীতি, কৃষি কাৰ্য, জলবায়ু পৰিবৰ্ত্তন, বিভিন্ন দ্ৰব্যৰ উৎপত্তি  আদিৰ বিষদ বিৱৰণ পোৱা যায় মালিতাসমূহত। কিন্তু কালৰ সোঁতত লুপ্ত হ'বলৈ ধৰাত বৰ্তমান মুষ্টিমেয় কেইগৰাকী মানৰ বাহিৰে আনৰ মুখত এই মালিতাসমূহ শুনিবলৈ পোৱা নাযায়।

❑❑❑

১৯৫ সংবাদদাত্ৰী, ওজা, ধনেই, বৰদিয়া, ৯০